www.asombarta.in
শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক
PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

যন্ত্ৰণা ভোগ মনকৰাকৈ মানুহে নিজকে নতুনকৈ নিৰ্মাণ কৰিব নোৱাৰে, কাৰণ মানুহ নিজেই পাথৰ আৰু নিজেই ভাস্কৰ। — এলেক্সিছ কেৰেলা

# অসম বাৰ্তা

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ ▫ সংখ্যা- ১১৩ ▫ মঙ্গলবাৰ ▫ ২৭ জানুৱাৰী, ২০২৬ চন ▫ Volume/Year- I ▫ Issue- 113 ▫ Tuesday ▫ 27th January, 2026 ▫ Asom Barta, Majuli ▫ PRGI Reg. No.- ASASS/25/A2361 ▫ Price- Rs. 10 ▫ Total Page- 8






■ সমুজ্জ্বল হৈ উঠিল ডেৰশ বছৰীয়া 'বন্দে মাতৰম' ■ প্ৰতীকপটত জিলিকিল অপাৰেচন সিন্দূৰ ■

# কৰ্তব্য পথত সামৰিক-প্ৰযুক্তিগত উদ্ভাৱনীৰ সমাহাৰ

▫ ভাৰতীয় সশস্ত্ৰ বাহিনীৰ সমন্বিত শক্তিৰ প্ৰদৰ্শন
▫ গণৰাজ্য দিৱসত উদ্ভাসিত দেশৰ গৌৰৱ গৰিমা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৬ জানুৱাৰী ঃ** ৭৭তম গণৰাজ্য দিৱসৰ ঐতিহাসিক পেৰেডত এইবাৰ বিশেষভাৱে উজ্জ্বল হৈ পৰিল ভাৰতীয় সশস্ত্ৰ বাহিনীৰ তিনিটা শাখাৰ সমন্বিত শক্তিৰ প্ৰতীক অপাৰেচন সিন্দূৰ। ভাৰতীয় সেনা, নৌসেনা আৰু বায়ুসেনাৰ যৌথ প্ৰতীকপটত "ঐক্যবদ্ধ যুঁজৰ জয় (Victory Through Jointness)" শিৰোনামেৰে প্ৰদৰ্শিত এই বিশেষ টেবল'টোৰে দেশৰ সামৰিক ক্ষমতাৰ নতুন মাত্ৰাক তুলি ধৰিলে। এই প্ৰতীকপটত স্থল, সমুদ্ৰ আৰু আকাশ — তিনিটা ক্ষেত্ৰতে সমন্বিত অভিযান পৰিচালনাৰ ক্ষমতা স্পষ্টভাৱে প্ৰতিফলিত হ'ল। ভাৰতীয় বায়ুসেনাৰ নিৰ্ভুল বিমান আক্ৰমণ, নৌসেনাৰ দ্ৰুত সামুদ্ৰিক আধিপত্য প্ৰতিষ্ঠাৰ কৌশল আৰু সেনাবাহিনীৰ সমন্বিত স্থল অভিযানৰ চিত্ৰণৰ জৰিয়তে দেখুওৱা হ'ল যে ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে যিকোনো ধৰণৰ ভাবুকিৰ বিৰুদ্ধে সদায় প্ৰস্তুত আৰু ■ ৬ পৃষ্ঠাত

## গণৰাজ্য দিৱসৰ শুভেচ্ছা ছি জিনপিঙ, ট্ৰাম্পৰ

**অনলাইন ডেস্ক, অসম বাৰ্তা, ২৬ জানুৱাৰী ঃ** সমগ্ৰ দেশবাসীয়ে আজি উৎসাহ-উদ্দীপনাৰে পালন কৰিছে ভাৰতৰ ৭৭তম গণৰাজ্য দিৱস। এই শুভ ক্ষণত বিশ্বৰ বিভিন্ন দেশৰ নেতৃত্বই ভাৰতলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। বিশেষকৈ চীন আৰু আমেৰিকাৰ পৰা অহা বাৰ্তাসমূহে দুয়োখন মহাশক্তিৰ ■ ৬ পৃষ্ঠাত

ভাৰতৰ ভিতৰত অসম অৰ্থনৈতিকভাৱে দ্ৰুত-গতিত উন্নয়নৰ দিশে আগবাঢ়ি গৈছে ঃ মুখ্যমন্ত্ৰী

## ডিব্ৰুগড়ত দ্বিতীয়বাৰৰ বাবে পতাকা উৰুৱালে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৬ জানুৱাৰী ঃ** আজি সমগ্ৰ দেশজুৰি উদযাপিত হৈছে ৭৭ সংখ্যক গণৰাজ্য দিৱস। অসমতো বিভিন্ন স্থানত উৎসাহ-উদ্দীপনাৰে পালন কৰা হৈছে এই পৱিত্ৰ দিৱস। ৰাজধানী গুৱাহাটীৰ খানাপাৰাত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই জাতীয় পতাকা উত্তোলন কৰে। ■ ৬ পৃষ্ঠাত



## মাজুলীত পৰিভ্ৰমী চৰাইৰ বিষাক্ত মৃত্যু; ৫০ৰো অধিক চৰাই মৃত, ৮টা চিকিৎসাধীন

আৰক্ষী-বন বিভাগৰ তদন্ত আৰম্ভ, ১৭ জনক জেৰা

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ জানুৱাৰী ঃ** বিশ্বৰ সৰ্ববৃহৎ নদীদ্বীপ মাজুলী জিলাত গণৰাজ্য দিৱসৰ দিনাই এক চিন্তাজনক ঘটনা সংঘটিত হৈছে। ■ ৬ পৃষ্ঠাত

ধুবুৰীৰ টেৰাকোটা শিল্প প্ৰদৰ্শিত হ'ল গণৰাজ্য দিৱসৰ পেৰেডত

## নতুন দিল্লীৰ কৰ্তব্য পথৰ গণৰাজ্য দিৱসত জিলিকিল অসমৰ প্ৰতীকপট




**নিউজ ডেস্ক, অসম বাৰ্তা, ২৬ জানুৱাৰী ঃ** ভাৰতৰ ৭৭তম গণৰাজ্য দিৱসৰ পেৰেডত উত্তৰ-পূৰ্বাঞ্চলৰ অসম ৰাজ্যই নিজৰ বিখ্যাত টেৰাকোটা শিল্পকলাৰ গৌৰৱ উজ্জ্বল কৰি তুলিছে। ধুবুৰী জিলাৰ আশাৰীকান্দি গাঁওখনক প্ৰতীকপটত অংকন কৰি প্ৰদৰ্শিত এই টেবল'টোৰে ভাৰতৰ সৰ্ববৃহৎ আৰু পৰম্পৰাগত অসমীয়া টেৰাকোটা শিল্পৰ ঐতিহ্যক বিশ্বৰ সন্মুখত উপস্থাপন কৰিছে। এশ বছৰতকৈও অধিক কাল ধৰি আশাৰীকান্দিৰ শিল্পীসকলে থলুৱা দক্ষতাৰ জৰিয়তে ■ ৬ পৃষ্ঠাত

■ অসম ৰাইফলছৰ শিবিৰক টাৰ্গেট বিদ্ৰোহী সংগঠনৰ ■

## গণৰাজ্য দিৱসৰ পুৱাই অৰুণাচলৰ চাংলাঙত ভয়ংকৰ গুলীচালনা

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ২৬ জানুৱাৰী ঃ** হৈ আজি দেশৰ ৭৭ সংখ্যক গণৰাজ্য দিৱস। গণৰাজ্য দিৱসৰ দিনাই চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশত সশস্ত্ৰ বিদ্ৰোহী সংগঠনৰ দ্বাৰা এক ভয়ংকৰ আক্ৰমণৰ ঘটনা সংঘটিত হয়। ৰাজ্যখনৰ চাংলাং জিলা ৰংলুমত আজি পুৱা ভাগতে সংঘটিত হৈছে এই ঘটনা। ৰংলুমস্থিত আছাম ৰাইফলছৰ এটা শিবিৰক লক্ষ্য কৰি সশস্ত্ৰ বিদ্ৰোহীয়ে গুলীচালনা কৰা বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, ৰংলুমত থকা আছাম ৰাইফলছ কোম্পানী অপাৰেটিং বেছ (চিঅ'বি) ত ■ ৬ পৃষ্ঠাত



## আজি বড়ো-কছাৰী সকলৰ পবিত্ৰ বাথৌ পূজা

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৫ জানুৱাৰী ঃ** আজি অসমৰ বড়ো আৰু কছাৰী জনগোষ্ঠীৰ মাজত উৎসাহেৰে পালন কৰা হৈছে তেওঁলোকৰ ■ ২ পৃষ্ঠাত

## আমেৰিকাৰ মেইনত ৮ যাত্ৰী কঢ়িয়াই নিয়া ব্যক্তিগত বিমান দুৰ্ঘটনাগ্ৰস্ত

**অনলাইন বাৰ্তা, অসম বাৰ্তা,** আমেৰিকাৰ মেইনত এক ভয়ংকৰ বিমান ■ ৬ পৃষ্ঠাত


১.৭ লাখ জনক বিদেশী চিনাক্ত; ৪৬৭জনক বিতাড়ন

## খানাপাৰাত ৰাষ্ট্ৰীয় পতাকা উৰুৱাই ৰাজ্যপালৰ অবৈধ বিদেশী, অপৰাধ হ্ৰাস আৰু অৰ্থনৈতিক অগ্ৰগতিৰ উল্লেখ



জিএছডিপি ৭ লাখ কোটি টকা অতিক্ৰম; অপৰাধৰ হাৰ যথেষ্ট হ্ৰাস


**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৬ জানুৱাৰী ঃ** গণৰাজ্য দিৱসৰ এই বিশেষ দিনটোত অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই খানাপাৰাস্থিত ৰাজ্যিক অনুষ্ঠানত ৰাষ্ট্ৰীয় পতাকা উৰুৱাই কৰি ৰাজ্যবাসীক উদ্দেশ্য কৰি এক গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। ভাষণত তেওঁ অবৈধ বিদেশীৰ বিতাড়ন প্ৰক্ৰিয়া, সীমান্ত ■ ৬ পৃষ্ঠাত




## 'গণৰাজ্য দিৱসত ক'তো দেখা নগ'ল গৌৰৱ গগৈক'

গৌৰৱ গগৈক কটাক্ষ ৰাজ্যিক বিজেপিৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৬ জানুৱাৰী ঃ** ভাৰতৰ ৭৭তম গণৰাজ্য দিৱসৰ উদযাপনত সমগ্ৰ দেশজুৰি উৎসাহ-উদ্দীপনাৰ মাজত ৰাষ্ট্ৰীয় পতাকা উন্মোচনৰ কাৰ্যসূচী অনুষ্ঠিত হৈছে। দিল্লীৰ কৰ্তব্য পথত বিদেশী অতিথিসকলৰ উপস্থিতিত ৰাষ্ট্ৰপতিয়ে জাতীয় পতাকা ■ ৬ পৃষ্ঠাত



# ডুমডুমাত আদৰণি তোৰণ নিৰ্মাণৰ বাবে ২০২৩ চনত 'আছু'ৱে জনাইছিল দাবী



**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ২৫ জানুৱাৰী ঃ** আজি অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডুমডুমা নৈৰ ওপৰৰ দলঙৰ দক্ষিণপাৰে ডুমডুমা পৌৰসভাই পঞ্চদশ বিত্তীয় আয়োগৰ পুঁজিৰ ৮৪ লাখ টকা ব্যয়েৰে নিৰ্মাণ কৰা ডুমডুমা আদৰণি তোৰণখনৰ শুভ উদ্বোধন কৰে। উল্লেখ্য যে, ২০২৩ চনত ডুমডুমাত এখন আদৰণি তোৰণ নিৰ্মাণৰ বাবে 'আছু'ৱে ডুমডুমা পৌৰসভাক দাবী জনাইছিল। 'আছু'ৰ ডুমডুমা নগৰ সমিতি গোটে (ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ অন্তৰ্গত) জনাইছিল এই দাবী। ডুমডুমা নগৰ সমিতি আছু গোটৰ এটা সজাতি দলে ২০২৩ চনৰ ২ আগষ্ট তাৰিখে ডুমডুমা পৌৰসভাৰ সভাপতি কান্তা ভট্টাচাৰ্যক লগ ধৰি ডুমডুমাৰ জৰাজীৰ্ণ পথ নিৰ্মাণৰ লগতে ডুমডুমাত এখন আদৰণি তোৰণ নিৰ্মাণৰ দাবীত এক স্মাৰক পত্ৰ প্ৰদান কৰিছিল। উক্ত স্মাৰক পত্ৰত আছুৱে উল্লেখ কৰিছিল এনেদৰে- "ডুমডুমা পৌৰসভাৰ অন্তৰ্গত ৪ নং ৱাৰ্ডৰ আব্দুল পট্টী, ৭ নং ৱাৰ্ডৰ আব্দুল পট্টী, ৮ নং ৱাৰ্ডৰ জিএনবি ৰোড নিচা পট্টী, আজাদ ৰোড চাৰিআলি প্ৰমুখ্যে বহু পথ আজি পুখুৰীসদৃশ খাললৈ পৰ্যবসিত হৈছে। এই জৰাজীৰ্ণ পথত বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ পৰা আৰম্ভ কৰি ডুমডুমা এফ আৰ ইউ চিকিৎসালয়লৈ অহা-যোৱা কৰা ৰোগীসকলে যমৰ-যন্ত্ৰণা ভুগিব লগা হৈছে। তাৰ সমান্তৰালকৈ ডুমডুমাৰ পৰিচয় দিব পৰাকৈ এখন আদৰণি তোৰণ নথকা বিষয়টি অতি পৰিতাপৰ বিষয়। ডুমডুমা হৈ নামচাই গোল্ডেন টেম্পলৰ পৰা আৰম্ভ কৰি অৰুণাচলৰ মনোমোহা দৃশ্য, ধলা-শদিয়া সেতুৰেদি ৰয়িং আৰু তাৰ আশে-পাশে থকা সৌন্দৰ্য্যময় পৰিৱেশ উপভোগ কৰিবলৈ অহা ৰাইজৰ হৃদয়ত ডুমডুমাৰ নামটোৱে স্থান পোৱা নাই বুলি আমি উপলব্ধি কৰিছোঁ। তাৰ আৰু এটা অন্য কাৰণ হ'ল ডুমডুমাত এনেকুৱা কোনো উদ্যান তথা সৌন্দৰ্য্যৰ পৰিৱেশ গঢ়লৈ উঠা নাই, তেনেকুৱা কিবা পৰিকল্পনা কৰিছে বুলিও আমি অৱগত নহয়। সেইবাবে এই বিষয়ৰ ওপৰত আপোনাক দৃষ্টিগোচৰ কৰালোঁ। গতিকে, মহোদয়াই ডুমডুমা পৌৰসভাৰ অন্তৰ্গত জৰাজীৰ্ণ পথসমূহ অতিশীঘ্ৰে নিৰ্মাণ কৰি ৰাইজক সঁকাহ প্ৰদান কৰা উপৰিও ডুমডুমা নামকৰণে এখন আদৰণি তোৰণ নিৰ্মাণৰ জৰিয়তে বিভিন্ন প্ৰান্তৰৰ পৰা অহা ৰাইজক আদৰণি জনোৱাৰ অৰ্থে এক সুন্দৰ নিদৰ্শন দাঙি ধৰিব বুলি আমি ডুমডুমা নগৰ সমিতি আছু প্ৰাথমিক গোটে এই পত্ৰৰ যোগেদি দাবী জনালোঁ, অন্যথা ৰাইজৰ স্বাৰ্থত ডুমডুমা পৌৰসভাৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্য্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হ'ম বুলি আপোনাক অৱগত কৰিলোঁ।" ডুমডুমা নগৰ সমিতি আছু গোটৰ সভাপতি ৰিতেশ গোস্বামী আৰু সাধাৰণ সম্পাদক ৰিয়াজ আলমৰ স্বাক্ষৰিত উক্ত স্মাৰক পত্ৰৰ পৰিপ্ৰেক্ষিতত ২০২৬ চনত উক্ত আদৰণি তোৰণখনৰ নিৰ্মাণ সম্পূৰ্ণ হ'ল বুলি ডুমডুমা নগৰ সমিতি আছু গোটে ক'ব খোজে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ফিতা কাটি উদ্বোধন কৰা ডুমডুমা আদৰণি তোৰণখনৰ শুভ উদ্বোধনী অনুষ্ঠানত ডুমডুমাৰ বিধায়ক তথা কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালা, ডুমডুমা পৌৰসভাৰ সভাপতি কান্তা ভট্টাচাৰ্য, শদিয়াৰ বিধায়ক বলিন চেতিয়া উপস্থিত থাকে। এই সন্দৰ্ভত মন্ত্ৰী গোৱালাই সামাজিক মাধ্যমত এনেদৰে কয়, "আজি মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ডুমডুমাবাসী ৰাইজক সমৃদ্ধ কৰি তুলিলে। তেখেতে আজিৰ দিনটোতেই 'ডুমডুমা তোৰণ'খনৰ শুভ উদ্বোধন কৰি ৰাইজৰ বাবাৰে উৎসৰ্গা কৰে। চাহ জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিৰ নিদৰ্শন দাঙি নিৰ্মাণ কৰা এই তোৰণখনে যাত্ৰীসকলকো সুখী কৰি তুলিব।

চাংসাৰিত ৰাষ্ট্ৰীয় পতাকা উত্তোলন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ

# কামৰূপ জিলা প্ৰশাসনৰ ৭৭ সংখ্যক গণৰাজ্য দিৱস উদ্‌যাপন




**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৫ জানুৱাৰী ঃ** দেশৰ অন্যান্য স্থানৰ লগতে কামৰূপ জিলাতো সোমবাৰে ভাৰতৰ ৭৭ সংখ্যক গণৰাজ্য দিৱসটি ব্যাপক উৎসাহ উদ্দীপনাৰে উদ্‌যাপন কৰা হয়। কামৰূপ জিলাৰ চাংসাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত ৰাজ্য চৰকাৰৰ পৰিৱেশ আৰু বন আদি বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। পতাকা উত্তোলন কৰি দিয়া ভাষণত মন্ত্ৰী গৰাকীয়ে জাতিৰ পিতা মহাত্মা গান্ধীৰ লগতে স্বাধীনতা সংগ্ৰামৰ বীৰ শ্বহীদসকলক শ্ৰদ্ধাৰে স্মৰণ কৰে। তেওঁ মুখ্য অতিথিৰ ভাষণত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশখন বিকাশৰ এটা বিশেষ স্তৰলৈ গতি কৰিছে বুলি উল্লেখ কৰে। কামৰূপ জিলা প্ৰশাসনৰ দ্বাৰা আয়োজিত কেন্দ্ৰীয় গণৰাজ্য দিৱসৰ এই অনুষ্ঠানত কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতা, কামৰূপ জিলাৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, জ্যেষ্ঠ আৰক্ষী অধীক্ষক সঞ্জীৱ কুমাৰ শইকীয়াৰ লগতে বহুকেইজন গণ্যমান্য ব্যক্তি উপস্থিত থাকে। জিলা প্ৰশাসনৰ উদ্যোগত আয়োজন কৰা মূল কাৰ্যসূচীত ৰাষ্ট্ৰীয় পতাকা আনুষ্ঠানিকভাৱে উত্তোলন কৰি মন্ত্ৰী গৰাকীয়ে আৰক্ষী, অৰ্ধসামৰিক বাহিনী, এন চি চি আদিৰ তৰফৰ পৰা প্ৰদৰ্শন কৰা আকৰ্ষণীয় কুচকাৱাজৰ অভিবাদন গ্ৰহণ কৰে। পতাকা উত্তোলন কৰাৰ আগমুহূৰ্তত তেওঁ জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে। মন্ত্ৰী পাটোৱাৰীয়ে তেওঁৰ ভাষণত বৰ্তমানৰ ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে ৰাজ্যখনৰ দ্ৰুত বিকাশৰ দিশত গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিস্তৃত আলোকপাত কৰে। ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ দ্বাৰা ৰূপায়িত আঁচনি সমূহে জনসাধাৰণৰ বিকাশৰ দিশত বিশেষভাৱে অৰিহণা যোগাইছে বুলিও তেওঁ কয়। গণৰাজ্য দিৱসৰ এই কাৰ্যসূচীত অসমৰ বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতি, তথা দেশ মাতৃৰ বন্দনাৰে সমৃদ্ধ এক বৰ্ণিল সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰাৰ উপৰি মন্দে মাতৰম্ গীতটিৰ ১৫০ বছৰ উদযাপনৰ দ্বিতীয় পৰ্যায়ৰ লগত সংগতি ৰাখি গীতটি সমূহীয়া ভাৱে পৰিৱেশন কৰা হয় আৰু কামৰূপ জিলা পৰিবহণ বিভাগৰ কাৰ্যালয়ৰ দ্বাৰা পথ সুৰক্ষা সন্দৰ্ভত এক মূকাভিনয় প্ৰদৰ্শন কৰা হয়। ইয়াৰ উপৰিও পৰিবহণ, জনস্বাস্থ্য কাৰিকৰী, সমাজ কল্যাণ, কৃষি, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, কামৰূপ জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আদি বিভাগৰ দ্বাৰা জনকল্যাণমূলক আঁচনি সৱিশেষৰ প্ৰদৰ্শন কৰা প্ৰদৰ্শনীসমূহো মন্ত্ৰী গৰাকীয়ে পৰিদৰ্শন কৰে। অনুষ্ঠানত গণৰাজ্য দিৱস উপলক্ষে আয়োজিত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত ৰচনা আৰু কুইজ প্ৰতিযোগিতাৰ বিজয়ী সকলৰ লগতে ২০২৫ চনৰ All Assam Invitational Taekwondo Championship আৰু ২০২৪ চনৰ All India Taekwondo Championshipত সোণৰ পদক অৰ্জন কৰা পি এম শ্ৰী আঞ্চলিক উচ্চতৰ মাধ্যমিক বিদ্যালয়, ফুলগুৰি-ৰাণীৰ সৌৰভ জ্যোতি ডেকা, উত্তৰ-পূৰ্বাঞ্চল উন্নয়ন মন্ত্ৰালয় (DoNER)ৰ উদ্যোগত ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ISRO), বেংগালৰু পৰিদৰ্শনৰ বাবে নিৰ্বাচিত হোৱা আৰু ২০২৪ চনত ৱাদনগৰ, গুজৰাটত অনুষ্ঠিত প্ৰেৰণা উৎসৱত অসমৰ হৈ প্ৰতিনিধিত্ব কৰা গণেশ দাস উচ্চ বিদ্যালয়, শুৱালকুছিৰ ছাত্ৰী ধৃতিস্মিতা কলিতা সম্বৰ্ধনা জনোৱা হয়। উক্ত অনুষ্ঠানতে মুক্তি যুঁজাৰু সংগঠনৰ সদস্য, ক্ষিপ্ৰ আৰু সহসীকতাৰে ২৩৬ নং আভ্যন্তৰীণ জল পৰিবহণৰ অপাৰেশ্যন ইউনিটৰ অভিযন্তা সৈনিক নাইব চুবেদাৰ আলি মহম্মদ, হাবিলদাৰ সুভাষ চন্দ্ৰ, হাবিলদাৰ মগন সিং আৰু নায়ক ৰাজেন্দ্ৰৰ সিংৰ লগতে মুখ্য ন্যায়া সখী চিত্ৰা লেখা চৌধুৰী, অগ্ৰগামী মীন পালক চয়নিকা ডেকা বৰ্মন আৰু মনোজ ডেকা, ডিজি পে সখী হিচাপে নিৰন্তৰ সেৱা প্ৰদান কৰি অহা হেমলতা নাথ দাস, পেৰেড কামাণ্ডাৰ পৰিক্ষীত গগৈ আৰু উপ-পেৰেড কামাণ্ডাৰ জহি কংকণ পাটগিৰিক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানৰ শেষত কুচকাৱাজত পেছাদাৰী আৰু অপেছাদাৰী শাখাত অংশগ্ৰহণকাৰী শ্ৰেষ্ঠ দলসমূহক আৰু প্ৰদৰ্শনীত শ্ৰেষ্ঠ প্ৰদৰ্শনৰ বাবে তিনিটা বিভাগক পুৰস্কাৰ প্ৰদান কৰা হয়। ইয়াৰ পূৰ্বে পুৱা কামৰূপ জিলাৰ আমিনগাঁওস্থিত সংহত জিলা কাৰ্যালয়ত গণৰাজ্য দিৱস উপলক্ষে সমূহ বিষয়া-কৰ্মচাৰীৰ উপস্থিতিত কামৰূপ জিলাৰ জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্তই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। উক্ত অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত গীতাশ্ৰী লাচিত উপস্থিত থাকে। উল্লেখযোগ্য যে ৭৭ সংখ্যক গণৰাজ্য দিৱস বৰ্ণাঢ্য কাৰ্যসূচী পুৱা জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয় আৰু উত্তৰ গুৱাহাটী পৌৰ সভাৰ তৰফৰ পৰা উলিওৱা প্ৰভাত ফেৰীৰে শুভাৰম্ভ কৰা হয়।

## আজি আমবাৰী বজাৰত ৭৭ তম্ গণৰাজ্য দিৱস পালন

**অসম বাৰ্তা, লেংটিছিঙা, ২৬ জানুৱাৰী ঃ** দেশৰ আন স্থানৰ লগতে বঙাইগাঁও জিলাৰ আমবাৰীবজাৰতো ৭৭ তম গণৰাজ্য দিৱসৰ পতাকা উত্তোলন কৰা হয়। পূৰ্বৰ নিৰ্ধাৰিত চৰকাৰী নিৰ্দেশনা সময় অনুসৰিয়ে আমবাৰী বজাৰ চৌহদত ব্যৱসায় সন্থাৰ কৰ্মকৰ্তাৰ সকলৰ উপস্থিতিত ৭৭তম গণৰাজ্য দিৱসৰ পতাকা উত্তোলন কৰে জ্যেষ্ঠ অধিবক্তা মফিদুল ইছলামে। পতাকা উত্তোলন কৰি দিয়া ভাষণত অধিবক্তা মফিদুল ইছলামে দেশমাতৃ হকে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকলৰ প্ৰতি সশ্ৰদ্ধ শ্ৰদ্ধা নিবেদন কৰি কয় যে আমি প্ৰতিগৰাকী ভাৰতীয় নাগৰিকেই সংবিধানৰ প্ৰতি সন্মান প্ৰদৰ্শনেৰে ৰাষ্ট্ৰৰ হাতত শক্তিশালী কৰি তুলিব লাগিব। গণৰাজ্য দিৱসৰ এই পবিত্ৰ দিনটোতে আমি প্ৰত্যেকেই এখন শক্তিশালী বিশ্বৰ সৰ্বশ্ৰেষ্ঠ দেশ হিচাপে ভাৰতবৰ্ষক প্ৰতিষ্ঠা কৰিবৰ বাবে নিজকে উৎসৰ্গা কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। আমবাৰী ব্যৱসায় সন্থাৰ সভাপতি মফিদুল ইছলামৰ আঁত ধৰা এই পতাকা উত্তোলন কাৰ্য্যসূচীত সম্পাদক ইজ্জত আলী, ছানিদুল ইছলাম, ছাইদুল ইছলাম, ফৰিদুল ইছলাম, লোকমান আলী, আশক আলী, জামাল উদ্দিন, নিতাই সৰকাৰ, হাৱানুৰ ৰশিদ, আব্বাছ আলী, আমবাৰী বাৰেগড় গাঁও পঞ্চায়তৰ উপ সভাপতি ৰাশিদুল ইছলামৰ লগতে জ্যেষ্ঠ-কনিষ্ঠ সদস্য সকল উপস্থিত থাকে।

## হোজাই জিলা দিৱস ২০২৬ উদ্‌যাপন

**অসম বাৰ্তা, লংকা, ২৫ জানুৱাৰী ঃ** বৰ্ণাঢ্য কাৰ্যসূচীৰে আজি হোজাই জিলা দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে আজি পুৱা ৮ঃ৩০ বজাত শংকৰদেৱ নগৰৰ কাছাৰী ময়দানৰ পৰা এক বাৰে-ৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। জিলাখনৰ বিভিন্ন ভাষা-ভাষী তথা জাতি-জনগোষ্ঠীৰ স্বকীয় কৃষ্টি-সংস্কৃতিৰ প্ৰতিফলনেৰে উলিওৱা এই বিশাল শোভাযাত্ৰাটিয়ে সমগ্ৰ অঞ্চলটোত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। উল্লেখ্য যে হোজাই জিলা দিৱস উপলক্ষে উলিওৱা সাংস্কৃতিক শোভাযাত্ৰাৰ অন্যতম মুখ্য আকৰ্ষণ আছিল চৰকাৰী বিভিন্ন বিভাগৰ দ্বাৰা প্ৰস্তুত কৰি উলিওৱা দৃষ্টিনন্দন প্ৰতীকপট বা 'টেবলু' সমূহ। অসমীয়া সমাজ-জীৱনৰ অবিচ্ছেদ্য অংগ পবিত্ৰ নামঘৰ আৰু গুৰু থানৰ আৰ্হিৰ পৰা আৰম্ভ কৰি চৰকাৰী বিভিন্ন বিভাগৰ উন্নয়নমূলক আঁচনিৰ সফল প্ৰতিফলন এই প্ৰতীকপটসমূহৰ জৰিয়তে দাঙি ধৰা হয়। পৰম্পৰা আৰু আধুনিকতাৰ এক সুন্দৰ মিশ্ৰণ ঘটা এই প্ৰতীকপটসমূহে জিলা দিৱসৰ সাংস্কৃতিক শোভাযাত্ৰাৰ সৌষ্ঠৱ আৰু মৰ্যাদা দুগুণে বৃদ্ধি কৰে। শংকৰদেৱ নগৰৰ কাছাৰী ময়দানৰ পৰা আৰম্ভ হোৱা এই সমদলটোৱে বৰবহা অঞ্চল পৰিভ্ৰমণ কৰি পুনৰ কাছাৰী ময়দানতে মিলিত হয়। উক্ত সাংস্কৃতিক শোভাযাত্ৰাত অসমৰ বিশিষ্ট কণ্ঠশিল্পী বৰ্ণালী কলিতাই অংশগ্ৰহণ কৰি সমদলটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অনুষ্ঠানত হোজাই জিলাৰ সন্মানীয় জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতী, হোজাই সমষ্টিৰ বিধায়ক ৰামকৃষ্ণ ঘোষ আৰু লামডিং সমষ্টিৰ বিধায়ক শিবু মিশ্ৰৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকি জিলাবাসীৰ উৎসাহ দুগুণে বৃদ্ধি কৰে। প্ৰায় ৩০০০ ৰো অধিক লোকৰ স্বতঃস্ফূৰ্ত অংশগ্ৰহণেৰে জিলা দিৱসৰ এই শোভাযাত্ৰাই হোজাইৰ সামাজিক সমন্বয় আৰু সম্প্ৰীতিৰ এক অনন্য নিদৰ্শন দাঙি ধৰে। বিভিন্ন থলুৱা সাজ-পাৰ আৰু লোক-নৃত্যৰ ঝংকাৰে সমগ্ৰ পথছোৱা জিলিকাই তোলে।

## খাৰুপেটীয়াত দৰং জিলা আমছুৰ উদ্যোগত শৈক্ষিক সজাগতা সভা অনুষ্ঠিত

**অসম বাৰ্তা, খাৰুপেটীয়া, ২৫ জানুৱাৰী ঃ** সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ উদ্যোগত আৰু দৰং জিলা আমছুৰ সভাপতি জিয়াউল হকৰ সভাপতিত্বত শনিবাৰে দৰং জিলাৰ খাৰুপেটীয়াস্থিত অসম ক্লাবত এখন জিলা ভিত্তিক শৈক্ষিক সজাগতা সভা সফলতাৰে অনুষ্ঠিত হয়। এই সভাখন দৰং জিলাৰ দলগাঁও-শিয়ালমাৰী প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত চৰকাৰী প্ৰাদেশিক L.P আৰু M.E বিদ্যালয়সমূহৰ প্ৰধান শিক্ষকসকলৰ সৈতে আয়োজন কৰা হয়। সভাখনত জিলাখনৰ চৰকাৰী বিদ্যালয়সমূহৰ শৈক্ষিক পৰিৱেশ উন্নত কৰাৰ উদ্দেশ্যে একাধিক গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত বিস্তৃত আলোচনা অনুষ্ঠিত হয়। বিশেষকৈ বিদ্যালয়সমূহত গুণগত শিক্ষা সুনিশ্চিত কৰা, ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক নিযুক্তি, বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি কৰাৰ ব্যৱস্থা, আধাতে বিদ্যালয় সামৰাৰ সমস্যা, লগতে নৱম আৰু দশম শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিজ্ঞান প্ৰয়োগশালা স্থাপনৰ প্ৰয়োজনীয়তাৰ ওপৰত বক্তাসকলে গুৰুত্ব আৰোপ কৰে। উক্ত শৈক্ষিক সজাগতা সভাত উপস্থিত থাকে দলগাঁও-শিয়ালমাৰী প্ৰাথমিক শিক্ষাখণ্ডৰ উন্নয়ন বিষয়া পবিত্ৰ তামোলি, আমছুৰ মুখ্য উপদেষ্টা আইনুদ্দিন আহমেদ, উপদেষ্টা আব্দুৰ ৰহমান বিশ্বাস, ওদালগুৰি ডায়েট কলেজৰ প্ৰবক্তা আব্দুল ৱাহাব, খণ্ড উন্নয়নৰ BRP ৰফিকুল ইছলাম, আমছুৰ সহকাৰী সাধাৰণ সম্পাদক আলেপ উদ্দিন, দৰং জিলা সমিতিৰ উপ সভাপতি ওছমান গনি লগতে আমছুৰ বিভিন্ন পৰ্যায়ৰ নেতা-কৰ্মীসকল। সভাত বক্তাসকলে কয় যে চৰকাৰী বিদ্যালয়সমূহৰ মান উন্নয়নৰ বাবে শিক্ষক, অভিভাৱক, শিক্ষা বিভাগ আৰু সমাজৰ সকলো অংশীদাৰে একেলগে দায়িত্ব লৈ আগবাঢ়ি আহিব লাগিব। শিক্ষাৰ মান উন্নত নহ'লে সমাজৰ সামগ্ৰিক বিকাশ সম্ভৱ নহয় বুলি উল্লেখ কৰি বক্তাসকলে আগন্তুক দিনত এনে ধৰণৰ সজাগতা সভা অধিক পৰিমাণে আয়োজন কৰাৰ প্ৰয়োজনীয়তাৰ কথাও উল্লেখ কৰে।

## মাকুমত শাৰীৰিকভাৱে অক্ষম কেইবাজনলৈ "হুইলচেয়াৰ" প্ৰদান

**অসম বাৰ্তা, মাকুম, ২৬জানুৱাৰী ঃ** মাকুম অঞ্চলৰ মানৱ দৰদী তথা সমাজ কৰ্মী সত্যজিৎ মৰাণৰ মহানুভৱতা। শাৰীৰিকভাৱে অক্ষম ব্যক্তিৰ লগতে কিশোৰলৈ প্ৰদান কৰিলে "হুইলচেয়াৰ।" ঈশ্বৰৰ সৃষ্টি জীৱ শ্ৰেষ্ঠ মানুহ। এই জীৱ শ্ৰেষ্ঠ মানুহৰ কিছু লোকে এই পৃথিৱীলৈ আহে সুস্থদেহৰ অধিকাৰী হৈ আৰু কিছুলোকে আহে অসুখীয়া হৈ। সুস্থ দেহৰ অধিকাৰী সকলৰ বাবে এই পৃথিৱীখনত জীৱন ধাৰণ কৰাৰ ক্ষেত্ৰত সকলোবোৰ সম্ভৱ হৈ উঠে, কিন্তু এটা অসুখীয়া দেহ লৈ থকা সকলৰ বাবে পৃথিৱীখন চাৰিওফালে অন্ধকাৰে আৱৰি ধৰাৰ নিচিনা হৈ পৰে। দিক দিগন্ত হেৰুৱাই পেলোৱা কঠিন জীৱন যাত্ৰাত সকলো যেন আনৰ ওপৰত নিৰ্ভৰশীল হৈ পৰে। বিশেষকৈ শাৰীৰিকভাৱে অক্ষম সকলৰ বাবে জীৱনটো এটা অভিশাপ হৈ পৰাৰ দৰে হয়, নিজৰ কষ্টৰ লগতে আনৰ ওপৰত এটা বোজা হৈ পৰে জীৱন। সমাজ খনত যি সকলৰ পৰিয়াল আৰ্থিকভাৱে সৱল সেই সকলৰ ক্ষেত্ৰত এনেধৰণৰ ৰোগীয়া সকলৰ বাবে কিছু পৰিমাণে সকাহ পোৱাটো সম্ভৱ হৈ পৰে। ইপিনে দৰিদ্ৰতাই কোঙা কৰা যি সকল পৰিয়াল আছে তেখেত সকলৰ এনেধৰণৰ ৰোগীয়া সকলৰ বাবে দৈনন্দিন জীৱনটো অভাৱনীয় ভাৱে কঠিন হৈ পৰে। দৰিদ্ৰ লোক সকলৰ শাৰীৰিকভাৱে অক্ষম পৰিয়ালৰ বাবে চৰকাৰে কিছু কিছু ক্ষেত্ৰত সুবিধা প্ৰদান কৰিছে যদিও কৰবাত যেন বাদ পৰি ৰৈছে। তাৰ সমান্তৰাল ভাৱে মাকুম অঞ্চলৰ বেতজান আৰু হাপজান চাহ বাগিছাৰ কেবাটাও শ্ৰমিক পৰিয়ালৰ ঘৰত শাৰীৰিকভাৱে অক্ষম ব্যক্তিৰ লগতে বহু কেইজন কিশোৰো আছে। এই সকল দুৰ্ভগীয়া পৰিয়াললৈ সহায়ৰ হাত আগবঢ়াবলৈ আগবাঢ়ি আহিল মাকুম অঞ্চলৰ মানৱ দৰদী তথা সমাজ কৰ্মী সত্যজিৎ মৰাণে। আজি অসম চাহ জনজাতি ছাত্ৰ সন্থা মাকুম শাখা সমিতি সহ সম্পাদক মনোজ ৰাজপুত, কাৰ্যনিৰ্বাহক শংকৰ মুণ্ডা, সমাজ সেৱক অজয় গোৱালা, অসম চাহ মজদূৰ সংঘ বেতজান শাখা সভাপতি লাহোৰ তাঁতী প্ৰমুখ্যে অন্যান্য বিভিন্ন স্তৰৰ শ্ৰমিক সকলৰ উপস্থিতিত কেইবাজনো শাৰীৰিকভাৱে অক্ষম কিশোৰ আৰু ব্যক্তিক "হুইলচেয়াৰ" প্ৰদান কৰে। সত্যজিৎ মৰাণৰ এনেধৰণৰ মহানুভৱতাৰ কাৰ্যক শাৰীৰিকভাৱে অক্ষম পৰিয়ালৰ লগতে দল-সংগঠনটোৰ বিষয়ববীয়া সকলে বিশেষ ভাৱে ধন্যবাদ জ্ঞাপন কৰা পৰিলক্ষিত হয়।

## ৰহা সমজিলাত ৭৭তম গণৰাজ্য দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ৰহা, ২৫ জানুৱাৰী ঃ** সমগ্ৰ দেশৰ লগতে ৰহা সমজিলাতো দেশৰ ৭৭ সংখ্যক গনৰাজ্য দিৱস উলহ-মালহেৰে পালন কৰা হয়। ৰহা ক্ৰীড়া সন্থাৰ খেলপথাৰত কেন্দ্ৰীয়ভাৱে আয়োজিত এই গণৰাজ্য দিৱসৰ পতাকা উত্তোলন কৰে ৰহা সমজিলা আয়ুক্ত ডাঃ অংকিতা বৰাই। ইয়াৰ লগে লগে সকলোৰ সহযোগত ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন কৰা হয়। উক্ত অনুষ্ঠানত গনৰাজ্য দিৱস পেৰেডত ৰহাৰ বহুকেইখন বিদ্যালয় মহাবিদ্যালয়ৰ এন চি চি দলে অংশগ্ৰহণ কৰে। অকণি কবিতা ঘৰ ৰহাৰ মুখ্য সম্পাদক ৰণ্টু মুদৈ আত ধৰা অনুষ্ঠানত বিভিন্ন দেশপ্ৰেমমূলক নৃত্যৰ কাৰ্যসূচীৰে আয়োজিত হৈ অনুষ্ঠান টি সাফল্যমণ্ডিত হৈ উঠে। এই গণৰাজ্য দিৱসত সমাজৰ বিভিন্ন ক্ষেত্ৰত অৱদান আগবঢ়োৱা ৰহাৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি, প্ৰাক্তন সেনা বিষয়া আদিক সম্বৰ্ধনা জনোৱাৰ লগতে দেশপ্ৰেমমূলক অনুষ্ঠানৰো আয়োজন কৰা হয়। ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাস উপস্থিত থাকি সমূহ কায্যসূচীত অংশগ্ৰহণ কৰে।

## ধেমাজিৰ কাছাৰী ময়দানত ৭৭ তম্ গণৰাজ্য দিৱস উদ্‌যাপন



**অসম বাৰ্তা, ধেমাজি, ২৬ জানুৱাৰী ঃ** ধেমাজি, ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে ধেমাজিতো আজি অতি উলহ-মালহেৰে ধেমাজি জিলা প্ৰশাসনৰ উদ্যোগত ৭৭ তম্ গণৰাজ্য দিৱস উদ্‌যাপন কৰে। ধেমাজি কছাৰী যয়দামত অনুষ্ঠিত কৰা গণৰাজ্য দিৱসৰ পতাকা উত্তোলন কৰে অসম চৰকাৰৰ শিক্ষা তথা ভৈয়াম জনজাতি উন্নয়ন বিভাগৰ কেবিনেট মন্ত্ৰী ডাঃ ৰনোজ পেগুৱে। ইয়াৰ পিছতে ধেমাজিৰ আৰক্ষী, বিভিন্ন মহাাবিদ্যালয় বিদ্যালয়ৰ এন.চি.চি.স্কাউট গাইড আৰু ছাত্ৰ-ছাত্ৰীৰ দলে অংশগ্ৰহণ কৰা মাষ্টপাষ্টৰ অভিবাদন গ্ৰহণ কৰে মন্ত্ৰী গৰাকীয়ে। গণৰাজ্য দিৱসৰ পতাকা উত্তোলন কৰি মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে বৰ্তমানৰ চৰকাৰখনৰ সফলতাসমূহ উল্লেখ কৰাৰ লগতে আগন্তুক দিনবোৰত চৰকাৰখনে ল'ব খোজা বিভিন্ন উন্নয়নমূলক আঁচনি সমূহৰ বিষয়ে অৱগত কৰাৰ সমান্তৰালভাৱে ভাষণ প্ৰসংঙ্গত মন্ত্ৰী গৰাকীয়ে কয় যে ধেমাজি মহাবিদ্যালয়খনিক অতি সোনকালে বিশ্ববিদ্যালয়লৈ উন্নিত কৰণ কৰা হ'ব বুলি জানিবলৈ দিয়াৰ উপৰিও বগীবিল মাজুলীৰ সংযোগী চমু পথচোৱা ৰাষ্ট্ৰীয় ঘাই পথলৈ শীঘ্ৰে উন্নিত কৰা হ'ব বুলি মন্ত্ৰী গৰাকীয়ে ঘোষণা কৰে। এখন স্বাধীন, সাৰ্বভৌম আৰু গণতান্ত্ৰিক ৰাষ্ট্ৰ হিচাপে ভাৰতবৰ্ষই অতিক্ৰম কৰা গৌৰৱময় যাত্ৰাৰ বিশেষ দিনটোত দেশৰ বাবে প্ৰতিগৰাকী নাগৰিককে নিজ নিজ দায়িত্ব নিষ্ঠাৰে পালন কৰি যাবলৈ আহ্বান জনোৱাৰ উপৰিও এইপৱিত্ৰ অনুষ্ঠানত দেশৰ হকে আত্মবলিদান দিয়া বীৰ-বীৰাংগনাসকলক গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰি শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰাৰ লগতে ধেমাজিৰ মুক্তি যুঁজাৰুসকলক সম্বৰ্ধনা জ্ঞাপন কৰে। সংবিধানৰ আদৰ্শ আৰু গণতান্ত্ৰিক মূল্যবোধৰ দেশ ভাৰতবৰ্ষই যুগ-যুগ ধৰি বহন কৰা দৰ্শন আৰু সংস্কৃতিৰ আধাৰত এখন বিকশিত আৰু আত্মনিৰ্ভৰ ৰাষ্ট্ৰ হিচাপে চিৰজ্যোতিস্মান হৈ থকাৰ কামনা কৰে মন্ত্ৰী গৰাকীয়ে।

# দৰং-ওদালগুৰি জিলা সূৰ্য্যবিপ্ৰ ব্ৰাহ্মণ সমাজৰ বাৰ্ষিক অধিৱেশন সম্পন্ন

**অসম বাৰ্তা, পাথৰিঘাট, ২৫ জানুৱাৰী ঃ** দৰং জিলাৰ কৃষক কল্যাণ সংঘ সমন্বয় ক্ষেত্ৰ, হাপামাৰা, বুঢ়ীনগৰ শাখাত পঞ্চবিংশত্যধিক শততম বৰ্ষানুষ্ঠান, অষ্টানৱতিতম বাৰ্ষিক অধিৱেশন আৰু নৱসপ্ততিতম শ্ৰীশ্ৰী ব্ৰহ্মযজ্ঞানুষ্ঠান খনি তিনিদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে ২৩, ২৪ আৰু ২৫ জানুৱাৰী তাৰিখে অনুষ্ঠিত হৈ যায়। প্ৰথম দিনা পুৱা বন্তি প্ৰজ্বলন, উষা কীৰ্তন, স্বচ্ছ অভিযান, মুখ্য তোৰণ উন্মোচন, ক্ষেত্ৰ উন্মোচন, সূৰ্যবিপ্ৰ ব্ৰাহ্মণ সমাজ দৰং-ওদালগুৰি জিলাৰ পতাকা উত্তোলন, ধৰ্মধ্বজা উত্তোলন, শাখা সমূহৰ পতাকা উত্তোলন, স্মৃতি তৰ্পণ, পুৰুহিত শিৱিৰ উন্মোচন, ৭৯ গছি বন্তি প্ৰজ্বলন যজ্ঞ মণ্ডপৰ দ্বাৰ উন্মোচন, বিষ্ণু মুৰ্ত্তি স্থাপন, যজ্ঞৰ অধিবাস, পুৰোহিত সন্মিলনৰে প্ৰথম দিনৰ কাৰ্যসুচীৰে সমাপন হয়। দ্বিতীয় দিনা গছপুলি ৰোপণ, যজ্ঞৰ জল আনয়ন আৰু শোভাযাত্ৰা, সূৰ্যাগ্নি আহৰণ আৰু যজ্ঞ আৰম্ভ, সত্ৰাধিকাৰ সভাৰ বৈঠক সভাগৃহ মুকলি, ভাগৱত পাঠ, মঞ্চ উদ্বোধন, ধৰ্মালোচনী সভা অনুষ্ঠিত হয়। ধৰ্মালোচনী সভা উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক লোহিত চন্দ্ৰ শৰ্মাই। সভাপতিত্ব কৰে প্ৰাক্তন সভাপতি প্ৰতাপ চন্দ্ৰ শৰ্মাই। নিদিষ্ট বক্তা হিচাপে উপস্থিত থাকে ড° নীতীশ চন্দ্ৰ শৰ্মা শাস্ত্ৰী। বিশিষ্ট অতিথি ইস্কনৰ অপুৰ্ব চহৰীয়াই। তৃতীয় তথা অন্তিম দিনা পুৱা জ্যোতিষ আলোচনা চক্ৰত শিক্ষা গ্ৰহণত জ্যোতিষৰ প্ৰয়োজনীয়তাৰ ওপৰত স্বৰ্ণপদক প্ৰাপ্ত জ্যোতিষী ড° হেমন্ত শৰ্মা আৰু মুখ্য গণনাকাৰক কালপুৰুষ পুৰ্ণাঙ্গ পঞ্জিকাৰ দীপক শৰ্মাই আলোকপাত কৰে। দিনৰ ১২ বজাত যজ্ঞৰ মহাশান্তি, পুৰ্ণাহুতি, আৰু নিৰ্মালি গ্ৰহণৰ পিছতেই প্ৰায় পাঁচ সহস্ৰাধিক ৰাইজৰ উপস্থিতিত মুকলি সভা আৰু উদগণি মুলক বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠান শুভ উদ্বোধন কৰে সমাজকৰ্মী দিব্যজ্যোতি শৰ্মাই। সভা সঞ্চালন কৰে সূৰ্যবিপ্ৰ ব্ৰাহ্মণ সমাজ দৰং-ওদালগুৰি জিলাৰ সভাপতি প্ৰেমেশ্বৰ শৰ্মাই। আদৰণি ভাষণ প্ৰদান কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি হিৰণ্য কাশ্যপ শৰ্মাই। স্মৃতিগ্ৰন্থ উন্মোচন কৰে দেওমৰনৈ জেষ্ঠ্য মাধ্যমিক বিদ্যালয়ৰ স্নাতকোত্তৰ শিক্ষক যামিনী মোহন চৌধুৰীয়ে। নিদিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক চিত্তৰঞ্জন শৰ্মাই। সভাত দৰং-ওদালগুৰি সমষ্টিৰ সাংসদ তথা বিজেপি অসম ৰাজ্যিকৰ সভাপতি দিলীপ শইকীয়া, ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়া, দৰং জিলা পৰিষদৰ সদস্যা ৰূপালী দেৱী, সমাজকৰ্মী কুলদীপ বৰুৱাকে আদি কৰি ভালে সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সন্ধিয়া সাংস্কৃতিক কাৰ্যসূচীৰে সফলসামৰণি পৰে সূৰ্যবিপ্ৰ ব্ৰাহ্মণ সমাজ দৰং-ওদালগুৰি জিলা সমাজৰ কাৰ্য-ক্ৰমণিকা। সকলো কাৰ্যসূচীত ৰাইজৰ সহায় সহযোগিতা বাবে ধন্যবাদ জ্ঞাপন কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি হিৰণ্য কাশ্যপ শৰ্মা, সম্পাদক অমিতাভ ভট্টই।

## আজি বড়ো-কছাৰী সকলৰ

অন্যতম পবিত্ৰ উৎসৱ বাথৌ পূজা। এই উৎসৱ বড়ো-কছাৰীসকলৰ প্ৰাচীন ধৰ্মীয় বিশ্বাসৰ এক মূল অংশ। সাধাৰণতে বছৰত দুবাৰ এই পূজা অনুষ্ঠিত হয়। বড়ো লোকসকলে বিশ্বাস কৰে যে বাথৌ তেওঁলোকৰ লোকদেৱতা আৰু হিন্দু ধৰ্মত লৌকিক দেৱতাৰূপে শিৱৰ যি ধাৰণা আছে, তাৰ লগত ইয়াৰ গভীৰ সাদৃশ্য বিদ্যমান। তেওঁলোকৰ মতে শিৱই তেওঁলোকৰ পিতৃদেৱ। বাথৌ পূজাৰ দিনা সিজু গছ আৰু তুলসী গছৰ দুটা ডাল একেলগ কৰি লোৱা হয়। তাৰ পিছত বাথৌ বেদীত শান্তি পানী ছটিয়াই সেই ডাল দুটা বেদীৰ মাজতে ৰোপণ কৰা হয়। বেদীত সিজু গছৰ তলতে এটা ঘূৰণীয়া শিল আৰু কুকুৰাৰ কণী ৰখা হয়। এইবোৰৰ জৰিয়তে বাথৌ দেৱতাক পূজা কৰা হয়। পূজাত সুৰা আৰু মাংস আদিৰে নৈবেদ্য আগবঢ়োৱাৰ পৰম্পৰা আছে। এই অনুষ্ঠানৰ জৰিয়তে বড়ো-কছাৰী সম্প্ৰদায়ে দেৱতাৰ ওচৰত শান্তি, সমৃদ্ধি আৰু সুৰক্ষাৰ বাবে প্ৰাৰ্থনা কৰে। আজিৰ এই পবিত্ৰ দিনত সমগ্ৰ বড়ো-কছাৰী জনগোষ্ঠীক বাথৌ পূজাৰ শুভেচ্ছা জনোৱা হৈছে।

## সম্পাদকীয়

# অসমৰ অৰ্থনীতি - সাধাৰণ মানুহৰ প্ৰশ্ন

অসমৰ ৭৭তম্ গণৰাজ্য দিৱসৰ অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই দিয়া ভাষণটোৱে ৰাজ্যখনৰ নিৰাপত্তা, আইন-শৃংখলা আৰু অৰ্থনৈতিক পৰিসংখ্যাৰ এক উজ্জ্বল চিত্ৰ ফুটাই তুলিছে। অপৰাধৰ হাৰ হ্ৰাস, সীমান্ত সুৰক্ষা, নতুন দণ্ডবিধি ৰূপায়ণত অগ্ৰণী ভূমিকা আৰু বিশেষকৈ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (জিএছডিপি) সাত লাখ কোটি টকাৰ ওচৰ চাপি অহা বুলি ভাষণত কোৱা হৈছে। এই সংখ্যাবোৰে নিশ্চয় এখন গতিশীল, উন্নয়নমুখী ৰাজ্যৰ ইংগিত দিয়ে। কিন্তু এই ঔজ্জ্বল্যময় পৰিসংখ্যাৰ আঁৰৰ বাস্তৱতা সাধাৰণ মানুহৰ দৈনন্দিন জীৱনলৈ কিমানদূৰ প্ৰতিফলিত হৈছে, সেই সম্বন্ধে ৰাইজৰ মনত কেইটামান সচেতন প্ৰশ্ন উৎপন্ন হৈছে।

প্ৰথমতে, জিএছডিপিৰ অভূতপূৰ্ব বৃদ্ধিৰ আহ্বানটোৱে অসমীয়া অৰ্থনীতিৰ শক্তিশালী হোৱা কথা সূচায়। মূলধন ব্যয় বৃদ্ধি আৰু ৰাষ্ট্ৰীয় গড়তকৈ অধিক হাৰৰ বৃদ্ধিয়ে বিনিয়োগ আৰু উন্নয়নমূলক কাম-কাজৰ গতিশীলতা দেখুৱায়। কিন্তু সাধাৰণ মানুহে ভাবিবলৈ বাধ্য হয় যে, এই মুঠ উৎপাদনৰ বৃদ্ধিৰ সুফল সমাজৰ তলখাপলৈ কিমানদূৰ পৰ্যন্ত হৈছে? কৃষক, দিনহাজিৰা, সৰু উদ্যোগী এই বৃদ্ধিৰ পৰা কিমান লাভৱান হ'ল? জনমূৰি আয় বৃদ্ধিৰ তথ্যই আশা জগাইছে, কিন্তু মূল্যস্ফীতিৰ হাৰ, নিবনুৱাৰ সমস্যা আৰু আয়ৰ অসাম্যৰ তথ্য ইয়াৰ সৈতে সংযোজিত নহ'লে এই ছবিখন সম্পূৰ্ণ নহয়।

দ্বিতীয়তে, অবৈধ বিদেশী সন্দৰ্ভত কোৱা হৈছে যে ১.৭ লাখ লোকক অবৈধ বুলি চিনাক্ত কৰা সত্ত্বেও মাত্ৰ ৪৬৭ জনকহে বিতাড়ন কৰা হৈছে। এই বিশাল পৰিসংখ্যা আৰু সীমিত বিতাড়নৰ মাজৰ ব্যৱধানটোৱে ৰাইজৰ মনত এক গুৰুত্বপূৰ্ণ প্ৰশ্নৰ সৃষ্টি কৰিছে। বাকীসকলৰ কি হ'ব? এই প্ৰক্ৰিয়াটো ইমান মন্থৰ কিয়? ন্যায়াধিকৰণৰ আদেশৰ ৰূপায়ণ আৰু নিৰ্গমন প্ৰক্ৰিয়া সম্পৰ্কে স্পষ্টতা ৰাইজক দিয়াটো অতি প্ৰয়োজনীয়।

তৃতীয়তে, অপৰাধৰ হাৰ হ্ৰাস পোৱা বুলি কোৱা হৈছে, আৰু ই নিশ্চয় আশাৰ কথা। কিন্তু ইয়াৰ সৈতে যদি অপৰাধৰ ৰিপৰ্টিংৰ হাৰ, প্ৰক্ৰিয়াগত বিলম্ব আৰু ন্যায় প্ৰদানৰ ক্ষমতাৰ তথ্যও যুক্ত হ'লেহেতেন, তেতিয়া ইয়াক অধিক বিশ্বাসযোগ্য বুলি গণ্য কৰা হ'লহেতেন। একেদৰে, নতুন কাৰাগাৰ নিৰ্মাণৰ কথা উল্লেখ থাকিলেও, ন্যায়িক প্ৰক্ৰিয়াৰ গতিশীলতা আৰু কাৰাগাৰৰ জনসংখ্যা আদিৰ তথ্যই ছবিখন আৰু সম্পূৰ্ণ কৰিলেহেঁতেন।

অৱশেষত, ৰাজ্যপালৰ ভাষণটোৱে অসমৰ প্ৰগতিৰ এখন চিত্ৰ আমাৰ আগত দাঙি ধৰিছে। কিন্তু উন্নয়নৰ সঁচা পৰিমাপ হৈছে সাধাৰণ মানুহৰ জীৱন-যাত্ৰাৰ মানদণ্ড উন্নত হোৱা, নিৰাপত্তা আৰু ন্যায়ৰ অনুভূতি বৃদ্ধি পোৱা। সংখ্যাৰ ঔজ্জ্বল্য অপ্ৰতিদ্বন্দ্বী, কিন্তু সেই সংখ্যাই সমাজৰ প্ৰতিটো স্তৰত পোহৰ পেলাব পাৰেনে? ৰাজ্যই যেতিয়া উচ্চ অৰ্থনৈতিক বৃদ্ধিৰ দিশত খোজ দিছে, তেতিয়া ইয়াৰ সুফল সৰ্বসাধাৰণলৈ সুষমভাৱে বিতৰণ, প্ৰশাসনিক কাৰ্যক্ষমতা আৰু স্বচ্ছতাৰ ওপৰত সমান্তৰালভাৱে গুৰুত্ব দিয়াটো সময়ৰ দাবী। আজিৰ অসমৰ প্ৰগতিৰ যাত্ৰাত সাধাৰণ নাগৰিকৰ মনৰ এই প্ৰশ্নবোৰৰ উত্তৰ সন্ধানেই হ'ব প্ৰকৃত স্বৰাজৰ ভেটি।

উদ্ভাৱনী দক্ষতাৰ বাবে সৰুৰে পৰাই প্ৰকৃতিৰ বিচিত্ৰ ৰহস্যৰ ওৰ বিচাৰি মন মগজু উদ্বাউল হ'ব লাগে। তেনে এটা সৃষ্টিশীল পৰিৱেশ গঢ়িবলৈ অভিভাৱক, শিক্ষকৰ লগতে পাঠ্যপুথিও বিজ্ঞানসন্মত হোৱা দৰকাৰ। পায় বা নাপায় বুলি, অতীজৰ নিয়ম বুলি মানি লোৱাতকৈ ফলাফল আৰু কাৰণৰ মাজৰ সম্পৰ্ক বুজাৰ আগ্ৰহ শিশু অৱস্থাতেই মগজুত সোমাব লাগে। প্ৰতিটো কথাৰে কাৰণ আছে। মানুহে যিমানেই জ্ঞান লভিছে সিমানেই মানুহৰ প্ৰশ্নও বাঢ়ি গৈছে, আৰু আমি যে বহুতো কথা নাজানো সেয়াও বিজ্ঞানৰে কথা। কিন্তু নজনা কথাৰো কাৰণ আছে। সেই কথাও শিশু অৱস্থাতে বুজোৱা ভাল। জুৱাখেলৰ ছয়গুটিৰ নিচিনা আচৰিত মিল থকা ঘটনা যিদৰে একোটা সম্ভাৱনা, তেনেদৰে লটাৰী খেলো এক সম্ভাৱনা।

# বিজ্ঞানমনস্কতা আৰু শিশুৰ উদ্ভাৱনী দক্ষতা

**দ্বীপেন শৰ্মা**

বিজ্ঞানমনস্কতা শিশুৰ স্বাভাৱিক প্ৰবৃত্তি। ভাষাৰে বুজিব আৰু বুজাব পৰা হোৱাৰ আগৰে পৰাই শিশুৰ মনত চৌপাশৰ জগত সম্বন্ধে নানা কৌতূহল জাগে। জ্ঞান-বুদ্ধিয়ে পোখা মেলাৰ জৈৱিক প্ৰক্ৰিয়াৰ অংশৰূপে মন আৰু মগজুত নানা প্ৰশ্নই উকমুকাবলৈ ধৰে। নিজৰ লগতে পৰিয়াল, সমাজ আৰু প্ৰকৃতি আদি দৃশ্যমান জগতখনৰ পৰা নিজে নিজে আহৰণ কৰা আৰু আনে যোগান ধৰা তথ্যৰ পৰা এহাতে শিশোৱে ভুলে শুদ্ধই কেতবোৰ উত্তৰ লাভ কৰে, আনহাতে কেতবোৰ প্ৰশ্ন উত্তৰবিহীনভাৱে থাকি যায় আৰু লগতে আন কেতবোৰ নতুন প্ৰশ্নই মূৰ দাঙি উঠে । সেয়েহে আমি সততেই শিশুৰ মুখত আকস্মিকভাৱে নতুন নতুন প্ৰশ্ন শুনিবলৈ পাওঁ।

কি, কিয়, কেনেকৈৰে আৰম্ভ হোৱা এই প্ৰশ্নমালাই হৈছে বিজ্ঞানমনস্কতাৰ আদি পাঠ আৰু ইয়াৰ আঁত ধৰিয়েই বাট মেলিছে মানৱ সভ্যতা বিকাশৰ খলা-বমা পথ । নতুন নতুন চিন্তাৰ আধাৰতেই সমাজত নতুন নতুন উদ্ভাৱনে বিকাশ লাভ কৰে । এই খিনিতে স্পষ্ট কৰা ভাল যে বিজ্ঞানমনস্কতা মানে কেৱল গৱেষণাগাৰৰ বৈজ্ঞানিক সূত্ৰ, যন্ত্ৰ-পাতি বা অত্যাধুনিক প্ৰযুক্তি নহয়, ই হৈছে স্বাধীন চিন্তাৰ আধাৰত গঢ়ি তোলা এটা জীৱন পদ্ধতি । জীৱনৰ প্ৰতিটো দিশতেই আৰু প্ৰতিটো খোজতেই বিজ্ঞানমনস্কতা জড়িত হৈ আছে । এখন আধুনিক আৰু প্ৰগতিশীল পৃথিৱী গঢ়িবলৈ বিজ্ঞান, অৰ্থনীতি, সমাজনীতি, সংস্কৃতি আদি সকলো দিশতেই উদ্ভাৱনী দক্ষতাৰ প্ৰয়োজন আছে আৰু আৰু ইয়াৰ সম্ভাৱনা নিহিত আছে একোজাক নিৰ্মল শিশুৰ বিজ্ঞানমনস্ক স্বাধীন চিন্তাৰ মাজতেই।



"ধেৎ, কি পেকপেকাই থাকে এইডালে !", "ছোৱালী হৈ ল'ৰাৰ দৰে মুখে মুখে মাত নামাতিবিচোন" বা "খুলি মেলি চাওঁতে যদি বস্তুটো বেয়া হয় বাপেৰৰ পিঠিৰ কোব খাবি" আদি কথাৰে যদি শিশুৰ জনাৰ আগ্ৰহক গাপ দি ৰখা হয়, ভয় খুওৱা হয়, তেন্তে তেনে সমাজত উদ্ভাৱনী দক্ষতাৰ কথা বহু আঁতৰৰ । বিজ্ঞান পঢ়া মানুহৰো বহুসংখ্যকেই অবৈজ্ঞানিক কথা-কাণ্ডৰ প্ৰমাণ নিবিচৰাকৈ বিশ্বাসকেই বিজ্ঞান বুলি শিশুৰ মনত জাপি দি আহিছে। আনহাতে বিজ্ঞান নপঢ়া মানুহৰো একাংশই নিজা চিন্তা আৰু বিশ্লেষণেৰে জীৱনৰ বিভিন্ন বিষয় অধ্যয়ন কৰি সত্যৰ সন্ধান কৰি আহিছে। শিশুৰ উদ্ভাৱনী দক্ষতাৰ বিকাশ ঘটাবলৈ হ'লে সমাজৰ প্ৰতিজন অভিভাৱকৰ মনত বিশ্বাসতকৈ বিজ্ঞানে আগস্থান পাব লাগিব। মন কৰিবলগীয়া কথা, বিজ্ঞানৰ জগতত চূড়ান্ত বা পৰম সত্য বুলি কোনো কথা নাই - লাভ কৰা সমাধানবোৰতো সন্দেহৰ চকু ৰাখি আৰু আগুৱাই যোৱাটোহে বিজ্ঞানৰ গতিপথ। উন্নত দেশসমূহৰ আধুনিক শিক্ষা আৰু মৌলিক চিন্তাধাৰাৰ মূল লক্ষ্যই হৈছে জীৱন আৰু জগতৰ একো একোটা সমস্যাৰ সমাধান উদ্ভাৱন কৰা।

বিজ্ঞানমনস্কতাৰ মূল উপাদানসমূহ হ'ল- অনুসন্ধিৎসা আৰু প্ৰশ্ন উত্থাপন, জটিল চিন্তা, যুক্তি আৰু নিৰপেক্ষতা, পৰ্যবেক্ষণ-পৰীক্ষণ-পুনৰীক্ষণ, প্ৰত্যাহ্বান সমাধানৰ উদ্দীপনা আদি। অনুসন্ধিৎসাৰ ফলত মনত জাগি উঠা প্ৰশ্নই নতুন ধাৰণা আৰু সমাধানৰ অন্বেষণ কৰে। বিজ্ঞানীৰ দৰে বাৰে-বাৰে বিফল হোৱাৰ পাছতো নজনা কথা জানিবলৈ শিশুৰ একাগ্ৰতা থাকে। এটি বিজ্ঞানমনস্ক শিশোৱে নিউটন আৰু আপেলটোৰ দৰে বিজ্ঞানৰ বাহ্যিক কাহিনীতেই সন্তুষ্ট নাথাকি কথাটো আচলতে কি সেয়া জানিবলৈ বাঞ্ছা কৰে। "জানিবই লাগিব" বা "পাৰিবই লাগিব" জাতীয় যুঁজাৰু মনোভাৱ আৰু একাণপতীয়া পৰিশ্ৰমৰ বলতহে উদ্ভাৱন সম্ভৱ হ'ব পাৰে। ইয়াৰ বাবে শিশুক বিজ্ঞানমনস্কতাৰে আত্ম-বিশ্বাসী কৰি তুলিব লাগিব, চিকিৎসক-অভিযন্তা-চৰকাৰী চাকৰি জাতীয় নিৰাপদ ক্ষেত্ৰৰ সলনি বিজ্ঞানৰ মৌলিক গৱেষণালৈ উৎসাহিত কৰিব লাগিব। নম্বৰ, ডিগ্ৰী, চাকৰি আদিৰে নিৰাপদ জীৱন কটাব পাৰি, কিন্তু উদ্ভাৱনৰ বাটত ঘাম পেলাবলৈ হ'লে গৱেষণাৰ প্ৰত্যাহ্বান জয় কৰিব লাগিব।

পিছে আমাৰ সমাজত প্ৰতিটো শিশুকেই জন্মৰ আগৰে পৰাই (মৃত্যুপৰ্যন্ত) বিজ্ঞানৰ সলনি বিশ্বাসৰ বহুতৰপীয়া দেৱালে আগুৰি থাকে। ভাগ্যৰ লিখন, পূৰ্বজন্ম পৰজন্ম, গ্ৰহ-ৰত্ন, বেজ-তাবিজ, ভূত-প্ৰেত, জৰা-ফুকা, কুমন্ত্ৰ আদিৰ বিশ্বাসৰ মাজেৰে বিজ্ঞানমনস্কতা গঢ় লৈ উঠে কেনেকৈ ? প্ৰমাণ নাপালে দেখা কথাটোও সত্য নহৈ আচলতে ভ্ৰম হ'ব পাৰে। আনহাতে নেদেখা বা নহয় যেন লগা কথাৰ আঁৰতো সত্য লুকাই থাকিব পাৰে। কাকতালীয় ঘটনাত কোনো অলৌকিক ৰহন সানি ৰসাল প্ৰচাৰ নকৰি সত্যটো বিচাৰিবলৈ শিশুক যুক্তিবাদী কৰিব লাগে। গণেশে গাখীৰ খোৱাজাতীয় কাহিনীয়ে শিশুক বিভ্ৰান্ত কৰে। ধৰ্মীয় কাহিনীয়ে পেলোৱা প্ৰভাৱ সৰ্বব্যাপী। অপৈণত বয়সত সাধুকথাই সানি দিয়া বিশ্বাসৰ মায়াজাল কেৱল উচ্চস্তৰৰ সাহিত্যহে। আনহাতে যাদু বিদ্যাৰ যোগেদি শিশুক সহজে বিজ্ঞানৰ ভাষা বুজাব পাৰি।

জীৱনৰ প্ৰতিটো খোজতে আৰু আমাৰ চৌপাশৰ প্ৰকৃতিৰ সৰু সৰু কথাৰ মাজতে বিজ্ঞান লুকাই আছে । গছৰ পাতত বিভিন্ন বিন্যাস আছে, জ্যামিতিৰ আকাৰ আছে। তেনেদৰে বিভিন্ন ফুলৰ বিভিন্ন আকাৰ আৰু বিচিত্ৰ বৰণ আছে। ভূমিকম্পৰো কাৰণ আছে, ই আৰু হাতীয়ে পিঠি লৰোৱা সাধুকথা নহয়। ধুমুহাৰ গতি বা সাগৰৰ সোঁতৰো একোটা ধৰণ আছে। চৰাইৰ উৰণত বিভিন্ন গতি আছে। চন্দ্ৰ গ্ৰহণ, সূৰ্য গ্ৰহণ এতিয়া আৰু ৰাহু-কেতুৰ লীলা নহয়। ল'ৰালিত জোনবাইৰ সাধু শুনোৱা শিশুটি ডাঙৰ হ'লে টেলিস্কোপৰ মাজেৰে নীল আকাশৰ ৰহস্য বুজিবলৈ দিব লাগে। আমি নিজেতো বাদেই, আমাৰ পৃথিৱীখন এই মহাবিশ্বৰ মাজত কিমান নগণ্য, সেই লঘিমা উপলব্ধি হ'লেহে প্ৰকৃত অৰ্থত নিঃস্বাৰ্থ গৱেষণা আগবাঢ়ে।

উদ্ভাৱনী দক্ষতাৰ বাবে সৰুৰে পৰাই প্ৰকৃতিৰ বিচিত্ৰ ৰহস্যৰ ওৰ বিচাৰি মন মগজু উদ্বাউল হ'ব লাগে। তেনে এটা সৃষ্টিশীল পৰিৱেশ গঢ়িবলৈ অভিভাৱক, শিক্ষকৰ লগতে পাঠ্যপুথিও বিজ্ঞানসন্মত হোৱা দৰকাৰ। পায় বা নাপায় বুলি, অতীজৰ নিয়ম বুলি মানি লোৱাতকৈ ফলাফল আৰু কাৰণৰ মাজৰ সম্পৰ্ক বুজাৰ আগ্ৰহ শিশু অৱস্থাতেই মগজুত সোমাব লাগে। প্ৰতিটো কথাৰে কাৰণ আছে। মানুহে যিমানেই জ্ঞান লভিছে সিমানেই মানুহৰ প্ৰশ্নও বাঢ়ি গৈছে, আৰু আমি যে বহুতো কথা নাজানো সেয়াও বিজ্ঞানৰে কথা। কিন্তু নজনা কথাৰো কাৰণ আছে - সেই কথাও শিশু অৱস্থাতে বুজোৱা ভাল। জুৱাখেলৰ ছয়গুটিৰ নিচিনা আচৰিত মিল থকা ঘটনা যিদৰে একোটা সম্ভাৱনা, তেনেদৰে লটাৰী খেলো এক সম্ভাৱনা। ইয়াত কোনো অলৌকিক ঘটনা বা ভাগ্য বুলি কোনো কথা নাই। এনে বিজ্ঞানসন্মত দৃষ্টিৰে চাব জানিলে শিশুৱে মৌলিক বিজ্ঞানৰ উপৰিও অৰ্থনীতি, সমাজনীতি আদি বিভিন্ন ক্ষেত্ৰত দক্ষতা দেখুৱাব পাৰিব। ইহুদীৰ দৰে সৰু জনগোষ্ঠী এটাৰ বিজ্ঞানৰ সফলতা, পশ্চিমীয়া আধুনিক জীৱন পদ্ধতিৰ স্বতন্ত্ৰতা, জাপানী কৰ্মোদ্যম আদিৰ দৰে আমাৰ বিশাল ভাৰতৰো ভৱিষ্যত নিৰ্ভৰ কৰিছে একোজাক শিশুৰ উদ্ভাৱনী দক্ষতাত।

# ভাৰতৰ বৈদেশিক নীতি আৰু BRICS

**সত্যব্ৰত বৰা**

ভাৰত চৰকাৰে BRICS নৌসেনাৰ অনুশীলনত অংশগ্ৰহণ নকৰাৰ সিদ্ধান্ত ল'লে। ভাৰতৰ অংশগ্ৰহণ নকৰাক লৈ বহুতৰ মাজত চৰ্চাৰ সৃষ্টি হৈছে। BRICS মানে ব্ৰাজিল, ৰাছিয়া, ভাৰত, চীন আৰু দক্ষিণ আফ্ৰিকাৰ এক গোট। BRICS য়ে অৰ্থনৈতিক আৰু উন্নয়নৰ কামত একেলগে কাম কৰে। শেহতীয়াকৈ দক্ষিণ আফ্ৰিকাত এক নৌসেনাৰ অনুশীলন হৈছিল যাক কিছুমানে BRICS নৌসেনাৰ ড্ৰিল বুলিও কৈছে। ভাৰতে ইয়াত অংশ লোৱা নাছিল। ভাৰত চৰকাৰৰ মতে এই অনুশীলন BRICSৰ আনুষ্ঠানিক কাৰ্যসূচী নহয়। ই সম্পূৰ্ণৰূপে দক্ষিণ আফ্ৰিকাৰ উদ্যোগত হৈছিল। BRICSৰ সদস্য দেশ চীন, ৰাছিয়া, ইৰাণ আদিয়ে অংশ লৈছিল। ভাৰত আৰু ব্ৰাজিলে অংশ লোৱা নাছিল।

ভাৰতৰ বৈদেশিক মন্ত্ৰণালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়চোৱালে স্পষ্ট কৈছে যে এই অনুশীলন BRICSৰ নিয়মীয়া বা সংস্থাগত কাৰ্যক্ৰম নহয়। ইয়াত সকলো BRICS সদস্যই অংশ লোৱা নাছিল। ভাৰতে আগতেও এনে অনুশীলনত অংশ লোৱা নাই। ভাৰতে BRICSৰ সৈতে নিয়মীয়াকৈ যি নৌসেনাৰ অনুশীলন কৰে সেয়া হৈছে IBSAMAR। ইয়াত ভাৰত, ব্ৰাজিল আৰু দক্ষিণ আফ্ৰিকাৰ নৌসেনাই একেলগে কাম কৰে। শেহতীয়া IBSAMAR ২০২৪ চনৰ অক্টোবৰত হৈছিল।

শেহতীয়া অনুশীলনটোৰ নাম আছিল "Will for Peace 2026।" চলিত মাহত দক্ষিণ আফ্ৰিকাৰ চিমনছ টাউনৰ ওচৰত হৈছিল এই অনুশীলন। চীনে ইয়াক নেতৃত্ব দিছিল। চীন, ৰাছিয়া, ইৰাণ, মিচৰ, ইণ্ডোনেছিয়া, চৌদী আৰব আদি দেশৰ নৌসেনাই অংশ লৈছিল অনুশীলনত। অনুশীলনত অন্তৰ্ভুক্ত আছিল সাগৰীয় উদ্ধাৰ কাৰ্য, জাহাজৰ আক্ৰমণৰ অনুকৰণ, যোগাযোগ ব্যৱস্থা আৰু অন্যান্য কাম। দক্ষিণ আফ্ৰিকাই কৈছিল যে এই অনুশীলন বিশ্বৰ সাগৰীয় পথৰ নিৰাপত্তা আৰু অৰ্থনৈতিক কাৰ্যকলাপৰ সুৰক্ষাৰ বাবে কৰা হৈছে।

ভাৰতে কিয় অংশ নল'লে? চৰকাৰে কৈছে যে BRICS মূলতঃ অৰ্থনৈতিক আৰু উন্নয়নৰ গোট। ইয়াক সামৰিক গোট হিচাপে গঢ়ি তোলাৰ কোনো পৰিকল্পনা নাই। ভাৰতে BRICSক গুৰুত্ব দিয়ে। এইবছৰতে ভাৰতে BRICSৰ অধ্যক্ষতা কৰিব। বৈদেশিক মন্ত্ৰী এছ জয়শংকৰে কৈছে যে BRICS এক গুৰুত্বপূৰ্ণ মঞ্চ য'ত বিভিন্ন দেশৰ মাজত আলোচনা আৰু সহযোগিতা হয়। কিন্তু সামৰিক অনুশীলনত অংশ লোৱাটো ভাৰতৰ নীতিৰ সৈতে মিল নাখায়।

আন এটা কাৰণ হ'ল ভাৰতৰ বৈদেশিক নীতি। ভাৰতে সকলোৰে সৈতে ভাল সম্পৰ্ক ৰাখিব বিচাৰে। আমেৰিকাৰ সৈতে ভাৰতৰ সম্পৰ্ক শক্তিশালী হৈ আছে। QUAD (ভাৰত, আমেৰিকা, জাপান, অষ্ট্ৰেলিয়া)ৰ দৰে গোটত ভাৰতে অংশ লয়। চীনৰ সৈতে সীমান্ত সমস্যা আছে। ইৰাণৰ সৈতেও সম্পৰ্ক আছে কিন্তু সামৰিকভাৱে ঘনিষ্ঠ নহয়। এনে এটা অনুশীলনত অংশ ল'লে আমেৰিকাৰ লগত সম্পৰ্কত সমস্যা আহিব পাৰে। চীন আৰু ৰাছিয়াই BRICSক আমেৰিকাৰ বিৰুদ্ধে ব্যৱহাৰ কৰিব বিচাৰে। ভাৰতে নিজৰ স্বাধীন নীতি ৰক্ষা কৰিবলৈ এই অনুশীলন এৰি দিছে।

BRICS ২০০৯ চনত গঠন হৈছিল। পিছলৈ দক্ষিণ আফ্ৰিকাইও যোগ দিছিল। ২০২৪ চনত ইয়াত মিচৰ, ইথিঅ'পিয়া, ইৰাণ, চৌদী আৰব আৰু UAE য়ে যোগ দিছে। ২০২৫ চনত ইণ্ডোনেছিয়াই যোগদান কৰিছে। এতিয়া BRICSত বিশ্বৰ প্ৰায় অৰ্ধেক জনসংখ্যা, ৪০ শতাংশ GDP আৰু ২৬ শতাংশ বাণিজ্য আছে। ই অৰ্থনৈতিক সহযোগিতাৰ বাবে গুৰুত্বপূৰ্ণ। নতুন উন্নয়নশীল বেংক (NDB) গঢ়ি তুলিছে। কিন্তু সামৰিক ক্ষেত্ৰত BRICSয়ে এটা গোট হিচাপে কাম নকৰে।

ভাৰতে BRICSক অৰ্থনৈতিক প্লেটফৰ্ম হিচাপে চায়। ইয়াক de-dollarisationৰ দৰে কামত সমৰ্থন নকৰে। ভাৰত ডলাৰৰ পৰা আঁতৰি যোৱাৰ বিৰুদ্ধে। ভাৰতে নিজৰ স্বাৰ্থ ৰক্ষা কৰি চলিব বিচাৰে। ভাৰতৰ সিদ্ধান্তই দেখুৱাইছে যে ভাৰতে BRICSত থাকিলেও নিজৰ স্বাধীনতা ৰক্ষা কৰে।

এই অনুশীলনত অংশ নোলোৱাৰ বাবে বহুতে কৈছে যে ভাৰত আমেৰিকাৰ চাপত পৰিছে। কিন্তু চৰকাৰৰ মতে ইয়াৰ লগত আমেৰিকাৰ সম্পৰ্কৰ কোনো সম্বন্ধ নাই। ই ভাৰতৰ নীতিৰ অংশ। ভাৰতে ৰাছিয়াৰ সৈতে INDRA অনুশীলন কৰে, ফ্ৰান্সৰ সৈতে ভাৰত-ফ্ৰান্স অনুশীলন কৰে। সকলোৰে সৈতে ভিন্ন ভিন্ন সম্পৰ্ক ৰাখে।

ভাৰতে BRICS নৌসেনাৰ অনুশীলনত অংশ গ্ৰহণ নকৰাটো এটা সঠিক সিদ্ধান্ত লৈছে। ইয়াৰ দ্বাৰা ভাৰতে দেখুৱাইছে যে BRICS অৰ্থনৈতিক গোটহে, সামৰিক গোট নহয়। ভাৰতে বিশ্বৰ বিভিন্ন গোটত অংশ লৈ নিজৰ স্বাৰ্থ ৰক্ষা কৰিব। এই সিদ্ধান্তই ভাৰতৰ বৈদেশিক নীতিৰ শক্তি দেখুৱাইছে। ভাৰতে শান্তি আৰু সহযোগিতাৰ পথত আগবাঢ়িব বিচাৰে, কোনো গোটৰ বিৰুদ্ধে নহয়।

# প্ৰসিদ্ধ অসমীয়াসকলৰ মাজত গ্ৰহণযোগ্য নহয় তুলনা

**ৰঞ্জিত শইকীয়া**

আধুনিক অসমীয়া ভাষা-সাহিত্যৰ আধাৰ নিৰ্মাণ আৰু উত্তৰণত বহুকেইগৰাকী প্ৰাতঃস্মৰণীয় অসমীয়াৰ অসাধাৰণ অৱদানে জাতীয় জীৱনক ঐশ্বৰ্যশালী কৰি গৈছে। ১৮৪৬ খ্ৰীষ্টাব্দত শিৱসাগৰৰ পৰা প্ৰকাশিত প্ৰথমখন অসমীয়া সংবাদপত্ৰ 'অৰুণোদই'ৰ যুগত 'হেমকোষ'ৰ স্ৰষ্টা ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা, প্ৰথম অসমীয়া আধুনিক নাটক 'ৰাম-নৱমী' (১৮৫৭)ৰ নাট্যকাৰ গুণাভিৰাম বৰুৱা, বিচক্ষণ আৰু সৰৱ কণ্ঠৰ অসমীয়া আনন্দৰাম ঢেকীয়াল ফুকন আদি বৰেণ্য অসমীয়াৰ অৱদান চিৰস্মৰণীয় হৈ থাকিব। অন্যহাতেদি আধুনিক অসমীয়া ভাষা-সাহিত্যৰ ভেটি সুদৃঢ় আৰু সুবিস্তৃত কৰাত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, পণ্ডিত হেমচন্দ্ৰ গোস্বামী আৰু চন্দ্ৰকুমাৰ আগৰৱালাদেৱৰ মুখ্য নেতৃত্বত ১৮৮৮চনত কলিকতাত প্ৰতিষ্ঠিত 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' আৰু এই সভাৰ মুখপত্ৰ হিচাপে ১৮৮৯ চনৰ পৰা প্ৰকাশিত 'জোনাকী' য়ে বৰ্ণময় অসমীয়া ভাষা-সাহিত্যলৈ আৱাহন কৰা জোনাক তথা এই আলোচনীখনে সৃষ্টি কৰা যুগৰ ভূমিকা অপৰিসীম। প্ৰণিধানযোগ্য যে আধুনিক অসমীয়া ভাষা সাহিত্যৰ পথ প্ৰদৰ্শক, অসমীয়া চুটিগল্পৰ জনক, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱে অসাধাৰণ ত্যাগ আৰু জাতীয় জীৱনৰ ব্ৰত পালনেৰে অসমীয়া ভাষা-সাহিত্যৰ সকলো শাখা-প্ৰশাখাতে মৌলিক সত্তা আৰু স্বকীয় শৈলীৰে ভিন্নস্বাদৰ সাহিত্য সৃষ্টি কৰি আধুনিক অসমীয়া ভাষা-সাহিত্যৰ মৌলিক আধাৰ যিদৰে নজহা-নপমাকৈ গঢ়ি তুলিছিল তেনে অসামান্য অৱদানৰ ক্ষেত্ৰত দ্বিতীয় এগৰাকী অসমীয়াৰ অৱদান তুলনা নহয়। অসমীয়া সাহিত্যৰ এনে এটি ক্ষেত্ৰ নাই য'ত বেজবৰুৱাদেৱৰ যাদুকৰী হাতৰ পৰশ পৰা নাই। আধুনিক অসমীয়া ভাষাৰ দোকমোকালিতে লক্ষ্মীনাথ বেজবৰুৱাদেৱে যি নীৰৱিচ্ছিন্ন সাধনা আৰু সেৱাৰে অসমীয়া ভাষা-সাহিত্যৰ অক্ষয় ভেটি নিৰ্মাণৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল সেই কথা ভাৱিলে এনে বোধ হয় যেন আধুনিক অসমীয়া ভাষা-সাহিত্যৰ মৌলিক আধাৰ প্ৰতিষ্ঠাই যেন তেওঁ মাতৃভূমিৰ প্ৰতি ব্ৰত হিচাপে গ্ৰহণ কৰিছিল। অন্যহাতেদি তীক্ষ্ণ মেধাবী অসমীয়া, অসমীয়া চনেটৰ জনক, 'জোনাকী' যুগৰ ত্ৰিমূৰ্তিৰ অন্যতম পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱৰো অসমীয়া জাতীয় জীৱনলৈ অসামান্য অৱদান অনস্বীকাৰ্য্য। কলিকতা বিশ্ববিদ্যালয়ত অসমীয়া ভাষাৰ বিভাগ মুকলি কৰাৰ ক্ষেত্ৰতো গোস্বামীদেৱে ঐতিহাসিক ভূমিকা পালন কৰি গৈছে। পৌৰাণিক পুথি সংগ্ৰহৰ ক্ষেত্ৰত অনেক কষ্ট স্বীকাৰ কৰা, দক্ষ প্ৰশাসনিক বিষয়া, বেজবৰুৱাদেৱৰ অন্যতম মুখ্য সহযোগী পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱ আমাৰ গৃহজিলা গোলাঘাটৰ সন্তান হিচাপে আমি অতিশয় গৌৰৱবোধ কৰোঁ। গোলাঘাট জিলাৰে আন এগৰাকী চিৰনমস্য অসমীয়া ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাদেৱৰ 'হেমকোষ' (১৯০০) প্ৰকাশৰ ক্ষেত্ৰতো বলিষ্ঠ ভূমিকা গ্ৰহণ কৰা পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱৰ নামেৰেই গোলাঘাট-দেৰগাঁও সংযোগী পথটোৰ নামকৰণ কৰা হৈছে। কিন্তু অতি শেহতীয়াকৈ বৰ্তমান অসম সাহিত্য সভাৰ মাননিয় সভাপতি বসন্ত কুমাৰ গোস্বামীদেৱে এখন পত্ৰত হেমচন্দ্ৰ গোস্বামীদেৱক সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱতকৈও উচ্চস্তৰৰ বুলি উল্লেখ কৰা কথাটো আমাৰ দৃষ্টিৰে গ্ৰহণযোগ্য নহয়। এনেধৰণৰ বাৰ্তাই পৰোক্ষভাৱে বেজবৰুৱাদেৱৰ অপৰিসীম অৱদানকে অৱমাননা কৰাই সূচাব। দৰাচলতে প্ৰতিগৰাকী প্ৰসিদ্ধ অসমীয়াই তেওঁলোকৰ মৌলিক অৱদান আৰু স্বকীয় ত্যাগৰ বাবে আমাৰ বাবে চিৰস্মৰণীয় হৈ থাকিব। জাতীয় জীৱনৰ ইতিহাসক ঐশ্বৰ্যশালী কৰা এইসকল বৰেণ্য অসমীয়াক তুলাচনীৰ মাজলৈ লৈ যোৱাটো একেবাৰেই সমীচীন নহয়। প্ৰতিগৰাকী প্ৰতিভাধৰ নিভাঁজ অসমীয়াৰ অৱদানেই একক আৰু অনন্য যাৰ বাবেই অসমী আইৰ বুকু সমৃদ্ধিশালী হৈছে। সেয়ে জাতীয় জীৱনৰ সাধকসকলৰ মাজত কৰা তুলনাই আমাক আঘাত দিয়ে।

*কুৱালগুৰি, দেৰগাঁও*
*ভ্ৰাম্যভাষ ঃ ৮৮৭৬৯৮৩৯৭২*

# বাথৌ পূজা আৰু ইয়াৰ তাৎপৰ্য

**বেণুৰাম ৰাভা**

বাথৌ পূজা হৈছে বড়োসকলৰ এক বিশেষ ধৰ্মীয় উৎসৱ। বাথৌ পূজা বড়োসকলৰ সৰ্ব্বোচ্চ দেৱতা বুলি গণ্য কৰা হয়, যাক বাৰিষা আৰু কৃষিৰ ৰক্ষক বুলি বিশ্বাস কৰা হয়। এই বাথৌ পূজা সাধাৰণতে বছৰত দুবাৰকৈ সিজু আৰু তুলসী গছৰ ডাল বেদীৰ মাজত ৰোপণ কৰি প্ৰকৃতিৰ উপাদানসমূহৰ সৈতে শান্তি আৰু সমবৃদ্ধিৰ বাবে বাথৌ পূজা কৰা হয়। বাথৌ মানে 'বা' আৰু থৌ মানে 'গভীৰ বা আধাৰ' অৰ্থাৎ পঞ্চভূত। পৃথিৱী, পানী, বায়ু, জুই আৰু আকাশ। বড়োসকলৰ বাথৌ দেৱতাক হিন্দু ধৰ্মৰ লৌকিক মহাদেৱৰ সৈতে তুলনা কৰা হয় বুলি কোৱা হয়। এই পূজাৰ বাবে প্ৰথমে উত্তৰ পূৱ কোণত বাঁহেৰে ঘেৰি বেদী সাজি লোৱা হয়। বেদীৰ মাজত সিজু গছ আৰু তুলসী গছ একেলগে ৰুই শান্তিপানী বা তুলসী পানী ছটিয়াই শুদ্ধি কৰি লোৱা হয়। শান্তিপানীত সোণ ৰূপ ডুবাই দিয়া হয়। বড়ো লোকবিশ্বাসত সিজু গছ অতি শান্তিপ্ৰিয় আৰু সুৰক্ষাৰ প্ৰতীক বুলি গণ্য কৰে। এই সিজু গছ মহাদেৱৰ ৰূপ বা মহাদেৱৰ সৃষ্টি। বাথৌৰ বেদীত সিজু গছৰ লগতে এটা ডাঙৰ শিল আৰু কুকুৰাৰ কণীও ৰক্ষাৰ নিয়ম। এই বাথৌ দেৱতাক শান্ত কৰাৰ বাবে হাঁহ, কুকুৰা, গাহৰি, পাৰ আদি বলি দিয়া হোৱাৰ লগতে আজিকালি এই বাথৌ পূজাত মাহ প্ৰসাদ দিয়াৰো ব্যৱস্থা কৰা হৈছে। অঞ্চল ভেদে এই বাথৌ পূজাত বলি বিধান দিয়াৰো ব্যৱস্থা আছে। এই বাথৌ পূজাত দেওধনীয়ে হাতত তৰোৱাল, লাঠি লৈ নৃত্য কৰে। বাথৌ পূজাৰ এই নৃত্যৰ নামে খেৰাই নৃত্য। মূল খাৰ আই শব্দৰ পৰাই খেৰাই উৎপত্তি হৈছে। বড়ো ভাষাত খাৰ মানে দৌৰা আৰু আই মানে গোসানী। আই মাতৃক সন্তুষ্ট কৰিবৰ বাবে যি নৃত্য কৰা হয় তাকে খেৰাই নৃত্য বুলি কোৱা হয়।

বাথৌ পূজাৰ বাবে আজিকালি অৱশ্যে সুন্দৰ কৈ মদ মন্দিৰ নিৰ্মাণ কৰি লোৱা হৈছে। এনেধৰণৰ মন্দিৰ নিৰ্মাণৰ বাবে চৰকাৰৰ ফালৰ পৰাও আৰ্থিক সাহায্য আগবঢ়োৱা দেখা যায় ইয়াৰ উপৰিও বিটিআৰ চৰকাৰেও মন্দিৰ নিৰ্মাণৰ বাবে সাহায্য আগবঢ়ায়। বাথৌ পূজা সাধাৰণতে মুকলি ঠাইত পতা হয়। বড়োসকলে বিশ্বাস কৰে যে বাথৌ দেৱতাই সন্তুষ্ট হ'লে হে জাতিটো সকলো ফালৰ পৰা আগবাঢ়ি যাব পাৰিব। সেয়েহে, বাথৌ দেৱতাক সন্তুষ্ট কৰিবৰ বাবে বড়ো জনগোষ্ঠী সকলে পূজা পাত আগবঢ়ায়।



■ অসমত অসমীয়াৰ প্ৰভুত্ব থাকিব লাগিবঃ উৎপল শৰ্মা ■

# শ্বহীদ নগৰী ঢেকীয়াজুলিত অনুষ্ঠিত সদৌ শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ চতুৰ্দশ বাৰ্ষিক অধিৱেশন

## বিশাল বাৰেবৰণীয়া সাংস্কৃতিক শোভাযাত্ৰাত অংশগ্ৰহণ বহু বিশিষ্ট ব্যক্তিৰ




**অসম বাৰ্তা, ঢেকীয়াজুলী, ২৫ জানুৱাৰী ঃ** শ্বহীদ নগৰী ঢেকীয়াজুলিত সদৌ শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ চতুৰ্দশ বাৰ্ষিক অধিৱেশন বৃহৎ উৎসৱমুখৰ পৰিৱেশত অনুষ্ঠিত হয়। অধিৱেশনৰ পুৱা পতাকা উত্তোলন আৰু শ্বহীদ তৰ্পণৰ মাধ্যমেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। সদৌ শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি অভিজিৎ নাথে পতাকা উত্তোলন কৰে আৰু শোণিতপুৰ জিলাৰ সম্পাদক অৰূপ তালুকদাৰে শ্বহীদ তৰ্পন সম্পন্ন কৰে। এই অনুষ্ঠানৰ পিছতেই ঢেকীয়াজুলিত উলিওৱা হয় এক বিশাল, বাৰেবৰণীয়া আৰু দৃষ্টিনন্দন সাংস্কৃতিক শোভাযাত্ৰা। শোভাযাত্ৰাখনৰ শুভ উদ্বোধন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি উৎপল শৰ্মাই। উদ্বোধনী ভাষণত উৎপল শৰ্মাই ছাত্ৰ সমাজৰ ঐক্য, সচেতনতা আৰু জাতি-দেশৰ স্বাৰ্থত ছাত্ৰ আন্দোলনৰ ভূমিকা সন্দৰ্ভত গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। সদৌ শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ চতুৰ্দশ বাৰ্ষিক অধিৱেশনৰ লগত সংগতি ৰাখি ঢেকীয়াজুলি নগৰৰ মাজেদি ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে উলিওৱা এই সাংস্কৃতিক শোভাযাত্ৰাত সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে ব্যাপক অংশগ্ৰহণ কৰে। উক্ত শোভাযাত্ৰাত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় মুখ্য উপদেষ্টা ৰাণা প্ৰতাপ বৰুৱা, জনপ্ৰিয় অভিনেতা নয়ণ নিলিম, অভিনেত্ৰী যশশ্ৰী ভূঞা, সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় উপ সভাপতি নিতুল বৰা, কেন্দ্ৰীয় সাংগঠনিক সম্পাদক নয়নজ্যোতি গগৈ, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় উপ সভাপতি মোহন তাঁতী, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য লক্ষেশ্বৰ মিৰ্ধা উপস্থিত থাকে। ইয়াৰ উপৰিও সদৌ অসম বাঙালী যুৱ-ছাত্ৰ ফেডাৰেচনৰ শোণিতপুৰ জিলা সমিতিৰ নেতা অনিল বাগ, সদৌ অসম ভোজপুৰী পৰিষদৰ শোণিতপুৰ জিলা সমিতিৰ সভাপতি সন্তোষ চাহানী, সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ শোণিতপুৰ জিলাৰ সভাপতি আনন্দ তাঁতীসহ বিভিন্ন সামাজিক আৰু ছাত্ৰ সংগঠনৰ নেতা-কৰ্মীসকলেও অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই অধিৱেশনত সদৌ অসম ছাত্ৰ সন্থাৰ শোণিতপুৰ জিলা সমিতি আৰু ঢেকীয়াজুলি আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়া তথা সদস্যসকলৰ সক্ৰিয় উপস্থিতিয়ে সংগঠনৰ প্ৰতি থকা দায়বদ্ধতা, ঐক্য আৰু সংগঠনটোৰ শক্তিশালী অৱস্থাক স্পষ্টভাৱে প্ৰতিফলিত কৰে। সাংস্কৃতিক শোভাযাত্ৰাসহ সমগ্ৰ অনুষ্ঠান সফলভাৱে সম্পন্ন হোৱাত সহযোগ আগবঢ়োৱা সকলো সংগঠন, শুভাকাংক্ষী আৰু ঢেকীয়াজুলিবাসী ৰাইজলৈ আন্তৰিক অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰে অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি ডঃ শুকদেৱ অধিকাৰী, কাৰ্যকৰী সভাপতি কাজল বৰা, সম্পাদক শংকৰ দাসৰ লগতে অন্যান্য বিষয়ববীয়াসকলে।

# শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘ দৰং জিলা শাখা ৫৬ সংখ্যক বাৰ্ষিক অধিৱেশনৰ সফল সামৰণি

**অসম বাৰ্তা, খৈৰাবাৰী, ২৫ জানুৱাৰী ঃ** অবিভক্ত দৰং ওদালগুৰি জিলা আন্ধেৰীঘাট বৰনদীঝাৰৰ খৰ্গেশ্বৰ ৰাজবংশী সমন্বয় ক্ষেত্ৰত দৰং জিলা শংকৰদেৱ সংঘৰ ৫৬ সংখ্যক অধিৱেশনৰ যোৱা কালি ৰবিবাৰে সফল সামৰণি পৰে। জানুৱাৰী ২৪ আৰু ২৫ মাঘ মাহৰ ১০ আৰু ১১ তাৰিখে ২০২৬ দুদিনীয়া বৰ্ণাঢ্য কাৰ্য্যসূচীৰে অনুষ্ঠিত হয় বাৰ্ষিক অধিৱেশন। বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰি শৰাই নিবেদন, নাম প্ৰসঙ্গ, ভাগৱত পাঠ, গছ পুলি ৰোপণ, ভাৰত চন্দ্ৰ ৰাজবংশী সোঁৱৰণী মূল তোৰণ উন্মোচন, অমৃত ৰাজবংশী সোঁৱৰণী নামঘৰ অস্থায়ী তোৰণ উন্মোচন, খৰ্গেশ্বৰী ৰাজবংশী সোঁৱৰণী ভোজনালয়লৈ যোৱা উপ পথৰ তোৰণ উন্মোচন, কেশৰ ৰাজবংশী সোঁৱৰণী পতাকা বেদীৰ সন্মুখৰ তোৰণ উন্মোচন, সমন্বয় ক্ষেত্ৰ উন্মোচনৰ উপৰিও শিক্ষা, সেনাবাহিনী, সাহিত্য শাখাৰ যৌথ সভা অনুষ্ঠিত হয়। হিতেশ বৰুৱাই সঞ্চালনা কৰা সভা উদ্বোধন কৰে জিলা শাখাৰ উপ -সভাপতি বিপিন বৰুৱাই। নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে ভেৰগাঁও জিলা শাখাৰ নিলীমা ৰাভাই। আই মাতৃ বক্তা প্ৰদান কৰে মধ্য মঙলদৈ শাখাৰ নিলীমা হাজৰিকাই। সভাত মহাপুৰুষ গ্ৰন্থ উন্মোচন কৰে শিশু আৰু আই মাতৃ কল্যাণ শাখা সমিতিৰ সভানেত্ৰী মহিমা বড়ো কছাৰীয়ে। ইয়াৰ পিছতে অনুষ্ঠিত হয় সংস্কৃতি, আই মাতৃ আৰু প্ৰচাৰ শাখাৰ যৌথ সভা। সভাত দেহহুতি গ্ৰন্থ উন্মোচন কৰে কেন্দ্ৰীয় শিশু আই মাতৃ কল্যাণ শাখাৰ সদস্যা পদুমী মহন্তই। সন্ধিয়া প্ৰতিনিধি সভা বৈঠকৰ পিছত স্থানীয় শিল্পীৰ দ্বাৰা অনুষ্ঠিত হয় সাংস্কৃতিক অনুষ্ঠান। অন্যহাতে ভাগৱত পাঠ অনুষ্ঠানেৰে দ্বিতীয় দিনৰ কাৰ্য্যসূচী শুভাৰম্ভ কৰি ধৰ্মধ্বজা উত্তোলন, বৰণময় সাংস্কৃতিক শোভাযাত্ৰা জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিৰ প্ৰতিফলন সন্মুখত ভাগৱত লৈ উলিওৱা শোভাযাত্ৰাত সহস্ৰাধিক লোকৰ অংশগ্ৰহণ। ভক্তি ৰসৰ অমিয়া সুৰ, নাম-কীৰ্তনৰ ধ্বনিৰে মুখৰিত বৰনদীঝাৰৰ আকাশ-বতাহ। দুপৰীয়া ঘনকান্ত ৰাজবংশী সোঁৱৰণী মঞ্চ উদ্বোধন আৰু মুকলি ধৰ্মালোচনী সভা অনুষ্ঠিত কৰে। শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘ, দৰং জিলা শাখাৰ সভাপতি ভাৰত চন্দ্ৰ ডেকাই সঞ্চালনা কৰা সভা উদ্বোধন কৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ মুলৰ সদস্য ৰামচন্দ্ৰ ডেকাই। স্মৃতি গ্ৰন্থ উন্মোচন কৰে শিশু মঞ্জুৰী সম্পাদক বৰদা শইকীয়াই। নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে অসম ৰাজ্যিক বিদ্যালয়ৰ শিক্ষা পৰিষদৰ উপাধ্যক্ষ ৰুক্ম গোহাঁই বৰুৱাই। অন্যহাতে শংকৰ -মাধৱ আঞ্চলিক শাখাৰ শিল্পী বৃন্দৰ দ্বাৰা "ৰাম বিজয়" ভাওনা প্ৰদৰ্শন কৰিবলগীয়া সাংস্কৃতিক মঞ্চ উদ্বোধন কৰে সমাজ সেৱক ধ্ৰুৱজ্যোতি বড়োই। সাংস্কৃতিক সন্ধিয়াৰ অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী বিদ্যাসাগৰৰ গীতৰ অনুষ্ঠানেৰে অধিৱেশনৰ যোৱা কালি সফল সামৰণি পৰে।

# মাতৃ ভাৰতীৰ দ্বাৰা "সপ্তশক্তি সংগম" সন্মিলন সম্পন্ন




**অসম বাৰ্তা, উজনী মাজুলী, ২৫ জানুৱাৰী ঃ** শংকৰদেৱ শিশু নিকেতন ফুলনিৰ মাতৃ ভাৰতীৰ উদ্যোগত বিদ্যাভাৰতী অখিল ভাৰতীয় শিক্ষা সংস্থানৰ যোজনা অনুসৰি "সপ্তশক্তি সংগম" শীৰ্ষক সন্মিলন খনি সৰশ্বতী পূজাৰ দিনা উদযাপন কৰা হয়। সভাখনিত বন্তি প্ৰজ্বলন কৰে বিশিষ্ট সমাজকৰ্মী তথা মাজুলীৰ বিধায়ক ভুৱন গামৰ সহধৰ্মিনী পুণ্যলতা কামান গামে। নিৰ্ধাৰিত গীতেৰে মাতৃ আৰু আচাৰ্যা সকলৰ দ্বাৰা আৰম্ভ কৰা সভাখন মাতৃ ভাৰতীৰ সভানেত্ৰী উৰ্মীলা কলিতাই পৰিচালনা কৰাৰ লগতে প্ৰস্তাৱিক ভাষণ প্ৰদান কৰে। সভাখনত শ্ৰীৰাম বনমালীদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষয়িত্ৰী তথা বিশিষ্ট লেখিকা লক্ষ্যহীৰা দত্ত আৰু ৰঙাচাহী মহাবিদ্যালয়ৰ প্ৰবক্তা তথা লেখিকা শ্ৰীযুতা পাৰুল বৰা মিলি নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে। নিৰ্দিষ্ট বক্তাদ্বয়ে ক্ৰমে "পৰিয়াল প্ৰবোধন আৰু পৰিৱেশ সম্বন্ধত ভাৰতীয় দৃষ্টিভংগী" আৰু "ভাৰতবৰ্ষৰ বিকাশত মহিলাৰ অৱদান" বিষয়ত বিস্তাৰিত ভাবে সাৱলীল বক্তৃতা প্ৰদান কৰে। সভাত প্ৰতিকুল পৰিস্থিতিৰ সন্মুখীন হৈয়ো নিজৰ ঘৰ-পৰিয়াল তথা সন্তানক সফল কৰি তুলিবলৈ সক্ষম হোৱা, বৃহত্তৰ ফুলনি অঞ্চলৰ চাৰি গৰাকী মাতৃক "সফল মাতৃ" স্বৰূপে সম্বৰ্ধনা জনোৱা হয়। এগৰাকী মাতৃ জোনমণি গায়নে কনকলতাৰ বেশত তেখেতৰ "উক্তি" উপস্থাপন কৰে। মুকলি সভাৰ পূৰ্বে মাতৃ সকলৰ মাজত সঙ্গীত চকী প্ৰতিযোগিতা অনুষ্ঠিত হয়। সভাত অনুষ্ঠিত হোৱা কুইজ আৰু সংগীত চকী প্ৰতিযোগিতাৰ বিজয়ী মাতৃসকলক বঁটা প্ৰদান কৰা হয়। নিকেতনৰ উপপ্ৰধানাচাৰ্যা ঋজুমণি শইকীয়াই আঁত ধৰা সভাখনত মাতৃ ভাৰতীৰ সম্পাদিকা ৰীমা শইকীয়া নাথে, উপস্থিত অতিথি তথা মাতৃ সকলৰ শলাগ লোৱাৰ লগতে সন্মিলন খনি অনুষ্ঠিত কৰাত সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ বাবে নিকেতনৰ পৰিচালনা সমিতি, আচাৰ্য- আচাৰ্যা তথা কৰ্মচাৰী বৃন্দ আৰু মাতৃ ভাৰতীৰ সকলো সদস্যাক আন্তৰিক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰি শলাগৰ শৰাই আগবঢ়ায়। সংকল্প পাঠৰ পাছতে শান্তি মন্ত্ৰৰে সভাৰ সমাপ্তি হয়।

মুখ্য অতিথি হিচাপে উপস্থিত থাকিব হাগ্ৰামা মহিলাৰী

# চিৰাং জিলা দুলাৰায় বাথৌ গৌথুমৰ একাদশ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আয়োজন

**অসম বাৰ্তা, বাসুগাঁও, ২৫ জানুৱাৰী ঃ** চিৰাং জিলা দুলাৰায় বাথৌ গৌথুমৰ একাদশ সংখ্যক বাৰ্ষিক অধিৱেশন খনি জিলা খনৰ শান্তিপুৰত ৩ আৰু ৪ ফেব্ৰুৱাৰী তাৰিখে বিস্তৃত আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। শান্তিপুৰ বিয়াব বাথৌ থানশালী প্ৰাংগণত অনুষ্ঠিত হ'বলগীয়া দ্বিতীয়দিনা দিনৰ এক বজাত মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰী। চিৰাং জিলাৰ দুলাৰায় বাথৌ গৌথুমৰ সভাপতি শ্যামা চৰণ ওৱাৰীৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া সভা উদ্বোধন কৰিব বিটিচি'ৰ কাৰ্যবাহী সদস্য পানীৰাম ব্ৰহ্ম। মুখ্য বক্তা হিচাপে দুলাৰায় বাথৌ আফাদৰ সভাপতি দেদলা মাংগ্ৰা গয়াৰী বক্তব্য দাঙি ধৰিব। টেন দুৱাৰ দখৰা আবছুৰ সভাপতি মনজিৎ বসুমতাৰী, শান্তিপুৰ দালায় আবছুৰ সভাপতি বিলিৰাম নাৰ্জাৰী, শান্তিপুৰ প্ৰাইমাৰী ট্ৰাইবেল সংঘৰ সভাপতি লেবেন্দ্ৰ নাৰ্জাৰী ইত্যাদি অঞ্চলৰ বিশিষ্ট ব্যক্তি সকল উপস্থিত থাকিব। ৰাতিপুৱা পতাকা উত্তোলন, মাল্যাৰ্পণ, বাথৌ আৰজ, প্ৰতিনিধি সভা আদি অনুষ্ঠিত হ'ব। আনহাতে প্ৰথম দিনা ৰাতিপুৱা বাথৌ বেদী প্ৰতিষ্ঠা, প্ৰতিনিধি পঞ্জীয়ন, মূল তোৰণ, মূল মণ্ডপ, ভোজনালয় উদ্বোধন, প্ৰতিনিধি সভা ইত্যাদি কাৰ্যসূচী ৰূপায়ণ হ'ব। ইতিমধ্যে লফেন বৰগয়াৰীক সভাপতি আৰু হলিৰাম নাৰ্জাৰীক আহ্বায়ক হিচাপে লৈ আদৰণী সমিতিখন গঠন কৰা হৈছে বুলি চিৰাং জিলা দুলাৰায় বাথৌ গৌথুমৰ সম্পাদক মনোলাল বসুমতাৰীৰ পৰা জানিবলৈ দিছে। লগতে তেওঁ দুয়োদিনাৰ কাৰ্যসূচী সাফল্যমণ্ডিত কৰি তোলাৰ বাবে সকলো ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগ একান্তভাৱে কামনা কৰিছে।

# কাকাৰামাৰী প্ৰাথমিক বিদ্যালয়ত বিশেষ অভিভাৱক সচেতনতা আৰু অভিনন্দন অনুষ্ঠান সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ২৫ জানুৱাৰী ঃ** ওদালগুৰি জিলাৰ খৈৰাবাৰী শিক্ষাখণ্ডৰ অন্তৰ্গত কাকাৰামাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰাঙ্গণত ২৪ জানুৱাৰীত এখন বিশেষ অভিভাৱক সচেতনতা সভা তথা অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। কাকাৰামাৰী প্ৰাথমিক বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ৰাতুল ৰাভাই সভাপতিত্ব কৰা অনুষ্ঠানত খৈৰাবাৰী শিক্ষাখণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ভূমিধৰ বড়ো, ওদালগুৰি জিলা মিচন সমন্বয়ক কাৰ্যালয়ৰ ডি.পি.অ. ভনীতা দেৱী আৰু টংলা বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক উমেশ চন্দ্ৰ ডেকাই উপস্থিত থাকি ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকক উদ্দেশ্যি ৰসাল মন্তব্য আগবঢ়ায়। অনুষ্ঠানত চেউনী আদৰ্শ মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষকবৃন্দ, চেউনী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী, অঞ্চলটিৰ গণ্য-মান্য ব্যক্তি তথা কাকাৰামাৰীৰ ৰাইজ উপস্থিত থাকে। পুৱাৰ ভাগত প্ৰাণৰ শিল্পী জুবিন গাৰ্গদেৱৰ প্ৰতিচ্ছবিৰ সন্মুখত শ্ৰদ্ধাঞ্জলি জ্ঞাপন, আগন্তুক উচ্চতৰ মাধ্যমিক আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ শিক্ষাৰ্থীক শুভেচ্ছা আৰু আনহাতে বিগত বৰ্ষত হাইস্কুল শিক্ষান্ত, উচ্চতৰ মাধ্যমিকত উত্তীৰ্ণ, স্নাতক ডিগ্ৰী অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীক অভিনন্দন জ্ঞাপন কৰাৰ লগতে গুৰুসেৱা কাৰ্যসূচীও সম্পন্ন হয়। কাকাৰামাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দুৰ্লভ দেৱনাথে বিদ্যালয় কৰ্তৃপক্ষৰ হৈ অনুষ্ঠানটো সফলতাত অৰিহণা যোগোৱা বাবে আমন্ত্ৰিত অতিথি, গাঁওবাসী তথা অঞ্চলটোৰ ৰাইজক আন্তৰিক শলাগ জ্ঞাপন কৰে।

## একুৰি কাব্যগ্ৰন্থ নিৰ্বাচিত

# সাপ্তাহিক 'কৱচ'ৰ দ্বাৰা আয়োজিত কাব্যগ্ৰন্থ প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

**অসম বাৰ্তা, মিৰ্জা, ছয়গাঁও, ২৫ জানুৱাৰী ঃ** প্ৰভাতী অসম সংবাদ গোষ্ঠীৰ দ্বাৰা পৰিচালিত সাপ্তাহিক 'কৱচ' কাকতৰ উদ্যোগত প্ৰাতঃটাইম ৱেব নিউজ চেনেলৰ ষষ্ঠ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অসমীয়া কাব্যগ্ৰন্থ প্ৰতিযোগিতাত অসমৰ ভিন্ন প্ৰান্তৰ বহুকেইগৰাকী কবিয়ে কাব্যগ্ৰন্থ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল। এই প্ৰতিযোগিতাত মুঠ একুৰি কাব্যগ্ৰন্থ নিৰ্বাচন কৰা হৈছে। বিচাৰকৰ ফলাফলৰ ভিত্তিত প্ৰতিযোগিতাখনত প্ৰথম স্থান লাভ কৰিছে কবি দীপিকা দেৱী কলিতাৰ 'অৰণ্যত ৰ'দ বিচাৰি' শীৰ্ষক কাব্যগ্ৰন্থখনে। দ্বিতীয় স্থান লাভ কৰিছে জ্যোৎস্না দেৱী ভগৱতীৰ ' আন্তৰিক' শীৰ্ষক কাব্যগ্ৰন্থখনে আৰু তৃতীয়স্থান লাভ কৰিছে প্ৰদীপ কুমাৰ দাসৰ 'মেঘ মাটি আৰু মানুহৰ গান' শীৰ্ষক কাব্যগ্ৰন্থখনে। আনহাতে বিচাৰকৰ বিশেষ বটাঁ লাভ কৰিছে ক্ৰমে পৰিস্মিতা গগৈ দত্তৰ 'অনামী এজাক পছোৱা', হৰেন চন্দ্ৰ কলিতাৰ 'স্বপ্নদ্ৰষ্টাৰ দিনলিপি' আৰু দিগন্ত কলিতাৰ 'শিলত গজি উঠা জোনাক' শীৰ্ষক কাব্যগ্ৰন্থকেইখনে। আনহাতে এমুঠি জীয়া সপোন (কল্যাণী সিংহ), জোনাক যেতিয়া নামে (প্ৰণতি চৌধুৰী), দুস্ত্যজ (অঞ্জলী বৰদলৈ), তুমি এবাৰ খবৰ লবানে (কলেশ্বৰ নৰহ), অনুভৱৰ ঠিকনা (প্ৰণিতা ঠাকুৰীয়া বেজবৰুৱা), নিয়ৰ সৰা শব্দ (ৰাহুল জ্যোতি বৰা), শৰতৰ ৰ'দ কাঁচলি (কল্পনা চৌধুৰী), ৰঙা ফাগুন, প্ৰেমিক বৰটোকোলা আৰু নষ্ট বৰষুণৰ গদ্য (ফুলমণি), ফাগুনক জোকাই নল'বি (ভৱেশ কলিতা), নৈঃশব্দৰ মাজত শব্দৰ মিছিল (বীজু ঠাকুৰীয়া মহন্ত), কুণ্ডলী ( অনামিকা সংগীতা কলিতা), ভিন্ন স্বাদৰ কাব্য সংকলন (হিৰণ্যময়ী বৰুৱা), শব্দৰ ৰেলগাড়ী (দীপক কুমাৰ তালুকদাৰ), অকমাণি আকাশ (বেনজিন চুলতানা) শীৰ্ষক কাব্যগ্ৰন্থৰ কবিসকলক বিশেষভাৱে অভিনন্দন জনোৱাৰ লগতে সম্বৰ্ধনা জনোৱা হ'ব। অহা ৩১ জানুৱাৰী শনিবাৰে আজাৰাস্থিত সভাঘৰ প্ৰাঙ্গনত অনুষ্ঠিত হ'বলগীয়া প্ৰাতঃ টাইমৰ ষষ্ঠ বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ দিনাই আনুষ্ঠানিকভাৱে সন্মান জনোৱা হ'ব। সেয়েহে উক্ত দিনা দিনৰ বাৰ বজাৰ পৰা দুই বজাৰ ভিতৰত উল্লিখিত সকলো কবিকেই উপস্থিত থকাৰ বাবে আয়োজনমণ্ডলীয়ে আহ্বান জনাইছে। উল্লেখ্য যে উক্ত অনুষ্ঠানতেই জেষ্ঠ্য বাদ্যযন্ত্ৰ শিল্পী ৰাজা বৰুৱালৈ জীৱন জোৰা সাধনা বঁটা, ধৰণীধৰ বড়োলৈ বৰলুইত বঁটা আৰু এলভিছ আলি হাজৰিকালৈ লাচিত বৰফুকন ইছমাইল ছিদ্দিকি সমন্বয় বঁটা প্ৰদান কৰা হ'ব।

## সুস্থ-নিকা নিৰ্বাচন হ'লে বিজেপিয়ে নিৰ্বাচন জিকিব নোৱাৰেঃ সাংসদ অজিত ভূঞা

# সোণতলীত জি কে এছ প্ৰেছ ক্লাবৰ মধ্যকালীন অধিৱেশন




**অসম বাৰ্তা, গৰৈমাৰী, ২৫ জানুৱাৰী ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত সোণতলী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আজি বিয়লি অনুষ্ঠিত গৰৈমাৰী-কালাতলী-সোণতলী চমুকৈ জি কে এছ প্ৰেছ ক্লাবৰ মধ্যকালীন অধিৱেশনৰ মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি বিশিষ্ট সাংবাদিক তথা সাংসদ অজিত কুমাৰ ভূঞাই 'সুস্থ-নিকা নিৰ্বাচন হ'লে বিজেপিয়ে নিৰ্বাচনত জিকিব নোৱাৰিব, বিজেপিৰ পৰাজয় অনিবাৰ্য' বুলি কয়। তেওঁ পুনৰ বিজেপিয়ে নিৰ্বাচন আয়োগ, চিবিআই, ইডি আদিক ভোটৰ স্বাৰ্থত ব্যৱহাৰ কৰা বুলি কয়। প্ৰেছ ক্লাবৰ সভাপতি নয়ান আলীৰ সঞ্চালনাত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক আনোৱাৰ হুছেইন আৰু আদৰণী ভাষণ প্ৰদান কৰে প্ৰেছ ক্লাবৰ উপদেষ্টা আজাদ ওচমান গণিয়ে। চোৰ, ডকাইত, লুণ্ঠনকাৰী বিজেপিক অহা নিৰ্বাচনত ব্ৰহ্মপুত্ৰত দলিয়াই দিবলৈ সাংসদ অজিত ভূঞাই অসমক বচাবলৈ আহ্বান জনায়। বিজেপিক অসমৰ শত্ৰু, অসমীয়া সমাজৰ শত্ৰু, হিন্দু-মুছলমান উভয়ৰে শত্ৰু বুলি অজিত ভূঞাই আখ্যায়িত কৰে। সভাত অংশগ্ৰহণ কৰি প্ৰাক্তন মন্ত্ৰী ডাঃ কমলাকান্ত কলিতাই সাংবাদিকতাৰ সৈতে একাত্ম হৈ থকাত ৰাইজক ধন্যবাদ জনায়। সাংবাদিকতা সমাজৰ দাপোনস্বৰূপ বুলিও ডাঃ কলিতাই কয়। উল্লেখ্য যে প্ৰেছ ক্লাবৰ মধ্যকালীন অধিৱেশন উপলক্ষে পুৱা পতাকা উত্তোলন কৰে প্ৰেছ ক্লাবৰ সভাপতি নয়ান আলী আৰু অভ্যৰ্থনা সমিতিৰ সভাপতি গোলজাৰ হুছেইনে। ইয়াৰ পিছত গছপুলি ৰোপণ, জুবিন সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হয়। দুপৰীয়া বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে অসম চৰকাৰৰ খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ অধ্যক্ষ ডাঃ কমলাকান্ত কলিতাৰ সৈতে সহযোগ কৰে প্ৰেছ ক্লাবৰ উপদেষ্টা আব্দুৰ ৰহমান, গৰৈমাৰীৰ ব্ৰহ্মপুত্ৰ ভেলী একাডেমীৰ সভাপতি নুৰুল ইছলামে। বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰাই ৰাইজক মুহিবলৈ সমৰ্থ হয়। সভাত সোণতলী-টুপামাৰী জিলা পৰিষদৰ প্ৰাক্তন সদস্য ছাহজাহান আলী, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা ক্ৰমে-ৰফিকুল ইছলাম, আমান ৱাদুদ, ফাইজুৰ ৰহমান চৌধুৰী, সমাজকৰ্মী মেহবুব আলী, সোণতলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ ৰহমত উল্লাহ, মাজৰটোপ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ আব্বাছ আলী আহমেদ, সাহিত্যিক মীৰ্জা হুমায়ুন কবিৰ, প্ৰাক্তন সৈনিক আব্দুছ ছামাদ, অভিযন্তা আব্দুল জলিলকে প্ৰমুখ্য কৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। সভাৰ শেষত শলাগৰ শৰাই আগবঢ়ায় জি কে এছ প্ৰেছ ক্লাবৰ প্ৰাক্তন সাধাৰণ সম্পাদক আজিজুৰ ৰহমান চৌধুৰী।

বোকাবিল মিছিং মহিলা সমাজে লাভ কৰে প্ৰথম স্থান

# অসম ভাওনা সমাৰোহত মাজুলী ভিত্তিত মহিলা দিহা-নাম প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ২৫ জানুৱাৰী ঃ** মাজুলী শ্ৰীশ্ৰীআউনীআটী সত্ৰৰ উদ্যোগত মণিকাঞ্চন ৰংগ ক্ষেত্ৰত অনুষ্ঠিত হৈ থকা অসম ভাওনা সমাৰোহত আজি মাজুলী জিলা মহিলা সমিতিৰ উদ্যোগত মাজুলী ভিত্তিত প্ৰাইজমানি দিহা নাম প্ৰতিযোগিতা অনুষ্ঠিত হয়। সেই উপলক্ষে আজি পুৱা দহ বজাত জিলা মহিলা সমিতিৰ সম্পাদীকা নিতুল হাজৰিকাই আতঁ ধৰা উদ্বোধনী অনুষ্ঠানত সভাপতিত্ব কৰে সভানেত্ৰী সুভদ্ৰা বৰাই। অনুষ্ঠান উদ্বোধন কৰি দিয়া ভাষণত বিশিষ্ট সত্ৰীয়া শিল্পী প্ৰভাত বৰা বুঢ়াভকতে মহাপুৰুষ গুৰুজনাৰ সৃষ্টি নামৰ মহত্ব আৰু অসমীয়া সমাজ জীৱনত কিদৰে প্ৰভাৱ বিস্তাৰ কৰিছে তাৰ ওপৰত বিস্তৃত ব্যাখ্যা আগবঢ়ায়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি মাজুলী জিলাৰ বিধায়ক ভুৱন গামে ভাষণ প্ৰদান কৰে। অনুষ্ঠানত আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামী, ডেকাঅধীকাৰ দেবানন্দ দেৱ গোস্বামী, বিশিষ্ট সত্ৰীয়া শিল্পী ড° কৰুণা বৰা, শিশু মহিয়ান লোহিত বৰা, মাজুলী জিলা পৰিষদৰ সভাপতি নৱনীতা দাস, মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নৰেন চন্দ্ৰ ঠাকুৰীয়া, সাংস্কৃতিক কৰ্মী ধীৰেন্দ্ৰ নাথ বৰা, হেম ভূঞা, পদ্ম শইকীয়া, জিলা মইনা পাৰিজাতৰ সভাপতি খগেন হাজৰিকা, জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰাঞ্জল শইকীয়া, জিলা যুৱ ছাত্ৰ পৰিষদৰ সভাপতি মুনিন্দ্ৰ ভূঞা, সম্পাদক সীমান্ত বৰা, মিনতি শইকীয়া, অতুল হাজৰিকা উপস্থিত থাকে। দিনৰ ১২ বজাৰ পৰা অনুষ্ঠিত হোৱা প্ৰতিযোগিতাত মোকাবিলা মিছিং মহিলা সমাজে প্ৰথম স্থান, বেঙেনা আটী বাসুদেৱ মহিলা দলে দ্বিতীয় স্থান, জয়া মহিলা সমিতিৰ দলে তৃতীয় স্থান, ৰূপালী মহিলা সমিতিৰ দলে চতুৰ্থ স্থান, বিৰিণা বাৰী মনোৰমা মহিলা সমিতিৰ দলে পঞ্চম আৰু ভকত চাপৰিৰ মহিলা সমিতিৰ দলে উদগনি মূলক স্থান লাভ কৰিবলৈ সক্ষম হয়। প্ৰতিযোগিতাত শ্ৰেষ্ঠ নামতি শংকৰজ্যোতি মহিলা সমিতিৰ দলে লাভ কৰিবলৈ সক্ষম হৈছে। স্থান লাভ কৰা দল সমূহক অহা ২৮ জানুৱাৰী তাৰিখে পুৰস্কাৰ প্ৰদান কৰা হ'ব বুলি আয়োজক সমিতিয়ে জানিবলৈ দিয়ে।

■ দেৰগাঁও চাৰিআলিত স্থায়ী তোৰণ নিৰ্মাণৰ বাবে আহ্বান ■

# ধোদাং মণিকাঞ্চন সমন্বয় ক্ষেত্ৰত মণিকাঞ্চন সমন্বয় উৎসৱৰ আয়োজন

**অসম বাৰ্তা, দেৰগাঁও, ২৫ জানুৱাৰী ঃ** বিগত কেইবছৰৰ দৰে দেৰগাঁৱৰ দক্ষিণ আঁহতগুৰি ধোদাংস্থিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ মিলনস্থল ধুৱাহাট বেলগুৰিৰ মণিকাঞ্চন ক্ষেত্ৰত দুদিনীয়া কাৰ্যসূচীৰে 'মণিকাঞ্চন সমন্বয় উৎসৱ- ২০২৬'ৰ আয়োজন কৰা হৈছে। এই উপলক্ষে মণিকাঞ্চন সংযোগ থানৰ স্থায়ী নামঘৰৰ প্ৰাংগণত অলপতে আঁহতগুৰি হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কমল বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সাধাৰণ সভাৰ আঁতধৰি সম্পাদক জ্যোতিপ্ৰসাদ বৰাই কয়, অসমীয়া জাতি গঠনৰ কাণ্ডাৰীৰ মহামিলৰ ক্ষেত্ৰখন ব্ৰহ্মপুত্ৰৰ খহনীয়াত জাহ গৈ সেই একেটা স্থানতে সৃষ্টি হোৱা ধুৱা চাপৰিতে পুনৰ প্ৰতিষ্ঠা কৰা হৈছে। উল্লেখযোগ্য যে ধোদাং চাপৰিক চৰকাৰী নথি-পত্ৰত ধুৱা চাপৰি বুলিয়েই উল্লেখ আছে। বৰ্তমান ৰাজ্য চৰকাৰে অসমীয়া জাতি গঠনৰ সম্পদসমূহক আটক-ধুনীয়াকৈ নিৰ্মাণ কৰি পৰ্যটনথলীলৈ ৰূপান্তৰ কৰিছে। ঠিক তেনেদৰে মাজুলীৰ সত্ৰসমূহৰ সত্ৰাধিকাৰসকলে ধোদাং অঞ্চলতেই মণিকাঞ্চন ক্ষেত্ৰ হয় বুলি সহমত প্ৰকাশ কৰা ক্ষেত্ৰখনক অসম চৰকাৰে স্বীকৃতি প্ৰদান কৰিব লাগে বুলি মত পোষণ কৰে। সভাত আগন্তুক সমন্বয় উৎসৱত গত বৰ্ষৰ দৰেই মণিকাঞ্চন বঁটা, আঁহতগুৰি গৌৰৱ বঁটা আৰু আঁহতগুৰি সৌৰভ বঁটা প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে নামঘৰৰ বাকী থকা কাম সম্পূৰ্ণ কৰাৰ দৰে গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত মণিকাঞ্চন সমন্বয় ক্ষেত্ৰৰ কাৰ্যকৰী সভাপতি ৰূপেশ্বৰ নেওগ, নামঘৰ পৰিচালনা সমিতিৰ সভাপতি উমেশ বৰুৱা, মোহন কাকতী, জয়ৰাম শইকীয়া, জীৱন কাকতী, জীৱন বৰা, সূৰ্য ভূঞা প্ৰমুখ্যে বহুকেইজনে সম্পাদকৰ বক্তব্যৰ সমৰ্থন জনায়। সভাত মাৰ্চ মাহৰ চতুৰ্থ সপ্তাহতে ২০২৬ বৰ্ষৰ মণিকাঞ্চন সমন্বয় উৎসৱ উদ্যাপন কৰাৰ সিদ্ধান্তও গ্ৰহণ কৰি অসমৰ বিভিন্ন প্ৰান্তত সিঁচৰতি হৈ থকা মাজুলী আঁহতগুৰি মূলৰ জনসাধাৰণৰ সহযোগিতা কামনা কৰে মণিকাঞ্চন সংযোগ স্থান সমন্বয় সমিতিয়ে। আনহাতে, এই সভাতেই দেৰগাঁও চাৰিআলিৰ সমীপত মণিকাঞ্চন ক্ষেত্ৰলৈ পৰ্যটকক আকৰ্ষণৰ বাবে সু-বৃহৎ স্থায়ী তোৰণ নিৰ্মাণ কৰা আৰু পথছোৱা 'মণিকাঞ্চন সংযোগ পথ' হিচাপে ঘোষণা কৰিবলৈ চৰকাৰক আহ্বান জনাই প্ৰস্তাৱ গ্ৰহণ কৰে।

## ডিব্ৰুগড়ত দ্বিতীয়বাৰৰ বাবে পতাকা উৰুৱালে

আনহাতে ডিব্ৰুগড়ৰ খনিকৰ খেলপথাৰত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই ত্ৰিৰংগা উত্তোলন কৰি গণৰাজ্য দিৱসৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। পতাকা উত্তোলনৰ পিছতে মুখ্যমন্ত্ৰীগৰাকীয়ে এক উদাত্ত ভাষণ প্ৰদান কৰে। ভাষণত মুখ্যমন্ত্ৰীয়ে পদ্মশ্ৰী সন্মান লাভ কৰা পাঁচজন অসমীয়ালৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। লগতে জাতিৰ পিতা মহাত্মা গান্ধীক স্মৰণ কৰি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই ভাষণত কয় যে, স্বাধীনতাৰ পৰা আৰম্ভণিৰে পৰা কংগ্ৰেছে ভাৰতীয় সংবিধানৰ আত্মাক আঘাত কৰাৰ চেষ্টা চলাই আহিছে। সংবিধান সভাত ডং বি. আৰ. আম্বেদকাৰক প্ৰথমতে স্থান দিয়া হোৱা নাছিল। জৱাহৰলাল নেহৰুৱে ইয়াৰ বিৰোধিতা কৰিছিল। কিন্তু মহাত্মা গান্ধীৰ অক্লান্ত প্ৰচেষ্টাৰ ফলতহে ড° আম্বেদকাৰে সংবিধান প্ৰণয়নৰ দায়িত্ব লাভ কৰিবলৈ সক্ষম হৈছিল। তেওঁ আৰু কয় যে, আধুনিক ভাৰতৰ অনিৰুদ্ধ যাত্ৰা এতিয়া সঁচাকৈয়ে আৰম্ভ হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বতহে এই সম্ভৱ হৈছে। বিগত কেইবছৰমানৰ সাফল্যক লক্ষ্য কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে অসমৰ উন্নয়নৰ নতুন মাইলৰ খুঁটিৰ কথা উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে, অসমে উন্নয়নৰ নতুন উচ্চতাত উপনীত হৈছে। বিহু, ঝুমোইৰ আৰু বাগুৰুম্বাৰ দৰে অসমীয়া লোক-সংস্কৃতিয়ে বিশ্বব্যাপী স্বীকৃতি লাভ কৰিছে। অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰা হৈছে, যিটো অসমবাসীৰ বাবে এক গৌৰৱৰ বিষয়। বহু বিবাহ ৰোধৰ বাবে ৰাজ্য চৰকাৰে ঐতিহাসিক আইন গৃহীত কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে, এতিয়া এজনে দুবাৰ-তিনিবাৰকৈ বিয়া পতাৰ প্ৰথা বন্ধ হ'ব। প্ৰধানমন্ত্ৰীৰ সৈতে নিয়মীয়া আলোচনাৰ জৰিয়তে অসমবাসীৰ সপোন পূৰণৰ বাবে অব্যাহত প্ৰচেষ্টা চলি আছে। চৰাইদেউৰ মৈদামসমূহে বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি লাভ কৰিছে। হোলোঙাপাৰত মহাবীৰ লাচিত বৰফুকনৰ সুউচ্চ প্ৰতিমূৰ্তি স্থাপন কৰা হৈছে। ৩০ জানুৱাৰীত ডিব্ৰুগড় বিধানসভা চৌহদৰ আধাৰশিলা স্থাপন কৰিব কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। প্ৰায় ৩০০ কোটি টকা ব্যয়ত নিৰ্মিত হ'ব এই বিধানসভা চৌহদ, আৰু আগন্তুক তিনি বছৰৰ ভিতৰত নিৰ্মাণকাৰ্য সম্পূৰ্ণ হ'ব। ডিব্ৰুগড়ত উচ্চ ন্যায়ালয়ৰ চাৰ্কিট বেঞ্চ স্থাপনৰ কথাও ঘোষণা কৰে মুখ্যমন্ত্ৰীয়ে। ভাষণত মুখ্যমন্ত্ৰীয়ে জনায় যে, এই পৰ্যন্ত ১.৫৬ লাখ যুৱক-যুৱতীক চাকৰিৰ ব্যৱস্থা কৰি দিয়া হৈছে। বড়ো শান্তি চুক্তি আৰু কাৰ্বি শান্তি চুক্তিয়ে ৰাজ্যখনলৈ স্থায়ী শান্তি অনাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। অসম চৰকাৰী চিকিৎসালয়সমূহত প্ৰ'টন থেৰাপীৰ সুবিধা প্ৰদান কৰা ভাৰতৰ প্ৰথম ৰাজ্য হিচাপে অসম পৰিগণিত হ'ব বুলি ঘোষণা কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, এয়া স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত এক যুগান্তকাৰী পদক্ষেপ। গণৰাজ্য দিৱসৰ এই বিশেষ অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ ভাষণে ৰাজ্যবাসীৰ মাজত নতুন উদ্দীপনাৰ সঞ্চাৰ কৰিছে। অসমৰ উন্নয়ন আৰু সাংস্কৃতিক গৌৰৱৰ এই যাত্ৰাই আগন্তুক দিনবোৰতো অধিক সফলতা লাভ কৰিব বুলি আশা কৰা হৈছে।

## নতুন দিল্লীৰ কৰ্তব্য পথৰ

এই কলাক জীয়াই ৰাখিছে। তেওঁলোকে মাটিৰ কাৰুকাৰ্যৰ জৰিয়তে সৰলতা, পৰিশোধিত নান্দনিকতা আৰু গভীৰ সাংস্কৃতিক অৰ্থ প্ৰতিফলিত কৰি আহিছে। এই শিল্পই কেৱল জীৱিকাৰ উৎস হোৱাই নহয়, অসমৰ সাংস্কৃতিক পৰিচয়কো শক্তিশালী কৰি তুলিছে। প্ৰতীকপটৰ সন্মুখত স্থাপিত আকৰ্ষণীয় টেৰাকোটা মূৰ্তিটোৰ চাৰিওফালে বৃত্তাকাৰ আৰ্হিত সজোৱা মাটিৰ চাকিৰে পোহৰ দিয়া হৈছিল। এই চাকিবোৰে পোহৰ, ধাৰাবাহিকতা আৰু পৰম্পৰাৰ প্ৰতীক হিচাপে দৃশ্যগতভাৱে মনোহৰ কেন্দ্ৰবিন্দু হৈ পৰিছিল। টেবল'টোৰ ট্ৰেইলাৰ অংশটো অসমৰ চহকী বাঁহৰ ঐতিহ্য আৰু গ্ৰাম্য অৰ্থনীতিৰ লগতে বহনক্ষম উন্নয়নত ইয়াৰ গুৰুত্বপূৰ্ণ ভূমিকাক প্ৰতিফলিত কৰিবলৈ বাঁহৰ বেৰেৰে সজোৱা হৈছিল। অসমৰ নদীপথৰ পৰিচয়ক উদগনি দি এখন ৰূপৱতী ময়ূৰপংখী নাওৰ ৰূপত ডিজাইন কৰা হৈছিল এই ট্ৰেইলাৰখন। শিল্পীসকলে মাটি (হীৰামতী)ক দেৱ-দেৱীৰ ঐশ্বৰিক আকৃতিত গঢ় দিয়াৰ দৃশ্যই শিল্পৰ সৃষ্টিশীল প্ৰক্ৰিয়া আৰু আধ্যাত্মিক সাৰমৰ্মক উজ্জ্বল কৰি তুলিছিল। পিছফালে পৰম্পৰাগত পালে (পাল কেনভাছে) নাওখনৰ প্ৰামাণ্যতা বৃদ্ধি কৰি অসমৰ ঐতিহাসিক জলপথ, সংস্কৃতি আৰু ব্যৱসায়ৰ কথা মনত পেলাই দিছিল। পৰম্পৰাগত মেখেলা চাদৰ পৰিধান কৰি মহিলা শিল্পীসকলে মাটি আৰু নিজৰ সৃষ্টিৰ প্ৰতি গৌৰৱ প্ৰকাশ কৰি গীত গাই ছন্দময় গতিৰে যাত্ৰা কৰিছিল। তেওঁলোকৰ গীতসমূহে এনে এটা সম্প্ৰদায়ৰ আত্মবিশ্বাস আৰু আত্মনিৰ্ভৰশীলতাৰ প্ৰতীক হৈ পৰিছিল, যাৰ ঐতিহ্য-প্ৰেৰিত কাৰুকাৰ্যই বিশ্বব্যাপী স্বীকৃতি লাভ কৰিছে। আশাৰীকান্দিৰ এই প্ৰদৰ্শনে অসমৰ সাংস্কৃতিক ঐতিহ্যক ৰাষ্ট্ৰীয় পৰ্যায়ত উজ্জ্বল কৰি তুলিছে আৰু শিল্পীসকলৰ নিষ্ঠা আৰু সৃষ্টিশীলতাক সকলোৰে সন্মুখত প্ৰতিষ্ঠা কৰিছে। গণৰাজ্য দিৱসৰ এই মুহূৰ্তত অসমৰ টেৰাকোটা শিল্পই কৰ্তব্য পথত সঁচাকৈয়ে উজ্জ্বল প্ৰতিফলন ঘটাইছে।

## কৰ্তব্য পথত সামৰিক

একত্ৰিতভাৱে প্ৰত্যুত্তৰ দিবলৈ সক্ষম। অপাৰেচন সিন্দূৰৰ এই প্ৰতীকপটে কেৱল অতীতৰ সফলতাৰেই প্ৰতিফলন নহয়, ভৱিষ্যতৰ প্ৰযুক্তিনিৰ্ভৰ, মিছনকেন্দ্ৰিক আৰু দ্ৰুত প্ৰতিক্ৰিয়াশীল যুদ্ধ ৰূপান্তৰৰ দিশটোও উজ্জ্বল কৰি তুলিছে। জটিল যুদ্ধ পৰিস্থিতিত তিনিটা বাহিনীৰ নিৰৱচ্ছিন্ন সমন্বয় আৰু উন্নত অস্ত্ৰ-শস্ত্ৰৰ ব্যৱহাৰে ভাৰতৰ প্ৰতিৰক্ষা ব্যৱস্থাৰ শক্তিশালী ভিত্তিক প্ৰমাণ কৰিছে। উল্লেখ্য যে অপাৰেচন সিন্দূৰ আৰম্ভ হৈছিল ২০২৫ চনৰ ৭ মে'ৰ মাজনিশাৰ পৰা। জম্মু-কাশ্মীৰৰ পহেলগামত সংঘটিত পাকিস্তান সমৰ্থিত সন্ত্ৰাসবাদী আক্ৰমণত ২৬জন নিৰীহ নাগৰিকৰ মৃত্যু হোৱাৰ পিছত প্ৰতিশোধ স্বৰূপে ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে পাকিস্তান আৰু পাকিস্তান অধিকৃত কাশ্মীৰ (পিঅ'কৈ)ত থকা সন্ত্ৰাসবাদী শিবিৰসমূহত নিৰ্ভুল আক্ৰমণ চলাইছিল। ব্ৰহ্মোস, এছ-৪০০ আদি উন্নত অস্ত্ৰ-শস্ত্ৰৰ সফল ব্যৱহাৰেৰে এই অভিযানত ভাৰতে উল্লেখনীয় সফলতা লাভ কৰিছিল। ১০ মে'ত পাকিস্তানী সামৰিক কমাণ্ডাৰসকলে ক্ৰমবৰ্ধমান ক্ষয়-ক্ষতিৰ কথা উল্লেখ কৰি যুদ্ধবিৰতিৰ আবেদন জনোৱাৰ পিছত সংঘাতৰ অৱসান ঘটে। এই অভিযানে ভাৰতৰ "শূন্য সহনশীলতা" নীতিৰ দৃঢ়তাক পুনৰবাৰ প্ৰমাণ কৰিছে। গণৰাজ্য দিৱসৰ এই প্ৰতীকপটৰ জৰিয়তে ভাৰতে বিশ্বৰ আগত স্পষ্ট বাৰ্তা দিছে - দেশৰ সাৰ্বভৌমত্ব আৰু নাগৰিকৰ নিৰাপত্তাৰ বাবে ভাৰতীয় সশস্ত্ৰ বাহিনী যিকোনো পৰ্যায়লৈকে যুঁজ দিবলৈ সদায় সাজু। অপাৰেচন সিন্দূৰৰ এই প্ৰতীকায়নৰ মাজেৰে ভাৰতৰ সামৰিক শক্তি আৰু ঐক্যৰ নতুন অধ্যায়ৰ সূচনা হৈছে বুলি বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে।

## গণৰাজ্য দিৱসৰ পুৱাই

আজি পুৱা প্ৰায় ৮.৪৫ বজাত দুটা ভিন্ন দিশৰ পৰা সশস্ত্ৰ বিদ্ৰোহীয়ে গুলীচালনা কৰে। উল্লেখ্য যে, উক্ত গাঁওখন ভাৰত-ম্যানমাৰ সীমান্তৰ ১৬৮ নং পিলাৰৰ ওচৰত। ঘটনা সংঘটিত হোৱাৰ লগে লগে আছাম ৰাইফলছৰ জোৱানেও প্ৰত্যাক্ৰমণ কৰে। ঘটনাৰ সন্দৰ্ভত ভাৰতীয় সেনাই অঞ্চলজুৰি তীব্ৰ অভিযান অব্যাহত ৰাখিছে। এই সংঘৰ্ষত কোনো লোক হতাহতি হোৱাৰ খবৰ পোৱা নাই। ঘটনা সংঘটিত হোৱাৰ পাছতে দাঁতিকাষৰীয়া অঞ্চলৰ লোকক সতৰ্ক কৰি দিয়া হৈছে। সশস্ত্ৰ বিদ্ৰোহীৰ সন্ধানত অভিযান অধিক তীব্ৰতৰ কৰি তোলাৰ সমান্তৰালকৈ অতিৰিক্ত নিৰাপত্তা বাহিনীও নিয়োগ কৰা হৈছে। চাংলাঙৰ আৰক্ষী অধীক্ষক কিৰ্লি পাডুৱে জনোৱা মতে, তথ্য সংগ্ৰহৰ বাবে আৰক্ষীৰ দল প্ৰেৰণ কৰা হৈছে। কিন্তু অসম ৰাইফলছৰ পৰা এতিয়াও কোনো তথ্য পোৱা নাই বুলি আৰক্ষী অধীক্ষকগৰাকীয়ে প্ৰকাশ কৰে। ইফালে, এই সংঘটনাৰে কোন বিদ্ৰোহী সংগঠন জড়িত আছে সেয়া এইপৰ্যন্ত নিশ্চিত হোৱা নাই যদিও প্ৰকাশিত একাধিক প্ৰতিবেদনত আলফা(স্বাঃ) আৰু NSCN(K-YA) জড়িত থকা সন্দেহ প্ৰকাশ কৰা হৈছে।

## 'গণৰাজ্য দিৱসত ক'তো

উত্তোলন কৰি উদযাপনৰ সূচনা কৰিছে। কিন্তু এই গুৰুত্বপূৰ্ণ ক্ষণত লোকসভাৰ বিৰোধী দলৰ উপ-দলপতি তথা অসম কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈক ক'তো দেখা নগ'ল। তেওঁৰ এই অনুপস্থিতিয়ে সচেতন মহলত বিভিন্ন প্ৰশ্নৰ সৃষ্টি কৰিছে আৰু ৰাজনৈতিক চৰ্চাৰ জন্ম দিছে। দিল্লীত অনুষ্ঠিত মূল অনুষ্ঠানত গৌৰৱ গগৈক কোনো ধৰণৰ অংশগ্ৰহণত দেখা নগ'ল। ইয়াৰ উপৰিও অসম প্ৰদেশ কংগ্ৰেছৰ মুখ্য কাৰ্যালয় ৰাজীৱ ভৱনত আয়োজিত পতাকা উন্মোচন কাৰ্যসূচীতো তেওঁৰ অনুপস্থিতি লক্ষণীয় হৈ পৰিছে। গণৰাজ্য দিৱসৰ যিকোনো কাৰ্যসূচীত তেওঁক নেদেখি বহুতৰে মনত এই প্ৰশ্ন উঠিছে যে, গৌৰৱ গগৈয়ে এই জাতীয় উৎসৱ উদযাপন নকৰিলে নেকি? আনকি কোনো কোনো মহলে সন্দেহ প্ৰকাশ কৰিছে যে, পাকিস্তানৰ সৈতে থকা কোনো সম্পৰ্কৰ বাবে তেওঁ ভাৰতৰ গণৰাজ্য দিৱসত অংশগ্ৰহণ নকৰিলে নেকি? দেশৰ বিভিন্ন প্ৰান্তত যেতিয়া গণৰাজ্য দিৱসৰ উদযাপন চলি আছে, তেতিয়া গৌৰৱ গগৈৰ এই সম্পূৰ্ণ নিষ্ক্ৰিয়তাই সকলোকে বিস্মিত কৰিছে। তেওঁ কেৱল অসম কংগ্ৰেছৰ সভাপতি হোৱাই নহয়, এগৰাকী সাংসদ আৰু লোকসভাৰ বিৰোধী উপ-দলপতি হিচাপেও দায়িত্বশীল পদত আছে। সেয়েহে তেওঁৰ এই অনুপস্থিতিক বহুতে সহজভাৱে গ্ৰহণ কৰিব পৰা নাই। ৰাজনৈতিক বিশ্লেষকসকলে কয় যে, এনে এটা জাতীয় অনুষ্ঠানত নেতৃত্বৰ অংশগ্ৰহণ অতি গুৰুত্বপূৰ্ণ, আৰু তেওঁৰ নিৰুদ্দেশতাই পাৰ্টিৰ ভিতৰতো অসন্তোষৰ সৃষ্টি কৰিব পাৰে। এই বিষয়টোক লৈ ৰাজ্যিক বিজেপিয়েও কোনো সুযোগ হেৰুৱা নাই। এক্স (পূৰ্বৰ টুইটাৰ) যোগে বিজেপিৰ নেতাসকলে গৌৰৱ গগৈক কটাক্ষ কৰি পোষ্ট কৰিছে, য'ত তেওঁৰ অনুপস্থিতিক দেশপ্ৰেমৰ সৈতে জড়িত কৰি প্ৰশ্ন উত্থাপন কৰা হৈছে। বিজেপিৰ এজন মুখপাত্ৰই কয় যে, "গণৰাজ্য দিৱসৰ দিনা যেতিয়া সমগ্ৰ দেশ একত্ৰিত হৈ উদ্‌যাপন কৰিছে, তেতিয়া বিৰোধী নেতাৰ এনে নিষ্ক্ৰিয়তাই তেওঁলোকৰ ৰাজনৈতিক অৱস্থানক প্ৰশ্নৰ সন্মুখত থিয় কৰাইছে।" সচেতন মহলে এই বিষয়টোক লৈ আলোচনা চলাইছে যে, গৌৰৱ গগৈৰ এই আচৰণে কংগ্ৰেছ পাৰ্টিৰ ভিতৰতো অস্থিৰতাৰ সৃষ্টি কৰিব পাৰে। বিশেষকৈ অসমত যেতিয়া কংগ্ৰেছৰ সমৰ্থকসকলে পতাকা উন্মোচন কাৰ্যসূচীত অংশগ্ৰহণ কৰিছে, তেতিয়া সভাপতিৰ অনুপস্থিতিয়ে পাৰ্টিৰ নেতৃত্বৰ দুৰ্বলতাক প্ৰতিফলিত কৰিব পাৰে বুলি মত প্ৰকাশ কৰা হৈছে। গৌৰৱ গগৈৰ পৰা এই বিষয়ত কোনো স্পষ্টীকৰণ এতিয়ালৈকে অহা নাই, যাৰ ফলত সন্দেহ আৰু অধিক ঘনীভূত হৈ পৰিছে। এই ঘটনাই ৰাজনৈতিক মহলত নতুন বিতৰ্কৰ সূচনা কৰিছে আৰু আগন্তুক দিনত ইয়াৰ প্ৰভাৱ কংগ্ৰেছ পাৰ্টিৰ ওপৰত পৰিব বুলি ধাৰণা কৰা হৈছে। গণৰাজ্য দিৱসৰ এনে এটা দিনত নেতৃত্বৰ অনুপস্থিতিয়ে দেশৰ জনতাক চিন্তিত কৰিছে আৰু ৰাজনৈতিক দায়িত্বৰ প্ৰশ্ন উত্থাপন কৰিছে।

## খানাপাৰাত ৰাষ্ট্ৰীয় পতাকা

নিৰাপত্তা, নতুন অপৰাধমূলক আইনৰ ৰূপায়ণ, অপৰাধৰ হাৰ হ্ৰাস, কাৰাগাৰ আধুনিকীকৰণ আৰু ৰাজ্যৰ অৰ্থনৈতিক অগ্ৰগতিৰ বিষয়ে বিস্তৃতভাৱে আলোকপাত কৰে। ৰাজ্যপাল আচাৰ্যই উল্লেখ কৰে যে, বিদেশী ন্যায়াধিকৰণে অবৈধ বিদেশী বুলি ঘোষণা কৰা মুঠ ১.৭ লাখ লোকৰ ভিতৰত মাত্ৰ ৪৬৭ জনকহে অসমৰ পৰা নিজ নিজ দেশলৈ ঘূৰাই পঠিওৱা হৈছে। তেওঁ কয় যে, ৩১ অ'ৌবৰ, ২০২৫লৈকে প্ৰায় ৪.৩৫ লাখ সন্দেহযুক্ত নাগৰিকৰ গোচৰ বিদেশী ন্যায়াধিকৰণলৈ হস্তান্তৰ কৰা হৈছে। ইয়াৰ ভিতৰত ৩.৫ লাখতকৈ অধিক গোচৰ নিষ্পত্তি হৈছে, যাৰ ফলত প্ৰায় ১.৭ লাখ লোকক অবৈধ বিদেশী বুলি চিনাক্ত কৰা হৈছে। ভাষণত ৰাজ্যপালগৰাকীয়ে জনায় যে, কাছাৰ, শ্ৰীভূমি, ধুবুৰী আৰু দক্ষিণ শালমাৰা-মংকাঁচৰ জিলাসমূহত ভাৰত-বাংলাদেশ সীমান্তত বিএছএফ আৰু স্থানীয় আৰক্ষীৰ মাজত ঘনিষ্ঠ সমন্বয়ৰ জৰিয়তে ১৪টা সীমান্ত আউটপোষ্ট আৰু ১৪টা টহল চকী সক্ৰিয়ভাৱে কাৰ্যক্ষম হৈ আছে। এই ব্যৱস্থাই অবৈধ অনুপ্ৰৱেশ আৰু সীমা অতিক্ৰমৰ বিৰুদ্ধে ৰাজ্যৰ প্ৰতিৰক্ষা ব্যৱস্থাক যথেষ্ট শক্তিশালী কৰিছে। ৰাজ্যপালে গৌৰৱৰ সৈতে উল্লেখ কৰে যে, তিনিখন নতুন অপৰাধমূলক আইন—ভাৰতীয় ন্যায় সংহিতা (বিএনএছ), ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা (বিএনএছএছ) আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম (বিএছএ)—ৰূপায়ণৰ ক্ষেত্ৰত অসমে সকলো ৰাজ্যৰ ভিতৰত প্ৰথম স্থান লাভ কৰিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ মূল্যায়ন অনুসৰি এই ক্ষেত্ৰত অসম আগভাগত আছে। আচাৰ্যই জনায় যে, প্ৰতি লাখ জনসংখ্যাৰ অপৰাধৰ হাৰ ২০২১ চনত ৩৭৯ৰ পৰা ২০২৫ চনত ১২১.৬লৈ হ্ৰাস পাইছে। মহিলাৰ বিৰুদ্ধে অপৰাধৰ সংখ্যাও ২০২৪ চনত ১০, ৫৪৬টা গোচৰৰ পৰা ২০২৫ চনত ৪, ৪২৬টালৈ যথেষ্ট কমি আহিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ কাৰাগাৰ আধুনিকীকৰণ প্ৰকল্পৰ অধীনত কামৰূপ জিলাৰ হাজোত ১৫০জন কয়দী ৰাখিব পৰা উচ্চ নিৰাপত্তাসম্পন্ন কাৰাগাৰ নিৰ্মাণৰ কাম দ্ৰুতগতিত আগবাঢ়ি আছে বুলি তেওঁ উল্লেখ কৰে। বিত্তীয় ক্ষেত্ৰত ৰাজ্যপালে কয় যে, বিগত পাঁচ বছৰত দায়িত্বশীল বিত্তীয় ব্যৱস্থাপনা, স্থায়ী ৰাজহুৱা বিনিয়োগ আৰু সৰ্বাংগীণ প্ৰগতিৰ পথ গ্ৰহণ কৰাৰ ফলত অসমৰ অৰ্থনীতি শক্তিশালী হৈ উঠিছে। নিৰন্তৰ মূল্যত ২০১৯-২০ৰ পৰা ২০২৪-২৫ চনৰ ভিতৰত ৰাজ্যৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (জিএছডিপি) প্ৰায় ৪৫ শতাংশ বৃদ্ধি পাইছে, যিটো ৰাষ্ট্ৰীয় গড়তকৈ অধিক। বৰ্তমানৰ মূল্য অনুসৰি ২০২৫-২৬ বিত্তীয় বৰ্ষত জিএছডিপি ৭ লাখ কোটি টকা অতিক্ৰম কৰিব বুলি অনুমান কৰা হৈছে, যিটো ২০২০-২১ বিত্তীয় বৰ্ষৰ তুলনাত দুগুণতকৈও অধিক। মূলধনী ব্যয় ২০২০-২১ চনত প্ৰায় ১২, ৫০০ কোটি টকাৰ পৰা ২০২৪-২৫ চনত ২৬, ০০০ কোটি টকাৰ ওপৰলৈ বৃদ্ধি পাইছে। ২০২৩-২৪ বিত্তীয় বৰ্ষত অসমে দেশৰ সকলো ৰাজ্যৰ ভিতৰত সৰ্বাধিক ১৭.৪ শতাংশ বৃদ্ধিৰ হাৰ লাভ কৰিছে। ২০২৪-২৫ বিত্তীয় বৰ্ষতো শীৰ্ষ ছখন ৰাজ্যৰ ভিতৰত স্থান লাভ কৰাৰ সম্ভাৱনা আছে। প্ৰাথমিক হিচাপ অনুসৰি ২০২৪-২৫ বিত্তীয় বৰ্ষত জনমূৰি আয় প্ৰায় ১.৬ লাখ টকা হ'ব, যিটো যোৱা বছৰৰ তুলনাত ১০.৭ শতাংশ বৃদ্ধি। ৰাজ্যপালৰ এই ভাষণে অসমৰ নিৰাপত্তা, আইন-শৃংখলা আৰু অৰ্থনৈতিক ক্ষেত্ৰত হোৱা অগ্ৰগতিৰ প্ৰতিফলন ঘটাইছে আৰু ৰাজ্যবাসীৰ মাজত নতুন আশাৰ সঞ্চাৰ কৰিছে।

## গণৰাজ্য দিৱসৰ শুভেচ্ছা

সৈতে ভাৰতৰ সম্পৰ্কৰ গুৰুত্বক পুনৰ উজ্জ্বল কৰি তুলিছে। চীনৰ ৰাষ্ট্ৰপতি ছি জিনপিঙে ভাৰতৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুলৈ প্ৰেৰণ কৰা শুভেচ্ছা বাৰ্তাত ভাৰত আৰু চীনক 'ভাল প্ৰতিবেশী, বন্ধু আৰু অংশীদাৰ' বুলি অভিহিত কৰিছে। তেওঁ কয় যে, দুয়োখন দেশ আৰু ইয়াৰ জনতাৰ স্বাৰ্থত এই সম্পৰ্ক অহৰহ উন্নতিৰ পথত আগবাঢ়ি আছে। ছি জিনপিঙে বিখ্যাত ৰূপক ব্যৱহাৰ কৰি কয়, "ড্ৰেগন আৰু হাতী একেলগে নৃত্য কৰিলে দুয়োখন দেশৰ বাবে ই ইতিবাচক হ'ব।" তেওঁ আশা প্ৰকাশ কৰে যে, চীন আৰু ভাৰতে পৰস্পৰৰ সফলতাত সহায় কৰি সহযোগিতা আৰু উন্নয়নৰ অংশীদাৰ হিচাপে আগবাঢ়ি যাব। চীনৰ প্ৰধানমন্ত্ৰী লি কেকিয়াঙেও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ পৃথকভাৱে শুভ বাৰ্তা প্ৰেৰণ কৰিছে। উল্লেখ্য যে, ২০২০ চনৰ পৰা পূব লাডাখত সেনা গতিবিধিৰ ফলত দুয়োখন দেশৰ মাজত সম্পৰ্ক কিছু উত্তেজনাময় হৈ পৰিছিল। কিন্তু ২০২৪ চনত ৰাছিয়াৰ কাজানত অনুষ্ঠিত বৈঠক আৰু পিছত চীনৰ টিয়ানজিনত এছ চি অ' শীৰ্ষ সন্মিলনৰ সময়ত দ্বিতীয় বৈঠকৰ পিছত সম্পৰ্কত উন্নতিৰ সূচনা হৈছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ভাৰতৰ চৰকাৰ আৰু জনতাক হৃদয়ৰ পৰা শুভেচ্ছা জনাই কয় যে, আমেৰিকা আৰু ভাৰত বিশ্বৰ যথেষ্ট পুৰণি আৰু সৰ্ববৃহৎ গণতন্ত্ৰ। দুয়োখন দেশৰ মাজত এক ঐতিহাসিক সম্পৰ্ক আছে। দিল্লীত থকা আমেৰিকাৰ দূতাবাসে প্ৰকাশ কৰা এই বাৰ্তাত ট্ৰাম্পে ভাৰত-আমেৰিকাৰ সম্পৰ্কক 'historic bond' বুলি অভিহিত কৰিছে। বাণিজ্য আৰু শুল্ক সংক্ৰান্ত বিষয়ত কিছু উত্তেজনা থকাৰ মাজতেও এই শুভেচ্ছা বাৰ্তাই দুয়োখন দেশৰ মাজৰ গভীৰ সম্পৰ্কক প্ৰতিফলিত কৰিছে। এই শুভেচ্ছা বাৰ্তাসমূহে গণৰাজ্য দিৱসৰ উদযাপনক আৰু অধিক তাৎপৰ্যপূৰ্ণ কৰি তুলিছে আৰু ভাৰতৰ ৰাষ্ট্ৰীয় গৌৰৱক বিশ্বৰ সন্মুখত উজ্জ্বল কৰি তুলিছে।

## মাজুলীত পৰিভ্ৰমী চৰাইৰ

বিভিন্ন অঞ্চলৰ কৃষিপথাৰ আৰু আশে-পাশে ৫০টাৰো অধিক পৰিভ্ৰমী চৰাই মৃত অৱস্থাত উদ্ধাৰ হৈছে। কৰ্তৃপক্ষই এই মৃত্যুক বিষক্ৰিয়াৰ ফল বুলি সন্দেহ কৰিছে আৰু তদন্ত আৰম্ভ কৰিছে। মৃত চৰাইবোৰ মূলতঃ কমাৰগাঁও অঞ্চলৰ লগতে দক্ষিণপাট কুমাৰ গাঁও, চুমইমাৰী, ৰাৱনাগাঁও আদি নিকটৱৰ্তী অঞ্চলৰ ধানখেতি আৰু কৃষিভূমিত পোৱা গৈছে। বিষক্ৰিয়াৰ পৰা কোনোমতে ৰক্ষা পোৱা ৮টা চৰাইক ৰতনপুৰ পশু চিকিৎসালয়লৈ লৈ যোৱা হৈছে, য'ত সেইবোৰ বৰ্তমান চিকিৎসাধীন হৈ আছে। পশু চিকিৎসকসকলে জনোৱা মতে, চৰাইবোৰৰ অৱস্থা গুৰুতৰ যদিও কিছুমানৰ অৱস্থা স্থিতিশীল হৈ আহিছে। বিষয়াসকলৰ প্ৰাথমিক অনুমান অনুসৰি, খাদ্যৰ সন্ধানত পথাৰলৈ অহা এই পৰিভ্ৰমী চৰাইবোৰে অচিনাক্ত ব্যক্তি(সকল)ৰ দ্বাৰা কৃষিভূমিত ছটিয়াই দিয়া কীটনাশক বা অন্যান্য ৰাসায়নিক পদাৰ্থৰ সংস্পৰ্শলৈ আহিছে। কিছুমান ক্ষেত্ৰত ইচ্ছাকৃতভাৱে বিষ মিহলাই দিয়াৰ অভিযোগো উঠিছে, যিয়ে চৰাইবোৰৰ মৃত্যুৰ কাৰণ হৈছে। মাজুলীৰ শীতকালীন পৰিভ্ৰমী চৰাইৰ আগমনৰ সময়ত এনে ঘটনা পূৰ্বেও সংঘটিত হৈ আহিছে, যিয়ে স্থানীয় পৰিৱেশ আৰু জীৱবৈচিত্ৰ্যৰ প্ৰতি গুৰুতৰ আশংকাৰ সৃষ্টি কৰিছে। ঘটনাৰ পিছতে আৰক্ষী আৰু বন বিভাগৰ বিষয়াসকলে ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। মৃত চৰাইবোৰৰ পৰা নমুনা সংগ্ৰহ কৰি পৰীক্ষাগাৰলৈ পঠোৱা হৈছে যাতে বিষৰ প্ৰকাৰ আৰু কাৰণ স্পষ্ট হয়। ইয়াৰ উপৰিও সন্দেহযুক্ত অভিযোগৰ ভিত্তিত ১৭জন ব্যক্তিক জেৰাৰ বাবে আটক কৰা হৈছে বুলি বিষয়াসকলে জানিবলৈ দিছে। তদন্তৰ অগ্ৰগতিৰ লগে লগে প্ৰয়োজনীয় আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব। পৰিৱেশবিদ আৰু স্থানীয় সংৰক্ষণকৰ্তাসকলে এই ঘটনাক অতি গুৰুতৰ বুলি অভিহিত কৰি কয় যে, পৰিভ্ৰমী চৰাইৰ এনে মৃত্যুৱে পৰিৱেশৰ ভাৰসাম্য নষ্ট কৰাৰ লগতে মাজুলীৰ পৰ্যটন আৰু জীৱবৈচিত্ৰকো ক্ষতিগ্ৰস্ত কৰিব পাৰে। তেওঁলোকে কীটনাশকৰ অপব্যৱহাৰ ৰোধ আৰু সচেতনতা বৃদ্ধিৰ বাবে কঠোৰ পদক্ষেপৰ দাবী জনাইছে। এই ঘটনাই গণৰাজ্য দিৱসৰ দিনাই প্ৰকৃতি সংৰক্ষণৰ প্ৰতি নতুনকৈ প্ৰশ্ন উত্থাপন কৰিছে। কৰ্তৃপক্ষই দ্ৰুত তদন্ত সম্পন্ন কৰি দোষীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

## আমেৰিকাৰ মেইনত ৮ যাত্ৰী কঢ়িয়াই নিয়া

দুৰ্ঘটনাৰ বাতৰি পোৱা গৈছে। প্ৰাপ্ত খবৰ মতে, বেংগাৰ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ পৰা উৰা মৰাৰ কিছু সময় পিছতে এখন ব্যক্তিগত বিমান দুৰ্ঘটনাগ্ৰস্ত হয়। বিমানখনত ৮জন যাত্ৰী আছিল। সংবাদ প্ৰতিষ্ঠানৰ সূত্ৰ অনুসৰি, বৰ্তমানলৈ তেওঁলোকৰ কোনো তথ্য লাভ কৰা নাই। জানিব পৰা মতে, বিমানখন বম্বাৰ্ডিয়াৰ চেলেঞ্জাৰ ৬৫০ মডেলৰ এখন ব্যক্তিগত বিমান আছিল। সংবাদ প্ৰতিষ্ঠানৰ সূত্ৰ অনুসৰি, সন্ধিয়া ৭.৪৫ বজাত বিমানখন দুৰ্ঘটনাগ্ৰস্ত হয়। ঘটনাস্থলীত উপস্থিত হৈছে দুৰ্যোগ প্ৰশমন বাহিনী। FAA আৰু ৰাষ্ট্ৰীয় পৰিবহণ সুৰক্ষা বোৰ্ডে ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে। আমেৰিকাৰ বহু ঠাই প্ৰচণ্ড তুষাৰপাতৰ কৱলত পৰিছে। দেওবাৰে দেশৰ অন্যান্য প্ৰান্তৰ লগতে বেংগাৰতো প্ৰচণ্ড তুষাৰপাত হয়। এই বিমানবন্দৰৰ পৰা দেওবাৰে ব্যক্তিগত বিমানৰ বাহিৰে আন কোনো বিমান উৰা মৰা নাই। মেইনত এতিয়া তাপমাত্ৰা হিমশীতলৰ তললৈ নামিছে আৰু তুষাৰপাতৰ বাবে দৃশ্যমানতা হ্ৰাস পাইছে। সেয়েহে বেংগাৰ বিমানবন্দৰটো বৰ্তমান বন্ধ কৰি দিয়া হৈছে। বেংগাৰ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ বষ্টনৰ পৰা প্ৰায় ৩২০ কিলোমিটাৰ উত্তৰত অৱস্থিত। ইয়াৰ পৰা অৰলেণ্ডো, ফ্ল'ৰিডা, ৱাশ্বিংটন ডি চি আৰু শাৰ্লট, নৰ্থ কেৰ'লিনালৈ দৈনিক শ শ বিমান উৰে। তুষাৰপাতৰ ফলত বিমানবন্দৰটো ক্ষতিগ্ৰস্ত হৈছে। তুষাৰপাত আৰু শিলাবৃষ্টিৰ বাবে হাজাৰ হাজাৰ বিমান বাতিল কৰা হৈছে। ফ্লাইট ট্ৰেকাৰ flightaware.com ৰ মতে, আমেৰিকাত দেওবাৰে প্ৰায় ১২, ০০০ বিমানৰ উৰণ বাতিল কৰা হৈছে আৰু প্ৰায় ২০, ০০০ বিমানৰ সময়সূচী সলনি কৰা হৈছে। ফিলাডেলফিয়া, ৱাশ্বিংটন, বাল্টিমোৰ, নৰ্থ কেৰ'লিনা, নিউয়ৰ্ক আৰু নিউ জাৰ্ছিৰ বিমান বন্দৰসমূহ ক্ষতিগ্ৰস্ত হৈছে।

# জাগীৰোডত সদৌ অসম শ্বহীদ পৰিয়াল সমন্বয়ৰক্ষী পৰিষদৰ দ্বাদশ দ্বি-বাৰ্ষিক অধিৱেশনৰ সফল সামৰণি



**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২৬ জানুৱাৰী ঃ** জাগীৰোডত সদৌ অসম শ্বহীদ পৰিয়াল সমন্বয়ৰক্ষী পৰিষদৰ দ্বাদশ দ্বি বাৰ্ষিক অধিৱেশনখনি সদৌ অসম জাতীয় শ্বহীদ পৰিয়াল সমন্বয়ৰক্ষী পৰিষদৰ মৰিগাঁও জিলা সমিতিৰ আতিথ্যত ২৫ জানুৱাৰী দেওবাৰে দিনযোৱা কাৰ্যসূচীৰে জাগীৰোডৰ কলা মন্দিৰত অনুষ্ঠিত হৈ যায়। কাৰ্যসূচী অনুসৰি ৰাতিপুৱাৰ ভাগত পতাকা উত্তোলন আৰু শ্বহীদ তৰ্পণ কৰে ক্ৰমে সদৌ অসম শ্বহীদ পৰিয়াল সমন্বয়ৰক্ষী পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰাজেন ডেকা আৰু সম্পাদক চন্দ্ৰ কান্ত তালুকদাৰে। প্ৰতিনিধি শিবিৰ মুকলি কৰে শ্বহীদ লক্ষ্মী ডেকা মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ৰীভা ডেকাই। ইয়াৰ পিছতে সদৌ অসম শ্বহীদ পৰিয়াল সমন্বয়ৰক্ষী পৰিষদৰ সভাপতি ৰাজেন ডেকাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা প্ৰতিনিধি সভাখন উদ্বোধন কৰে সদৌ অসম শ্বহীদ পৰিয়াল সমন্বয়ৰক্ষী পৰিষদৰ উপদেষ্টা ড° বিৰিঞ্চি কুমাৰ শৰ্মাই, দ্বাদশ দ্বি বাৰ্ষিক অধিৱেশনৰ উদ্দেশ্য ব্যাখ্যা, শোকপ্ৰস্তাৱ আৰু বিগত লক্ষ্মীমপুৰ অধিৱেশনৰ প্ৰস্তাৱ আৰু সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে সদৌ অসম শ্বহীদ পৰিয়াল সমন্বয়ৰক্ষী পৰিষদৰ সম্পাদক চন্দ্ৰকান্ত তালুকদাৰে। তাৰ পিছতে অনুষ্ঠিত হয় প্ৰতিনিধিৰ সাধাৰণ সভা। সভাত বিভিন্ন জিলা সমিতি সমূহৰ পৰা অহা প্ৰতিনিধি সকলে ব্যক্তব্য প্ৰদান কৰাৰ লগতে আগন্তুক দিনত শ্বহীদ পৰিয়ালৰ সমস্যা সমূহ সমাধান কৰাৰ বাবে বিশদভাৱে আলোচনা কৰে। আগন্তুক দিনত অসমৰ ৮৬০ গৰাকী শ্বহীদ আৰু নিৰ্যাতিত পৰিয়ালৰ সমস্যা সমূহ সমাধানৰ বাবে পুনৰ পুৰণা কেন্দ্ৰীয় সমিতিখনকে বহাল ৰাখে যদিও পূৰ্বৰ ৩১ জনীয়া সমিতিখন কাম কৰাৰ সুবিধাৰ ৫১ জনলৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। উক্ত অধিৱেশনত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে যেনে ১৯৭১ চনৰ ২৫ মাৰ্চৰ পিছত অসমলৈ অহা সকলো বিদেশীক বহিষ্কাৰ কৰা, অসমত এখন শুদ্ধ এন আৰ চি প্ৰস্তুত কৰা, অসম আন্দোলনৰ সময়ত শ্বহীদ, নিৰ্যাতিত আৰু গুলীবিদ্ধ হোৱা পৰিয়ালৰ লোকক চৰকাৰী সাহায্য প্ৰদান কৰাৰ লগতে সংস্থাপনৰ ব্যৱস্থা কৰা আদি বিভিন্ন প্ৰস্তাৱ অসম চৰকাৰৰ জৰিয়তে ভাৰতৰ প্ৰধানমন্ত্ৰীলৈ প্ৰেৰণ কৰা হব বুলি সদৌ অসম শ্বহীদ পৰিয়াল সমন্বয়ৰক্ষী পৰিষদৰ সভাপতি ৰাজেন ডেকা আৰু সম্পাদক চন্দ্ৰকান্ত তালুকদাৰে জানিবলৈ দিয়ে। এনেদৰে মুকলি সভাৰ অন্তত সন্ধিয়া সমূহীয়া বন্তি প্ৰজ্বলন কাৰ্যসূচীত আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰে সদৌ অসম জাতীয় শ্বহীদ পৰিয়াল সমন্বয়ৰক্ষী পৰিষদৰ প্ৰচাৰ সম্পাদক চক্ৰধৰ কোঁৱৰ, আছুৰ প্ৰাক্তন ছাত্ৰনেতা, সমাজকৰ্মী অৰন্তী কুমাৰ বৰা, তিৱা স্বায়ত্ত্ব শাসিত পৰিষদৰ মনোনিত সদস্য খগেন চন্দ্ৰ দাস আৰু জাগীৰোড গাঁও পঞ্চায়তৰ সভাপতি সোণজ্যোতি নাথে।

## ধমধমাত নলবাৰী জিলা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশনত দিলীপ কুমাৰ দাস

**অসম বাৰ্তা, বাগানপাৰা, ২৬ জানুৱাৰী ঃ** সাহিত্যই জাতি এটাক সমৃদ্ধ কৰে। সাহিত্যৰে সমৃদ্ধিশালী জাতি এটাই চহকী জাতি হিচাপে বিশ্বত চিনাকি দিব পাৰে। গতিকে অসমীয়া ভাষা-সাহিত্যক সঠিকভাৱে বিশ্ব দৰবাৰলৈ নিয়াৰ ক্ষেত্ৰত সাহিত্য সভাৰ গুৰু দায়িত্ব আছে এই মন্তব্য অসম গণ পৰিষদ দলৰ কেন্দ্ৰীয় সম্পাদক তথা সমাজকৰ্মী দিলীপ কুমাৰ দাসৰ। ধমধমা আঞ্চলিক শাখা সাহিত্য সভাৰ উদ্যোগত ধমধমা আঞ্চলিক মহাবিদ্যালয়ত দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত নলবাৰী জিলা সাহিত্য সভাৰ অষ্টম বিশেষ অধিৱেশনখনৰ মূল বন্তি প্ৰজ্বলন কৰি অগপৰ নেতাগৰাকীয়ে এইদৰে কয়। পুৱা ধমধমা আঞ্চলিক শাখা সাহিত্য সভাৰ সভাপতি সুনন্দ ডেকাই পতাকা উত্তোলন কৰাৰ পিচতে নলবাৰী জিলা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক কংকনজ্যোতি কলিতাই ছহিদ তৰ্পণ, অৱসৰী শিক্ষক আনন্দ ৰাজবংশীয়ে মাল্যাৰ্পন কৰে। ইয়াৰ পিচতে প্ৰতিনিধি সভা অনুষ্ঠিত হয়। নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ডক্ষ বীৰেন কুমাৰ চক্ৰৱৰ্তীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখন উদ্বোধন কৰে নলবাৰী জিলাৰ জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে। সভাত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই মুখ্য অতিথি, অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই বিশিষ্ট অতিথি আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ডক্ষউপেন্দ্ৰজিৎ শৰ্মাই সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে। সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° অৰুনী কুমাৰ ভাগৱতীক নলবাৰী ৰত্ন সন্মান আৰু ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° মুকুন্দ শৰ্মাক শিক্ষাৰত্ন সন্মান আৰু সাহিত্যসেৱী বীৰেন্দ্ৰ নাথ শৰ্মাক সাহিত্য সুবাস সন্মান প্ৰদান কৰাৰ লগতে যুৱ সাহিত্য বঁটা প্ৰাপক কবি-ঔপন্যাসিক ৰঞ্জিত পাটগিৰি আৰু গীতিমা ভাগৱতীক সম্বৰ্ধনা জনোৱা হয়।

## বিহালী সম-জিলাতো বৰ্ণাঢ্য কাৰ্যসূচীৰে ৭৭ সংখ্যক গণৰাজ্য দিৱস উদ্‌যাপন

**অসম বাৰ্তা, বিহালী, ২৬ জানুৱাৰী ঃ** ৰাজ্যৰ অন্যান্য প্ৰান্তৰৰ লগতে বিহালী সম জিলাতো উদ্‌যাপন কৰা হৈছে ৭৭ সংখ্যক গণৰাজ্য দিৱস। বিহালী সমজিলা প্ৰশাসনৰ উদ্যোগত বিহালী স্নাতক মহাবিদ্যালয় খেলপথাৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপিত হয় ৭৭ সংখ্যক গণৰাজ্য দিৱস। বিহালী সমজিলাৰ আয়ুক্ত প্ৰভাত পেগুৱে পতাকা উত্তোলন কৰাৰ পিছতেই বিহালীৰ ৰাইজক উদ্দেশ্যি গণৰাজ্য দিৱস সন্দৰ্ভত বক্তব্য প্ৰদান কৰে, ভাষণত শ্বহীদ সকলক স্মৰণ কৰে, লগতে বিহালীৰ উন্নয়নৰ খতিয়ান ডাঙি ধৰে। তাৰ পিছতেই বিহালী আৰক্ষীৰ লগতে NCC দল সমূহৰ লগতে ৰাইন' ডিফেঞ্চ একাডেমীয়ে কুছ-কাৱাজ পৰিৱেশন কৰে। বিভিন্ন বিভাগৰ দ্বাৰা প্ৰদৰ্শনীৰ বাবে প্ৰস্তুত কৰি অনা আৰ্হি প্ৰদৰ্শন কৰাৰ লগতে সমান্তৰাল ভাৱে বিহালী শিক্ষা বিভাগৰ দ্বাৰা 'চাহ বাগিচ আদৰ্শ বিদ্যালয়'ৰ প্ৰদৰ্শনীয়ে সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। তদুপৰি দেশপ্ৰেমমূলক গীত-নৃত্য আৰু বিহুনৃত্যৰ লগতে কলাশ্ৰী বিনোদ খনালৰ নেতৃত্বত ছাত্ৰ ছাত্ৰীৰ দ্বাৰা খুকুৰী নৃত্য পৰিৱেশনেও যথেষ্ট সমাদৰ লাভ কৰে। এই অনুষ্ঠানত বিহালীৰ বিধায়ক দিগন্ত ঘাটোৱাল, সমাজ কৰ্মী প্ৰেমলাল গঞ্জু, সম জিলাৰ সহআয়ুক্ত দিপ্তীৰেখা হাজৰিকা, সম জিলা কাৰ্য্যালয়ৰ বিষয়-ববীয়া, সম-জিলা আৰক্ষী অধীক্ষক গৌৰৱ ভট্টাচাৰ্য্যৰ লগতে বিভিন্ন বিভাগৰ বিষয়া, আৰক্ষী, শিক্ষক সমন্বিতে স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। অন্যহাতে NCC পেৰেড প্ৰৰ্দশনৰ ক্ষেত্ৰত বিহালী মহাবিদ্যালয়ে প্ৰথম আৰু জ্ঞানম একাডেমীয়ে এই প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়।

## ২৯ জানুৱাৰীৰ পৰা মিকিৰভেটাত মৰিগাঁও জিলা সাহিত্য সভাৰ দ্বাদশ বিশেষ বাৰ্ষিক অধিৱেশন

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২৫ জানুৱাৰী ঃ** অসমৰ ভাষা সাহিত্য, বিভিন্ন জাতি-জনগোষ্ঠীৰ বৰ্ণালী কলা-সংস্কৃতি উত্তৰণৰ বাবে ১৯৯১ চনতে প্ৰতিষ্ঠা লাভ কৰা মৰিগাঁও জিলা সাহিত্য সভাই গৌৰৱময় ৩৪টা বসন্ত অতিক্ৰম কৰিলে। গৌৰৱময় ক্ষণৰ এই বৰ্ষত মৰিগাঁও জিলা সাহিত্য সভাৰ অন্যতম শাখা মিকিৰভেটা আঞ্চলিক শাখা সাহিত্য সভাৰ আতিথ্যত অহা ২৯ আৰু ৩০ জানুৱাৰীত দুদিনীয়া বৰ্ণিল কাৰ্যসূচীৰে মৰিগাঁও জিলা সাহিত্য সভাৰ দ্বাদশ বিশেষ বাৰ্ষিক অধিৱেশনখনি অনুষ্ঠিত হব। অসমৰ স্বকীয় সমন্বয় আৰু সত্তাক জীপাল কৰি ৰাখিবলৈ অনুষ্ঠিত হ'ব লগা দ্বাদশ বিশেষ বাৰ্ষিক অধিৱেশনখনিৰ কাৰ্যসূচী অনুসৰি ২৯ জানুৱাৰী পুৱা ৮-৪৫ বজাত অসম সাহিত্য সভাৰ পতাকা উত্তোলনৰ লগতে ৩৪খন পতাকা উত্তোলনেৰে কাৰ্যসূচী আৰম্ভ হৈ পৰৱৰ্তী স্মৃতি তৰ্পণ, বন্তিপ্ৰজ্বলন, শ্বহীদ তৰ্পণ, মূল তোৰণ শুভ উদ্বোধন, আৰু ১১ বজাৰ পৰা এখনি কবি সন্মিলন অনুষ্ঠিত হ'ব। দিনৰ ১-৩০ বজাত প্ৰতিনিধি সভা। এই প্ৰতিনিধি সভাখনি শুভ উদ্বোধন কৰিব অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানেৰে প্ৰথম দিনৰ কাৰ্যসূচী সমাপন হব। আনহাতে ৩০ জানুৱাৰী দ্বিতীয় দিনা পুৱা ১০ বজাত সাংস্কৃতিক শোভাযাত্ৰাৰে কাৰ্যসূচী আৰম্ভ হৈ ১১-৩০ বজাত জিলা সাহিত্য সভাৰ আকাশ আৰু কুঁহি সমিতিৰ উদ্যোগত "শিশুৰ বৌদ্ধিক বিকাশত মাতৃৰ ভূমিকা" শীৰ্ষক এখনি আলোচনা সত্ৰ অনুষ্ঠিত হব। বিয়লি ১ বজাৰ পৰা এখন মুকলি সভা অনুষ্ঠিত হ'ব। মুকলি সভাতে জিলা সাহিত্য সভাৰ পত্ৰিকা উন্মোচন কৰিব তিৱা স্বায়ত্ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰে। লগতে এখনি স্মৃতিগ্ৰন্থও উন্মোচন কৰা হ'ব।

# যোৰহাটত বিস্তৃত কাৰ্যসূচীৰে ৭৭ সংখ্যক গণৰাজ্য দিৱস উদ্‌যাপন

**অসম বাৰ্তা, যোৰহাট, ২৬ জানুৱাৰী ঃ** আজি সমগ্ৰ দেশৰ সমান্তৰালকৈ যোৰহাটতো বৰ্ণাঢ্য কাৰ্যসূচীৰে দেশৰ ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰা হয়। যোৰহাট জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত আয়োজিত গণৰাজ্য দিৱসৰ মূল অনুষ্ঠানত বিপুল জনতাৰ উপস্থিতিত আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে ৰাজ্যৰ কৃষি আৰু উদ্যান শস্য, আবকাৰী, সীমান্ত সুৰক্ষা আৰু উন্নয়ন, অসম চুক্তি ৰূপায়ণ আদি দপ্তৰৰ মন্ত্ৰী অতুল বৰা ডাঙৰীয়াই। ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি প্ৰদান কৰা ভাষণত মন্ত্ৰীগৰাকীয়ে জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ লগতে স্বাধীনতা সংগ্ৰামৰ নেতৃবৃন্দ, মুক্তি যুঁজাৰুসকল আৰু স্বাধীনতা সংগ্ৰামৰ শ্বহীদসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰাৰ লগতে স্বাধীন ভাৰতৰ সংবিধান প্ৰণেতা ড° ভীমৰাও ৰামজী আম্বেদকাৰ আৰু সংবিধান সভাৰ লগত জড়িত দেশৰ মহান নেতাসকলকো শ্ৰদ্ধাৰে স্মৰণ কৰে। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বৰ্তমানৰ চৰকাৰখনে ৰাজ্যখনক দেশৰ ভিতৰত অন্যতম সমৃদ্ধিশালী ৰাজ্য হিচাপে গঢ়ি তোলাৰ লক্ষ্য লৈ কাম কৰি আছেবুলি উল্লেখ কৰে। ৰাজ্যখনৰ আন জিলাৰ লগতে যোৰহাট জিলাতো কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন কল্যাণকামী আঁচনিসমূহ ৰূপায়ণ কৰি থকা হৈছে। মন্ত্ৰীগৰাকীয়ে বৰ্তমান চৰকাৰৰ কাৰ্যকালত জিলাখনৰ বিভিন্ন বিভাগৰ কাম-কাজৰ অগ্ৰগতি তথা উন্নয়নৰ খতিয়ান দাঙি ধৰি বিশ্বৰ বৃহত্তম গণৰাজ্যৰ নাগৰিক হিচাপে নিজৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰি সমাজ তথা দেশৰ উন্নয়নৰ বাবে অৰিহণা আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। ইয়াৰোপৰি যোৰহাট জিলা আয়ুক্তগৰাকীয়ে জিলাখনত সকলো বিভাগৰ সমন্বয়ৰ জৰিয়তে ৰাইজৰ সেৱাত ব্ৰতী হোৱাৰ ক্ষেত্ৰত লোৱা ভূমিকাক মন্ত্ৰীগৰাকীয়ে আদৰণি জনোৱাৰ লগতে জিলাখনত এনে প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ আহ্বান জনায়। গণৰাজ্য দিৱস উদযাপন অনুষ্ঠানত মুখ্য অতিথি মাননীয় মন্ত্ৰী মহোদয়ে কেন্দ্ৰীয় সংৰক্ষিত পুলিচ বাহিনী, কেন্দ্ৰীয় উদ্যোগিক সুৰক্ষা বাহিনী, অসম আৰক্ষী, গৃহৰক্ষী, অসামৰিক প্ৰতিৰক্ষা বিভাগ, এন, চি, চি, স্কাউট গাইড আদিৰ কুচ-কাৱাজৰ অভিবাদন গ্ৰহণ কৰে। তদুপৰি আজিৰ অনুষ্ঠানত জিলাখনৰ বিভিন্ন বিভাগৰ দ্বাৰা প্ৰদৰ্শন কৰা প্ৰতীক পদত জিলা পৰিবহণ বিভাগে প্ৰথম স্থান, জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই দ্বিতীয় স্থান আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগে তৃতীয় স্থান লাভ কৰে। আজিৰ অনুষ্ঠানত যোৰহাট বিধানসভা সমষ্টিৰ মাননিয় বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, জিলা আয়ুক্ত, জেষ্ঠ আৰক্ষী অধীক্ষক প্ৰমুখ্যে বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া আৰু জিলা-প্ৰশাসন, আৰক্ষী প্ৰশাসনৰ বিষয়া-কৰ্মচাৰীসকলৰ লগতে কেইবাশতাধিক ৰাইজ উপস্থিত থাকে। কুচ-কাৱাজত অংশগ্ৰহণ কৰা দলসমূহৰ ভিতৰত গ্ৰুপ 'ক'ত চি.আই.এছ. এফ ইউনিত অ. এন.জি. চি চিনামৰাই প্ৰথম স্থান, ১১৯ নং বেটেলিয়ান চি. আৰ. পি. এফ ৰৰৈয়াই দ্বিতীয় স্থান আৰু যোৰহাট মহিলা আৰক্ষী দলে তৃতীয় স্থান লাভ কৰে, গ্ৰুপ 'খ'ত 9 Assam Bn NCC (ল'ৰা)য়ে প্ৰথম স্থান, অসামৰিক প্ৰতিৰক্ষা বিভাগ(ছোৱালী) য়ে দ্বিতীয় স্থান আৰু যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়ে তৃতীয় স্থান লাভ কৰে আৰু গ্ৰুপ 'গ'ত সহদেৱ মেমৰিয়েল ইংৰাজী বিদ্যালয়ে প্ৰথম স্থান, গীতাৰ্থী বিদ্যালয়ৰ গাইডৰ দলে দ্বিতীয় স্থান, শংকৰদেৱ চেমিনাৰী বিদ্যালয়ৰ NCC দলে তৃতীয় স্থান আৰু জয়া বিদ্যাপীঠৰ গাাইডৰ দলে উদগণিমূলক স্থান লাভ কৰিবলৈ সক্ষম হয়। তদুপৰি আজিৰ অনুষ্ঠানত প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় শিশু বঁটা লাভ কৰা যোৰহাটৰ আইচি প্ৰিযা বৰাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। আজিৰ অনুষ্ঠানত বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শন কৰি শিল্পীসকলে অনুষ্ঠানটো অধিক জীপাল কৰি তোলে। পুৱা জনসংযোগ বিভাগৰ দ্বাৰা দেশপ্ৰেমমূলক গীতৰ প্ৰচাৰেৰে আজি আৰম্ভ হোৱা অনুষ্ঠানটিত মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত মাল্য অৰ্পণ, বাগ্মীবৰ নীলমণি ফুকন, প্ৰয়াত মুক্তিযোদ্ধা কুলধৰ চলিহা আৰু কৃষ্ণনাথ শৰ্মাৰ সমাধিস্থলত স্মৃতি তৰ্পণ কাৰ্যসূচী সম্পন্ন কৰাৰ লগতে যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়, জিলা-কাৰাগাৰ, মহেন্দ্ৰ নগৰ মুকলি কাৰাগাৰ, হৰিজন ক'লনি, অমৰাৱতী বৃদ্ধাশ্ৰম, প্ৰশান্তি নিলয় বৃদ্ধাশ্ৰম, অন্ধ আৰু মূক বধিৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত স্বেচ্ছাসেৱী সংগঠন সমূহৰ জৰিয়তে ফল-মূল বিতৰণ কৰা কাৰ্যসূচী হাতত লোৱা হয়।

অধিৱেশনৰ লগত সংগতি ৰাখি দুপৰীয়াৰ ভাগত উলিওৱা হয় এক বিশাল বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা

# ঢেকীয়াজুলি শ্বহীদ ময়দান প্ৰাঙ্গণত শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ চতুৰ্দশ অধিৱেশন

**ষ্টাফ ৰিপৰ্টাৰ, ঢেকীয়াজুলি, ২৬ জানুৱাৰী ঃ** সদৌ শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ চতুৰ্দশ অধিৱেশন আজি শ্বহীদ নগৰী ঢেকীয়াজুলিত দিনযোৱা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। ঢেকীয়াজুলিৰ শ্বহীদ ময়দান প্ৰাঙ্গণত অনুষ্ঠিত এই অধিৱেশনৰ আজি পুৱা ১০ বজাত পতাকা উত্তোলন কৰে সদৌ শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি অভিজিৎ নাথে আৰু শ্বহীদ তৰ্পন অনুষ্ঠান মুকলি কৰে সাধাৰণ সম্পাদক অৰূপ তালুকদাৰে। ইয়াৰ পাছতে ঢেকীয়াজুলি শ্বহীদ ময়ানৰ পৰা উলিওৱা হয় বিশাল সমন্বয় সাংস্কৃতিক শোভাযাত্ৰা। সমন্বয় সাংস্কৃতিক শোভাযাত্ৰা মুকলি কৰি সাংবাদিকৰে হোৱা এক সাক্ষাৎকাৰত কেন্দ্ৰীয় সভাপতি উৎপল শৰ্মাই কয়- ঢেকীয়াজুলিৰ সমূহ ৰাইজে বিভিন্ন ভাষাভাষী জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে এই শোভাযাত্ৰাত উপস্থিত থাকি পুনৰবাৰ প্ৰমাণ কৰিলে যে অসমৰ খিলঞ্জীয়া মানুহ ঐক্যবদ্ধ হৈ আছিল আৰু আছে আৰু ঐক্যবদ্ধ হৈ থাকিব। জাতি-ধৰ্ম-বৰ্ণৰ নামত অসমখন ভাগ ভাগ কৰিব বিছৰা সকলো শক্তিক ৰাজনীতিৰ নামত জাতি ধৰ্ম বৰ্ণৰ ভাগ ভাগ অসমত নচলিব। অসমৰ খিলঞ্জীয়া মানুহ ঐক্যবদ্ধ হৈ আছিল আৰু ঐক্যবদ্ধ হৈ থাকিব। অসমত কেৱল খিলঞ্জীয়াবাদ চলিব বুলি মন্তব্য কৰে কেন্দ্ৰীয় সভাপতি উৎপল শৰ্মাই। তেওঁ আৰু কয়-আমি ইয়াত আহি উপলব্ধি কৰিব পাৰিছোঁ যে- ঢেকীয়াজুলি হৈছে ক্ষুদ্ৰ অসম। এনেকুৱা কোনো জাতি-জনজাতি জনগোষ্ঠী অসমত নাই যিটো পাবলৈ নাই। ঢেকীয়াজুলি অণ্চলৰ ৰাইজে সঁচা অৰ্থত অসমৰ মানুহ কি দৰে জাতি জনগোষ্ঠী ধৰ্মৰ উৰ্ধত গৈ অসমীয়া হিচাপে খিলঞ্জীয়া হিচাপে একত্ৰিত হৈ থাকে সেই নিদৰ্শন যুগে যুগে দাঙি আহিছে। ঢেকীয়াজুলিবাসী ৰাইজৰ আতিথ্যত সদৌ শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ অধিৱেশনখন সৰ্বাংগ সুন্দৰ হব আৰু আগৰ দৰে ভৱিষ্যতেও ঢেকীয়াজুলিবাসী ৰাইজে শোণিতপুৰ জিলাৰ ৰাইজে ছাত্ৰ সন্থাৰ প্ৰতি নিজৰ অভিভাৱকত্ব, সমৰ্থন সহযোগিতা সদায় অভ্যহত ৰাখিব বুলি আশা ব্যক্ত কৰে কেন্দ্ৰীয় সভাপতি গৰাকীয়ে। সদৌ শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ ঢেকীয়াজুলি আণ্ষলিক সমিতিৰ উদ্যোগত আৰু আৰু ঢেকীয়াজুলিবাসী ৰাইজৰ সহযোগত দিনযোৱা কাৰ্যসুচীৰে অনুষ্ঠিত অধিৱেশনৰ কাৰ্যসূচীত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি নিতুল বৰা, সাংগঠনিক সম্পাদক নয়নজ্যোতি গগৈ, অসমীয়া ছবি জগতৰ জনপ্ৰিয় অভিনেতা নয়ন নীলিম, জনপ্ৰিয় অভিনেত্ৰী এশ্বশ্ৰী ভূঁঞা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ মুখ্য উপদেষ্টা ৰাণা প্ৰতাপ বৰুৱাৰ লগতে অভ্যৰ্থনা সমিতিৰ সভাপতি ড° শুকদেৱ অধিকাৰী, কাৰ্যকৰী সভাপতি কাজল বৰা, উপ-সভাপতি কুলদ্বীপ শইকীয়া, নয়ন কলিতা, প্ৰাণজিৎ নাথ আৰু সাধাৰণ সম্পাদক শংকৰ দাসৰ লগতে সদৌ শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ বিভিন্ন আণ্চলিক সমিতিৰ বিষয়ববীয়া আৰু সদস্য সকল, বিভিন্ন ছাত্ৰ সংগঠনৰ প্ৰতিনিধি, স্থানীয় ৰাইজ আৰু বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে অংশগ্ৰহণ কৰে। আবেলি অনুষ্ঠিত হয় সদৌ শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ অধিৱেশনৰ প্ৰতিনিধি সভা।

# বাঁহৰ দলঙেই ভৰসা!
# উন্নয়নৰ প্ৰতিশ্ৰুতিৰ মাজতে বিপদসংকুল যাতায়াত

**অসম বাৰ্তা, মাণিকপুৰ, ২৬ জানুৱাৰী ঃ** বঙাইগাঁও জিলাৰ ১৭ নং সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ অন্তৰ্গত ৫ নং বাশঁবাৰী বজাৰৰ পৰা ওচমানী বজাৰলৈ যোৱা গুৰুত্বপূৰ্ণ মানাহ নদীৰ ওপৰত এতিয়াও স্থায়ী দলঙৰ সলনি মাথোঁ এখন অস্থায়ী বাহৰ দলঙেই ৰাইজৰ একমাত্ৰ ভৰসা। ছবিখনত স্পষ্টকৈ দেখা যায়- পাতল বাঁহ, খেৰ আৰু কাঠৰ ফলা লগাই কোনোমতে সাজি তোলা এই দলঙখনৰ ওপৰেৰে দৈনিক হাজাৰ হাজাৰ লোক জীৱন-মৰণৰ জুৱাঁ খেলি যাতায়াত কৰিবলৈ বাধ্য হৈছে। বিদ্যালয়লৈ যোৱা ছাত্ৰ-ছাত্ৰী, বজাৰলৈ অহা ব্যৱসায়ী, অসুখীয়া ৰোগী অথবা সাধাৰণ পথচাৰী-সকলোৰে বাবে এইবাহৰ দলং এখন ভয়াৱহ বিপদৰ কাৰণ হৈ পৰিছে। বৰষুণ বা বান আহিলে অৱস্থা আৰু অধিক শোচনীয় হয়। যিকোনো মুহূৰ্ততে দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকা থাকিলেও আজিলৈকে এই সমস্যাৰ স্থায়ী সমাধান হোৱা নাই। উল্লেখযোগ্য যে, এই অঞ্চলটো কংগ্ৰেছ দলৰ বিধায়ক আব্দুল বাতিন খন্দকাৰৰ প্ৰতিনিধিত্ব কৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত। নিৰ্বাচনৰ সময়ত উন্নয়ন, পথ-দলঙৰ আশ্বাস দিয়া হৈছিল যদিও বাস্তৱ ক্ষেত্ৰত আজিও ৰাইজে উন্নয়নৰ সুফল নাপালে বুলি অভিযোগ উত্থাপন কৰিছে স্থানীয় লোকসকলে। ৰাইজৰ প্ৰশ্ন- এই বাহৰ দলঙেই নে উন্নয়নৰ চিন? কেতিয়া পাব মানাহ নদীৰ ওপৰত এখন সুৰক্ষিত, পকা দলং? এতিয়ালৈকে এই গুৰুত্বপূৰ্ণ যাতায়াত ব্যৱস্থাৰ প্ৰতি জনপ্ৰতিনিধি আৰু বিভাগীয় কৰ্তৃপক্ষৰ উদাসীনতাই ৰাইজৰ ক্ষোভ অধিক তীব্ৰ কৰি তুলিছে।

# নগাঁৱৰ ডিউ কেয়াৰ হাস্পতালত ব্লাড বেংক মুকলি



**অসম বাৰ্তা, বঢ়মপুৰ, ২৬ জানুৱাৰী ঃ** মধ্য অসমৰ আগশাৰীৰ চিকিৎসা প্ৰতিষ্ঠান নগাঁৱৰ ডিউ কেয়াৰ হাস্পতালৰ নতুনকৈ সংস্থাপিত ৰক্ত কেন্দ্ৰটি দেওবাৰে সন্ধিয়া মুকলি কৰা হয়। ভাৰত চৰকাৰৰ বিভাগীয় অনুজ্ঞাপত্ৰ লৈ নিৰ্মাণ কৰা এই ৰক্ত কেন্দ্ৰটি ফিতা কাটি মুকলি কৰে নগাঁও লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুত বৰদলৈয়ে। বিগত ১৫ বছৰ ধৰি চিকিৎসা সেৱা আগবঢ়াই অহা ডিউ কেয়াৰ হাস্পতালৰ এই ৰক্ত কেন্দ্ৰটিত ২৪ ঘণ্টাই সেৱা উপলব্ধ হ'ব বুলি হাস্পতাল কৰ্তৃপক্ষৰ পৰা জানিব পৰা গৈছে। উদ্বোধনী অনুষ্ঠানত চিকিৎসা প্ৰতিষ্ঠানটিৰ পৰিচালন সঞ্চালক তথা বিশিষ্ট শল্য চিকিৎসক ডাঃ ফৰিদুল হুছেইনকে ধৰি ইউচুফ মেম'ৰিয়েল চ'ছাইটি আৰু চিকিৎসালয়খনৰ সমূহ কৰ্মকৰ্তা উপস্থিত থাকে।

# বকো ছয়গাঁও সমষ্টিৰ সম জিলাত ৭৭ সংখ্যক গণৰাজ্য দিৱস পালন

**অসম বাৰ্তা, বকো, ২৫ জানুৱাৰী ঃ** আজি ৭৭ সংখ্যক গণৰাজ্য দিৱস। সমগ্ৰ দেশৰ লগতে কামৰূপ জিলাৰ বকোতো ৰাজহুৱাভাৱে সুঁৱৰি ক্ষেত্ৰত অতি উলহ-মালহেৰে উদ্‌যাপন কৰা হয় গণৰাজ্য দিৱসৰ বৰ্ণাঢ্য কাৰ্যসূচী। বকো ছয়গাঁও সম জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত গৌৰৱোজ্জ্বল ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ লগত সংগতি ৰাখি পুৱা ৯ বজাৰ লগে-লগেই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে সম-জিলা আয়ুক্ত প্ৰিয়াংশু ভৰদ্বাজে। ৰাষ্ট্ৰীয় পতাকা উত্তোলন পিছতে নিজৰ ভাষণ প্ৰসংগত সম-জিলা আয়ুক্ত প্ৰিয়াংশু ভৰদ্বাজে কয় যে, বিগত সময়ত বকো ছয়গাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত বিভিন্ন কাম কাজৰ খতিয়ান দাঙি ধৰে আৰু বৰ্তমানে চলি থকা কাম কাজৰ ক্ষিপ্ৰ অগ্ৰগতি, বিভিন্ন চৰকাৰী আঁচনি সমূহৰ সফল ৰূপায়ণৰ বিষয়ে বক্তব্য দাঙি ধৰা পৰিলক্ষিত হয়। ইয়াৰ পিছত সম জিলা আয়ুক্তলৈ অভিবাদন জনাই আৰক্ষী জোৱানসকলৰ লগতে বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়ৰ পৰা অহা এনচিচি, স্কাউট গাইড গোট তথা ছাত্ৰ-ছাত্ৰীৰ দলৰ দ্বাৰা মাষ্ট ফাষ্ট প্ৰদৰ্শন কৰা হয়। ইফালে, গণৰাজ্য দিৱস কাৰ্যসূচীত মাষ্ট ফাষ্ট অংশগ্ৰহণ কৰি শ্ৰেষ্ঠতা পাৰদৰ্শিতা প্ৰদৰ্শন কৰা প্ৰতিটো দলৰ দলপতিলৈ আমন্ত্ৰিত বিশিষ্ট অতিথিৰ দ্বাৰা বঁটা প্ৰদান হয়। তদুপৰি বকো ছয়গাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত বিভিন্ন চৰকাৰী কাৰ্যালয়ৰ বিপণী প্ৰদৰ্শন, গছপুলি বিতৰণ, টাইকোৱানডো প্ৰদৰ্শনৰ লগতে অঞ্চলটোৰ ৰাভা, বড়ো আৰু অন্যান্য জনগোষ্ঠীয় নৃত্য প্ৰদৰ্শন কৰোৱা হয়। উল্লেখ্য যে, গণৰাজ্য দিৱসৰ কাৰ্যসূচীতে সৰ্বসাধাৰণ ৰাইজলৈ আগবঢ়োৱা অৱদানৰ বাবে বকো আৰক্ষী থানাৰ আৰক্ষী বিষয়া অতুল ডেকালৈ সাহসিকতাৰ বঁটা প্ৰদান কৰা হয়। উক্ত কাৰ্যসূচীত বকো অঞ্চলৰ প্ৰতিভাৱান শিল্পীৰ জৰিয়তে দেশপ্ৰেমমূলক গীত পৰিৱেশন আৰু সৰ্বসাধাৰণ লোকে ৰন্ধন গেছ ব্যৱহাৰৰ ক্ষেত্ৰত ল'বলগীয়া সাৱধানতা বিষয়ে বকোৰ নন্দিনী গেছ এজেন্সিৰ কৰ্মচাৰীসকলেও ডেমো প্ৰদৰ্শন কৰোৱাই ৰাইজক উপকৃত কৰে। প্ৰকাশ্য যে, গণৰাজ্য দিৱস কাৰ্যসূচীত বকোৰ ৰাজহ চক্ৰ বিষয়া দিৱস বৰদলৈ, বকো উন্নয়ন খণ্ডৰ বিডিঅ' ৰাজীৱ দাস, বকো আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মুন্না পাচনিৰ লগতে বকো অঞ্চলৰ বিভিন্ন ক্ষেত্ৰৰে জড়িত অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠন, বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# দৰং জিলাত ৭৭তম্ গণৰাজ্য দিৱস উদ্‌যাপন




**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৫ জানুৱাৰী ঃ** দেশৰ অন্য প্ৰান্তৰ লগতে দৰং জিলাতো সোমবাৰে উল্লাসৰ মাজেৰে ৭৭তম গণৰাজ্য দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে মঙলদৈৰ কাছাৰী ময়দানত কেন্দ্ৰীয়ভাৱে আয়োজিত অনুষ্ঠানত দৰং জিলাৰ আয়ুক্ত পূবালী গোহাঁইয়ে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। অনুষ্ঠানত জিলা আয়ুক্ত গৰাকীয়ে জিলা আৰক্ষী, এনচিচি কেডেট আৰু শিক্ষাৰ্থীসকলৰ মাৰ্চ পাষ্টৰ অভিবাদন গ্ৰহণ কৰে। অনুষ্ঠানত মুঠ ১৪টা প্লাটুনে অংশগ্ৰহণ কৰে। জিলা আয়ুক্ত গৰাকীয়ে ভাষণত দেশৰ স্বাধীনতাৰ বাবে প্ৰাণ আহুতি দিয়া স্বাধীনতা সংগ্ৰামীসকললৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেখেতে বিগত বৰ্ষত জিলাখনত বিভিন্ন চৰকাৰী বিভাগে লাভ কৰা উন্নয়নমূলক সাফল্যসমূহৰ বিষয়ে উল্লেখ কৰে আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত জিলাবাসীৰ কল্যাণৰ বাবে ৰূপায়ণ কৰা বিভিন্ন চৰকাৰী কল্যাণমূলক আঁচনিসমূহৰ বিষয়ে আলোকপাত কৰে। মাৰ্চ পাষ্ট প্ৰতিযোগিতাত মঙলদৈ মহাবিদ্যালয়ৰ ৫ম অসম বেটেলিয়ন এনচিচি (ল'ৰা) দলে প্ৰথম স্থান লাভ কৰে। জৱাহৰ নৱোদয় বিদ্যালয়, উদমাৰী দ্বিতীয় স্থান লাভ কৰাৰ বিপৰীতে মঙলদৈ মহাবিদ্যালয়ৰ ৫ম অসম বেটেলিয়ন এনচিচি (ছোৱালী) দলে তৃতীয় স্থান অধিকাৰ কৰে। অনুষ্ঠানত কৃষি, নিৰ্বাচন, স্বাস্থ্য, জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু সমাজ কল্যাণ বিভাগৰ প্ৰতীক পট প্ৰদৰ্শন কৰা হয়। ইয়াৰ লগতে শিল্পীসকলৰ দ্বাৰা "বন্দে মাতৰম" সংগীত পৰিৱেশন, জিলা ক্ৰীড়া কাৰ্যালয়ৰ যোগ প্ৰদৰ্শন আৰু ত্ৰিনয়ন সংগীত মহাবিদ্যালয়ৰ নৃত্যই অনুষ্ঠানটোক অধিক মনোৰম কৰি তোলে। দুৰ্যোগ ব্যৱস্থাপনাৰ অংশ হিচাপে এক ভূমিকম্প মক ড্ৰিলো অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানত মঙলদৈ বিধানসভা সমষ্টিৰ বিধায়ক বসন্ত দাস, অসম মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাসৰ লগতে বহু বিশিষ্ট নাগৰিক আৰু ৰাইজ উপস্থিত থাকে।

# বিশ্বনাথ জিলাৰ বিহালীৰ ৰতোৱাৰ মাহালীবস্তীত আদিবাসী কল্যাণ ও উন্নয়ন পৰিষদৰ উদ্যোগত গণৰাজ্য দিৱস উদ্‌যাপন

**অসম বাৰ্তা, জিনজিয়া, ২৬ জানুৱাৰী ঃ** আজি ৭৭ সংখ্যক গণৰাজ্য দিৱস। গণৰাজ্য দিৱসৰ লগত সংগতি ৰাখি অসম চৰকাৰৰ আদিবাসী কল্যাণ ও উন্নয়ন পৰিষদে বিহালী সমষ্টিৰ মাহালীবস্তীৰ খেলপথাৰত গণৰাজ্য দিৱস আয়োজন কৰে। অনুষ্ঠানত পতাকা উত্তোলন কৰে আদিবাসী কল্যাণ উন্নয়ন পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পীতাৰ ডাঙে। অনুষ্ঠানত পৰিষদৰ কাৰ্যবাহী সদস্য দ্বীপেন নায়ক, বিশেষ কৰ্তব্যৰত বিষয়া ৰুগেশ্বৰ খাণ্ডুৱালৰ লগতে বহু গণ্য মান্য ব্যক্তি উপস্থিত থাকে। পৰ্যায়ক্ৰমে বিভিন্ন জাতি-জনগোষ্ঠীৰ নৃত্য প্ৰদৰ্শনৰে অনুষ্ঠান অনুষ্ঠিত হয়। নিশালৈ আমন্ত্ৰিত শিল্পীৰ দ্বাৰা সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হ'ব।

# গেলেকীৰ ১ নং লাহন নামদাং ট্ৰাইবেল গাঁৱত গণৰাজ্য দিৱস




**অসম বাৰ্তা, গেলেকী, ২৫ জানুৱাৰী ঃ** আজি ৭৭ তম গণৰাজ্য দিৱস। আজি সমগ্ৰ দেশে পালন কৰিছে ৭৭ তম গণৰাজ্য দিৱসৰ। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি দিনজোৱা কাৰ্যসূচীৰে পালন কৰা হৈছে ৭৭ তম গণৰাজ্য দিৱসৰ। শিৱসাগৰ জিলাৰ নাজিৰা সম-জিলাৰ অন্তৰ্গত গেলেকীৰ ১ নং লাহন নামদাং ট্ৰাইবেল গাঁৱত দিনজোৱা কাৰ্যসূচীৰে ৭৭ তম গণৰাজ্য দিৱসটি পালন কৰা হয়। ১ নং লাহন নামদাং ট্ৰাইবেল গাঁৱৰ ৰাইজৰ উদ্যোগত আৰু গেলেকী শাখা সাহিত্য সভাৰ সহযোগত অনুষ্ঠানটিৰ আয়োজন কৰা হৈছিল। পুৱাৰ ভাগত পৰিৱেশ নিকাকৰণ আৰু পথৰ কাষত বিক্ষৰোপণেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। পৰৱৰ্তী সময়ত কণ-কণ ছাত্ৰ ছাত্ৰীৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। অনুষ্ঠানটিত গেলেকী অঞ্চলৰ প্ৰাক্তন শিক্ষক বিৰেণ শইকীয়া, গেলেকী শাখা সাহিত্য সভাৰ সভাপতি ৰবীন বৰঠাকুৰ, সম্পাদক নীলিমা গগৈ, গেলেকী প্ৰেছ ক্লাবৰ সভাপতি ৱাহিদ আলী, জ্যোতিমাৰ্গ বেচৰকাৰী সংস্থাৰ বিদ্যাজ্যোতি গগৈ, জেষ্ঠ খেলুৱৈ জিতু মৰাণকে ধৰি ভালেকেইজন গণ্য মান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ শেষত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীক একোটাকৈ পুৰস্কাৰে পুৰস্কৃত কৰা হয়।

# বটিয়ামাৰী ভানু ৰঙ্গমঞ্চত হিন্দু সন্মিলন উদ্‌যাপন

**অসম বাৰ্তা, বিহালী, ২৬জানুৱাৰী ঃ** বটিয়ামাৰী মণ্ডল হিন্দু সমিতিৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত আজি বটিয়ামাৰী ভানু ৰঙ্গমঞ্চত দিনজোৰা কাৰ্যসূচীৰে হিন্দু সন্মিলন অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি ৰাতিপুৱা পতাকা উত্তোলন কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি দুৰ্গা মুদৈয়ে। তাৰ পিছত পুষ্পাঞ্জলি অৰ্পন কৰে প্ৰেম প্ৰসাদ উপাধ্যায়ে আৰু বন্তি প্ৰজ্বলন কৰে অমল কুমাৰ গোস্বামীয়ে। গমিৰি বেদ বিজ্ঞান বিদ্যাপীঠৰ ছাত্ৰসকলে বেদ মন্ত্ৰ পাঠ কৰে। অভ্যৰ্থনা সমিতিৰ সভাপতি দুৰ্গা মুদৈৰ সভাপতিত্বত অনুষ্ঠিত সভাত উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক প্ৰদীপ ৰয়ে। সভাত বৰগাং জ্ঞানম একাডেমীৰ অধ্যক্ষ দীপু শৰ্মাই বক্তা হিচাবে অংশ গ্ৰহণ কৰি হিন্দু ধৰ্মৰ উৎপত্তি, ইয়াৰ প্ৰসাৰ, সনাতন সংস্কৃতি আদিৰ ওপৰত বক্তব্য আগবঢ়ায়। আনহাতে ৰূপালী দাসে সনাতন ধৰ্মত নাৰী সকলৰ পঞ্চ পৰিবৰ্তনৰ ওপৰত ভিত্তি কৰি বক্তব্য আগবঢ়ায়। ডেকা সত্ৰাধিকাৰ ৰূপম গোস্বামীয়ে ধৰ্ম, সমাজ ব্যৱস্থা আৰু শংকৰদেৱৰ এক শৰণ ধৰ্মৰ ওপৰত বক্তব্য দাঙি ধৰে। সমবেত সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানত সত্ৰীয়া নৃত্য, ঝুমুৰ নৃত্য, খুকুৰী নৃত্য আদিৰ প্ৰদৰ্শন কৰা হয়। এই অনুষ্ঠানত ক'লাশ্ৰী বিনোদ খনাল, অনিল ৰয়, চেতন গৌতম, ডম্বৰুধৰ দাস, বিজয়কৃষ্ণ আচাৰ্য, আদি বিশিষ্ট ব্যক্তিসকলে অংশ গ্ৰহ্ণ কৰা সভাত প্ৰায় চাৰি শতিধিক ৰাইজে অংশগ্ৰহ্ণ কৰে।

# পতাকা উন্মোচনত বিসঙ্গতি
# সৰুপথাৰত ৭৭ সংখ্যক গণৰাজ্য দিৱসত অঘটন

**অসম বাৰ্তা, ধনশিৰি, ২৬ জানুৱাৰী ঃ** সৰুপথাৰৰ গণৰাজ্য দিৱস উদ্‌যাপনত অঘটন। দেশৰ বিভিন্ন প্ৰান্তৰ লগতে সৰুপথাৰতো সৰুপথাৰ সমজিলা প্ৰশাসনৰ উদ্যোগত আৰু সমজিলাবাসী ৰাইজৰ সহযোগত কেন্দ্ৰীয়ভাৱে সৰুপথাৰ ৰাজহুৱা খেলপথাৰত ২৬ জানুৱাৰী তাৰিখে ৭৭ সংখ্যক গণৰাজ্য দিৱস উদ্‌যাপন কৰে। কিন্তু গণৰাজ্য দিৱস উদ্‌যাপনৰ মাজতে ঘটিল অথন্তৰ। সৰুপথাৰ সমজিলা আয়ুক্ত মানস জ্যোতি নাথে উন্মোচন কৰা পতাকা ভাগ ওলোটাকৈ উন্মোচন হোৱা দেখা গ'ল। ত্ৰিৰংগা পতাকাখনৰ সেউজীয়া ৰঙ ওপৰলৈ আৰু গেৰুৱা ৰঙ তললৈ হৈ থাকিল। হঠাৎ ৰাজহুৱা খেলপথাৰত লাগিল হুৱা-দুৱা। প্ৰশাসনীয় বিষয়ববীয়াসকলৰ কথাটো দৃষ্টিগোচৰ হয় আৰু সমজিলা আয়ুক্ত মানস জ্যোতি নাথে ভাষণ প্ৰদান কৰি থকাৰ মাজতেইততাতৈয়াকৈ আৰক্ষীৰ সহযোগত ওলোটাকৈ উন্মোচন হোৱা পাতাকা ভাগ সলনি কৰে। কিন্তু ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ দিনাই মূল কাৰ্যসূচীটোৱেই সুচাৰুৰূপে সম্পন্ন নোহোৱাত এক অনাকাংক্ষিত পৰিৱেশৰ সৃষ্টি হয় আৰু উপস্থিত ৰাইজৰ মাজত কথাটো চৰ্চিত হ'বলৈ ধৰে।

# নাহৰকটীয়াত প্ৰণামো মাতৃভাষাৰ আৰু ডিব্ৰুগড় জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ উদ্যোগত মাতৃভাষা সজাগতা সভা

**অসম বাৰ্তা, নাহৰকটীয়া, ২৬ জানুৱাৰী ঃ** প্ৰণামো মাতৃভাষাৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ উদ্যোগত আজি নাহৰকটীয়া মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে মাতৃভাষা সজাগতা সভা অনুষ্ঠিত হয়। এই অনুষ্ঠানত নাহৰকটীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জ্যোতি প্ৰসাদ কোঁৱৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰবক্তা সত্যকাম বৰঠাকুৰ, প্ৰণামো মাতৃভাষাৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক অভিজিত শৰ্মা বৰুৱা, অসম জাতীয় বিদ্যালয়ৰ শিক্ষা সংসদৰ সচিব ড° নাৰায়ণ শৰ্মা, অসম জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধি, অসম জাতীয় বিদ্যালয়ৰ শিক্ষা সংসদৰ সমন্বয়ক অসীম কৃষ্ণ বৰুৱা, অসম জাতীয় বিদ্যালয়ৰ শিক্ষা সংসদৰ মাণ্ডলিক সদস্য ড° স্বপন চুতীয়া, ডিব্ৰুগড় জিলা জাতীয় বিদ্যালয়ৰ সমন্বয়ক সমিতিৰ সভাপতি অভিজিত সিংহ, আৰু সচিব জোনটি বৰা উপস্থিত থাকে। এই অনুষ্ঠানত ডিব্ৰুগড় জিলাৰ পঞ্চাশখন জাতীয় বিদ্যালয়ৰ অধ্যক্ষ, শিক্ষক, শিক্ষয়িত্ৰী আৰু অভিভাৱক লগতে শঙ্কৰদেৱ শিশু নিকেতনৰ ডিব্ৰুগড় জিলাৰ শিক্ষক আৰু অভিভাৱক উপস্থিত সহ পাঁচ শতাধিক ৰাইজ উপস্থিত থাকে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালতহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন